জান্তৱ

ৰঞ্জু হাজৰিকা

অসমী প্ৰকাশন
আনন্দৰাম বৰুৱা পথ,
পানবজাৰ, গুৱাহাটী—১

JANTAB a Novel of animals written by Ranju Hazarika & Published by Narayan Das, Asomi Prakashan, Gauhati.

প্ৰকাশক—
নাৰায়ন দাস,
অসমী প্ৰকাশন,
পানবজাৰ।

১৯৮৫ চন

বেটুপাত—
কামাখ্যা দত্ত

মূল্য— ২০·০০ টকা

মুদ্ৰক—
জনজীৱন প্ৰেছ,
গুৱাহাটী— ১

পূজনীয় দেউতা

৺তীৰ্থনাথ হাজৰিকাৰ সজল স্মৃতিত

ৰঞ্জু—

এক্ষন্তেক

অৰণ্যৰ বিষয়ে অৰণ্যৰ অধিবাসীবোৰৰ বিষয়ে লিখি আমোদ পাওঁ। সৃষ্টিৰ প্ৰথম প্ৰভাতত খেয়ালী প্ৰকৃতিৰ খেলাঘৰত জন্ম লৈছিল আদি অৰণ্য। যি অৰণ্যই আমাৰ প্ৰাণৰ মাজত আলোড়ন তোলে তাৰ বাসিন্দাবোৰক লৈ কৌতুহল স্বাভাৱিক। সভ্যতাৰ উষালগ্নত মানুহ আছিল বন্য পশুৰ সহোদৰ। "জন্তুক জন্মগত বন্যস্বভাৱ, সিহঁতৰ ভয়ংকৰ প্ৰকৃতি আৰু বিচিত্ৰ হিংস্ৰতাৰ মাজ-তেই মনোহাৰিত্ব থাকে। নিশীথৰ নিঃসাৰ অন্ধকাৰত সিহঁতৰ নিঃশব্দ গোপন পদক্ষেপ বনৰ অন্তৰালত গুপ্ত হিংস্ৰ প্ৰাণিকুল অকস্মাৎ উৰি যোৱা নিশাচৰ পক্ষীৰ তীব্ৰ তীক্ষ্ণ কণ্ঠধ্বনি, বতাহৰ সোঁ সোঁ শব্দ, তেজৰ গোন্ধ— এইবোৰ মিলি হিংস্ৰতাৰ আবেগত মগ্ন বৰ্বৰ জীৱ জগতৰ প্ৰকৃতিৰ প্ৰকৃত লীলাভূমি........ সেয়া যেন কোনোবা অজান জগতৰ কাব্য।"

অৰণ্য আৰু বন্য জীৱ-জন্তুক লৈ লিখা 'ক্লান্ত সূৰ্যৰ ৰশ্মি' প্ৰথম প্ৰকাশ হৈ ওলোৱাৰ পিছত অনেক শুভাকাংক্ষীয়ে মোক চিঠি যোগে উৎসাহ দিছিল, প্ৰেৰণা দিছিল যাতে মই তেনেধৰণৰ উপ-ন্যাস আৰু সৃষ্টি কৰি তেওঁলোকক উপহাৰ দিব পাৰো। সেই প্ৰেৰণাতে জন্ম হ'ল মোৰ পৰবৰ্তী উপন্যাস সমূহ— গহীন বনৰ ফুল, স্তব্ধ অৰণ্য আদি।

'ক্লান্ত সূৰ্যৰ ৰশ্মি'ৰ নাম সলনি কৰা হ'ল অনেক পাঠক পাঠিকা, শুভাকাংক্ষীৰ অনুৰোধত। সেয়ে ইয়াৰ নাম দ্বিতীয় প্ৰকাশত 'জান্তৱ' ৰখা হ'ল। উপন্যাসখনে দ্বিতীয়বাৰ প্ৰকাশৰ মুখ দেখিলে। ইয়াৰ মূলতে প্ৰকাশক শ্ৰীযুত নাৰায়ণ দাসৰ আগ্ৰহ আৰু আন্তৰিকতা। তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ। অৰণ্যৰ

হিংস্র প্ৰাণী বাঘ আৰু জীৱ শ্ৰেষ্ঠ মানুহৰ মাজত হৃদয় দিয়া নিয়াৰ এই কৰুণ ৰসসিক্ত কাহিনীটি প্ৰথম প্ৰকাশৰ দৰেই পাঠকে মৰমৰ চকুৰে চাব নিশ্চয়।

সৰ্বশেষত পাঠক-পাঠিকা, শুভাকাংক্ষী সকলোলৈকে আন্তৰিক শুভকামনা জনাই সামৰিলো।

গুৱাহাটী
১/১২/৮৫

ৰঞ্জু হাজৰিকা

এক

ৰাতিপুৱা ওচৰৰ হাবিখনৰ পৰা অহা আচৈন জন্তু এটাৰ বিকৃত চিঞৰত শঙ্কৰ টোপনিৰ পৰা খক্‌মক্‌কৈ সাৰ পাই গ'ল। বিচনাৰ ওপৰতে বহি শঙ্কৰে কাষৰ খিৰিকিখন খুলি দিলে। এচেৰেঙা বেলিৰ পোহৰ সোমাই আহিল। খিৰিকিয়েদি শঙ্কৰে দৃষ্টি নিক্ষেপ কৰিলে নিচেই ওচৰতে থকা হাবিখনলৈ। ঘন অৰণ্য অঞ্চল। বহু বছৰীয়া ওখ ওখ শাল, বনচোম, গন্ধসৰৈ, সোনাৰু আৰু অন্যান্য গছ লতিকা-বোৰো পুৱাৰ লগে লগে যেন সাৰ পাই উঠিছে। সোনাৰু গছত ওলমি থকা থোপা-খুপি সোন যেন সোনাৰু ফুলবোৰ দেখি শঙ্কৰৰ ভাল লাগিল। প্ৰকৃতিৰ মাজতে শঙ্কৰ ডাঙৰ হৈছে। চকু মেলাৰে পৰা প্ৰকৃতিৰ মোহনীয় ৰূপকে দেখি আহিছে, তথাপি শঙ্কৰৰ হেপাহ নপলায়। হঠাৎ শঙ্কৰৰ মনত পৰিল পুৱাতে দেউতাক চিকাৰলৈ যোৱাৰ কথা। কিন্তু তেতিয়ালৈকে দেউতাক টোপনিত। শঙ্কৰ একে-জাপে বিচনাৰ পৰা নামি দেউতাক শোৱা বিচনাখনৰ কাষ চাপিলগৈ।

: দেউতা, উঠক; ৰাতি পুৱাল নহয়। চিকাৰলৈ যাম নহয়?—শঙ্কৰে দেউতাকক টোপনিৰ পৰা উঠাবলৈ চেষ্টা কৰিলে।

: উঁ।—টোপনিতে শঙ্কৰৰ দেউতাকে মাত লগালে।

: দেউতা, উঠক। এ, আপুনি নুঠে, দেৰি হৈ যাব।—শঙ্কৰৰ দেউতাক সাৰ পাই গ'ল। শঙ্কৰৰ মুখলৈ একেথৰে চাই থাকিল।

: কি চাইছে? উঠক! শঙ্কৰে পুনৰ ক'লে।

: উঠিম বাৰু। তুমি জানো মুখ ধুলা?

: নাই।

: খোৱাগৈ যোৱা ।

শঙ্কৰ লৰমাৰি বাথ্‌ৰুম পালেগৈ। বাথ্‌ৰুমৰ পৰা ওলাই আহোঁতে শঙ্কৰে ঘৰৰ কাম কৰা লগুৱা ৰামুক চিঞৰি চিঞৰি ক'লে,

. ৰামুকাই, মই মুখ ধুলোঁ, মোক গাখীৰ দিয়া ।

: তোমালৈ চব ঠিক কৰি ৰাখিছোঁ, আহা সোণ খোৱাহি ।

ৰামুৱে ৰান্ধনি ঘৰৰ পৰা মাত লগালে ।

শঙ্কৰে একো নকৈ ৰান্ধনি ঘৰৰ ফালে গ'ল ।

ইতিমধ্যে দেউতাক শোৱাৰ পৰা উঠিল ।

পুৱা প্ৰায় আঠ বজাত শঙ্কৰ আৰু দেউতাক শিৱ বৰুৱা নিজৰ জীপত উঠি চিকাৰলৈ গ'ল ।

চিকাৰলৈ যোৱা বা শঙ্কৰক লগত লৈ হাবিৰ মাজে মাজে ঘূৰিবলৈ যোৱা শিৱ বৰুৱাৰ দৈনন্দিন কাম তালিকাত পৰে। শঙ্কৰৰ দেউতাক শিৱ বৰুৱাক গোটেই অসমৰ মানুহে চিকাৰী শিৱ বৰুৱা বুলিহে জানে। ইপাৰ সিপাৰ মনিব নোৱাৰা বৃহৎ হাবি অঞ্চলৰ কাষতে শিৱ বৰুৱাৰ ঘৰ। কেতিয়াও নেদেখা মানুহে গোনতে শিৱ বৰুৱাৰ সেই প্ৰকাণ্ড বঙ্গলা ঘৰটো দেখিলে বন বিভাগৰ কোনোবা বিষয়াৰ ঘৰ নাইবা কিবা বন বিভাগীয় কাৰ্যালয় বুলি ভুল কৰাটো একো আচৰিত কথা নহয়। ইংৰাজ শাসন কালত কোনোবা হকিন্স নামৰ চিকাৰী চাহাব এজনে বোলে সেইটো ঘৰ সজাইছিল। চিকাৰী হকিন্স চাহাবে কিয় বাস কৰিছিল এই বিষয়েও বহুতে বহুত কাহিনী কয়। কিবোৰ শুনিলে সাধু কথা যেন লাগে। কিবা কাৰণত হকিন্স চাহাবে সেই ঘৰ এৰি ইংলেণ্ডলৈ গুচি গ'ল। হকিন্স চাহাবৰ পৰা সেই ঘৰ-দুৱাৰ শিৱবৰুৱাৰ ককাদেউতাক ৰুদ্ৰ বৰুৱাই কিনি লয়। হকিন্স চাহাবৰ চিকাৰৰ সোঁ হাত ৰুদ্ৰ বৰুৱাও এজন চিকাৰী আছিল। ৰুদ্ৰ-বৰুৱাৰ দৰেই পুতেক হৰবৰুৱাও এজন ডাঙৰ চিকাৰী আছিল। দেউতাক আৰু ককাদেউতাকৰ সেই গুণ আৰু প্ৰতিভা প্ৰকাশিত হৈছে শিৱ বৰুৱাৰ হাতত। প্ৰত্যেকেই একোজন প্ৰখ্যাত চিকাৰী। চিকাৰী বংশ বুলিলে মানুহে শিৱ বৰুৱাৰ বংশটোকে জানে। মানুহে কয় শিৱ

বৰুৱাৰ বংশৰ প্ৰত্যেক জনেই হাতত বন্দুক লৈ জন্ম লৈছে। অৱশ্যে ই একো বঢ়াই কোৱা কথা নহয়। তাহানি দিনৰ পৰাই এই বংশটোৰ হাবিৰ লগত ওতঃপ্ৰোত সম্বন্ধ।

হাবি নহলে শিৱ বৰুৱাৰ বংশটো যেন অচল হৈ পৰিব।

হাবি কাষৰ এই অঞ্চলটোত শিৱ বৰুৱাৰ ঘৰটোৰ বাহিৰে আন কাৰো ঘৰ নাই। প্ৰায় ছয়-সাত কিলোমিটাৰ আঁতৰতহে মানুহৰ বসতি। ঠাই টুকুৰা অতি নিৰ্জ্জন। বাঘ হাতী আৰু অন্যান্য বনৰীয়া হিংস্ৰ জন্তুৰ ভয়ত দিনতে সেই ঠাইলৈ মানুহ আহিবলৈ ভয় কৰে। এনে ভয়াবহ পৰিবেশৰ মাজতে কান্ত বৰুৱা, হৰ বৰুৱাই একোটা দীঘলীয়া জীৱন অতিবাহিত কৰিছিল। শিৱ বৰুৱাইয়ো জীৱনৰ আধাখিনি বেছিখিনি সময় পাৰ কৰি দিলে শিৱ বৰুৱাৰ একেটি মাথোন পুত্ৰ শঙ্কৰেও হয়তো পাৰ কৰি দিব। এনেকুৱা একোটা পৰিবেশৰ মাজত জন্ম লৈ কান্ত বৰুৱা, হৰ বৰুৱা, শিৱ বৰুৱা প্ৰত্যেকৰে মনত এটা ভাব গাঢ় ভাৱে সোমাই গৈছে যে মানুহ হৈ জন্ম লোৱা মানে হাতত বন্দুক লৈ হাবিয়ে বননিয়ে চিকাৰ কৰি ঘূৰি ফুৰা।

শিৱ বৰুৱাৰ পত্নী শঙ্কৰৰ জন্মৰ এবছৰ পিচতে কিবা এটা অচিন ৰোগত মৃত্যু হয়। শঙ্কৰক ডাঙৰ দীঘল কৰিবলৈ শিৱ বৰুৱাই দ্বিতীয় বিবাহ কৰাৰ কথা সপুনতে নাভাবিলে। দেউতাক খুৰাক নীলকণ্ঠ, লগুৱা ৰামু আৰু জিউৰামৰ আপদাললতে শঙ্কৰে এঘাৰটা বসন্ত গৰকি আহিল। এই এঘাৰটা বছৰ শঙ্কৰৰ পঢ়া শালিৰ লগত কোনো সম্বন্ধ নাই। দেউতাক শিৱ বৰুৱাই সেই সম্বন্ধ ৰাখিব দিয়া নাই। শিৱ বৰুৱাই শঙ্কৰক শিকাই বন্দুকৰ কথা, হাবি বনৰ কথা আৰু বনৰীয়া জীৱ জন্তুৰ কথা। সেই কাৰণেই শঙ্কৰৰ সৰুৰে পৰা বেচি মন চিকাৰতহে। দেউতাকে আনি দিয়া "টয় গান"টো হাতত লৈ শঙ্কৰ দিনটো দেউতাকৰ পিছে পিছে হাবিয়ে বননিয়ে ঘূৰি ফুৰে।

"গুৰুম।" –বন্দুকৰ শব্দত বিলত সাঁতুৰি নাদুৰি হুলস্থুল কৰি থকা হাঁহ জাক আকাশলৈ উৰা মাৰিলে। শঙ্কৰে বন্দুকটো দুই হাতেৰে খামোচ মাৰি ধৰিলে। পৰাহলে গোটেই জাকটোকে বগৰাই পেলাব হেতেন।

"গুৰুম্ ।" শঙ্কৰৰ দেউতাকৰ হাতৰ বন্দুকটোৱে পুনৰ গৰজি উঠিল। লগে লগে বেহুবাটাও হাঁহ ওপৰৰ পৰা ধপৰ্ ধপৰ্ কৈ মাটিত পৰি গ'ল। শঙ্কৰ লৰ মাৰি গ'ল মৰা হাঁহ কেইটা বুটলিবলৈ। অলপ পিচতে হাঁহকেইটা লৈ শঙ্কৰ উলটি আহিল। শঙ্কৰে হাঁহ অনা অৱস্থাটো দেখি দেউতাকৰ হাঁহি উঠিল।

ঃ বলে পৰা নাই? —দেউতাকে হাঁহি মাৰি প্ৰশ্ন কৰিলে।

ঃবৰ গধুৰ দেউতা। —দেউতাকৰ ওচৰত হাঁহকেইটা পেলাই দি শঙ্কৰে ফোঁপাই জোঁপাই ক'লে।

ঃ কেইটা? দেউতাকে প্ৰশ্ন কৰিলে।

ঃ ছটা। -শঙ্কৰে ক'লে।

শিৰ বৰুৱাই হাঁহকেইটা জীপখনত উঠালে।

ঃ দেউতা, এই হাঁহবোৰ সদায় ইয়াতে থাকে নেকি? —শঙ্কৰে উৰি উৰি নেদেখা হোৱা হাঁহ জাকৰ ফালে চাই দেউতাকক প্ৰশ্ন কৰিলে।

ঃ নাথাকে। — চিগাৰেট এটা জ্বলাইলৈ দেউতাকে উত্তৰ দিলে।

ঃ ক'ত থাকে?

ঃ সৌ যে দূৰত পাহাৰবোৰ দেখিছা তাত থাকে।

ঃ ইমান দূৰ?

ঃ ও, ৰাতিপুৱা সিহঁত উৰি উৰি ইয়ালৈ আহে আৰু গধূলি হ'লে গুচি যায়।

ঃ ইয়াত কিয় নাথাকে দেউতা?

. সিহঁতৰ থকাৰ সুবিধা নাই?

শঙ্কৰে দেউতাকৰ কথাষাৰ বুজি নাপালে। অবুজ চাৱনিৰে মাথো দেউতাকৰ মুখলৈ চাই ৰ'ল। ওচৰৰ জোপোহা গছ এজোপাৰ পৰা অহা সৰু চৰাই এটাৰ তীব্ৰ মাতত শঙ্কৰে দৃষ্টি ঘূৰালে। তেজ যেন ৰঙা দীঘল খাৰকাৰ দৰে ঠোঁটটিৰ সৈতে অক'মানি চৰাই এটা।

ঃ দেউতা এইটো কি চৰাই? শঙ্কৰে প্ৰশ্ন কৰিলে।

ঃ মৌ পিয়া।

শঙ্কৰে চৰাইটো ধৰিবলৈ গছ জোপাৰ ফালে লৰ মাৰিলে। ফুৰুৎ

কৰি চৰাইটো উৰি গৈ আন এজোপা গছত পৰিল। শঙ্কৰো আগবাঢ়িল সিজোপা গছৰ ওচৰলৈ। চৰাইটো পুনৰ গৈ আন এজোপাত পৰিল। শঙ্কৰেও পিছ নেৰিলে। দেউতাকে শঙ্কৰ আৰু চৰাইটোৰ খেলা দেখি দূৰৰ পৰাই হাঁহিলে মাথোন। অৱশেষত চৰাইটো উৰি গ'ল বহুদূৰলৈ। বিফল মনেৰে শঙ্কৰে চকু ঘূৰালে আন এফালে। শঙ্কৰৰ চকুত পৰিল ৰঙ বিৰঙৰ অনেক বনৰীয়া ফুল। বতাহে কঢ়িয়াই অনা ফুলৰ মৃদু সুবাস এটি শঙ্কৰৰ নাকত লাগিল। কি সুন্দৰ গোন্ধ! শঙ্কৰৰ ভাল লাগি গ'ল। ফুলৰ চাৰিও কাষে উৰি ফুৰিছে কিছুমান জীৱন্ত উৰণীয়া ফুল; ঈশ্বৰৰ অন্য এক সুন্দৰ সৃষ্টি পখিলা। কোনোটো হালধীয়া, কোনোটো বগা, কোনোটো ইটাৰঙৰ, কোনোটো বহুবৰ্ণৰ সংমিশ্ৰণ। চিত্ৰ বিচিত্ৰ সৰু ডাঙৰ মধুলোভী পখিলা।

বহু সময় ধৰি নিনিমেষে চাই থাকে শঙ্কৰে। জাক জাক, ৰাশি ৰাশি বিবিধ ধৰণৰ পখিলাবোৰ চাই চাই শঙ্কৰ মুগ্ধ হৈ যায়। পখিলাবোৰৰ লগে লগে শঙ্কৰৰ পলকহীন চকু দুটিৰ মোহান্ধ চাৱনি ইটো ফুলৰ পৰা সিটো ফুললৈ জঁপিয়াজঁপি কৰে।

ঃ শঙ্কৰ। — দেউতাকৰ মাতত শঙ্কৰৰ সম্বিৎ ফিৰি আহে আৰু মুখেৰে কিবা ভুনভুনাই জঁপিয়াই জঁপিয়াই শঙ্কৰ দেউতাকৰ ওচৰত উপস্থিত হয় গৈ।

ঃ বহু সময় হ'ল। ঘৰলৈ যাওঁগৈ ব'লা। —দেউতাকে ক'লে। শঙ্কৰে কোনো উত্তৰ নিদি একে জাপে গাড়ীত উঠিল।

হাবিৰ মাজে মাজে শিৱ বৰুৱাই নিজে তৈয়াৰ কৰি লোৱা একাঁ বেঁকা ঠেক পথটোৰে জীপখন আগবাঢ়িল। দুই কাষে ঘন বনাঞ্চল। ওখ ওখ গছৰ তলৰ ঠেক পথটো যেন এটা দীঘলীয়া গুহা হে।

"খেক্ খেক্ খেক্।"—এটা জন্তুৰ শব্দত শঙ্কৰ আৰু দেউতাকে পিচলৈ ঘূৰি চালে। এটা ক'লা ভালুক দৌৰি দৌৰি হাবিত সোমোৱা দুয়োৰে চকুত পৰিল।

: দেউতা গাড়ী ৰখাওক—শঙ্কৰে চিঞৰি উঠিল।

: "কিয় ?"—দেউতাকে সুধিলে ।

: ভালুকটো মাৰিব লাগে ।

: আজি নামাৰো ।

শঙ্কৰে মুখখন ওন্দোলাই পেলালে । দেউতাকৰ হাঁহি উঠিল ।

হাবিৰ কাষৰ পুৰণি দিনীয়া ৰাজকাৰেং হেন দালানটোৰ সমুখত গৈ শিব বৰুৱাই জীপখন ৰখালে । পুৰণি ভৃত্য ৰামু আগবাঢ়ি আহি শিব বৰুৱাৰ হাতৰ পৰা বন্দুক আৰু হাঁহকেইটা লৈ ভিতৰলৈ গ'ল । শঙ্কৰে ভিতৰ সোমাই নিজৰ 'টয় গান' টো চকী এখনলৈ দলিয়াই দি জপিয়াই ভিতৰৰ বাৰান্দা পালেগৈ ।

: আহিলা শঙ্কৰ ? জীউৰামে ধেমালি কৰিবৰ মনেৰে শংকৰক সুধিলে । শংকৰে হাঁহি এটা মাৰি মুৰ জোকাৰিলে ।

: পিচে আজি তুমি কি চিকাৰ কৰিলা ?

: মস্ত হাতী এটা । —শংকৰে হাতেৰে আকাৰটো দেখুৱাই ক'লে ।

: হাতী ? বাপ্ৰে বাপ । তুমি তেন্তে কম চিকাৰী নোহোৱা । পিচে হাতীটো ক'ত থৈছা চাওঁ । —জীউৰামে শংকৰৰ পেন্টৰ পকেটত হাতী বিচাৰিব ধৰিলে ।

: ধেৎ, তুমি একোকে নাজানা । পকেটত হাতী ভৰাব পাৰি নেকি ? ইমান ডাঙৰ বস্তু । সেইটো জঙ্গলতে পৰি আছে ।

: ই, তুমিও ভাল, অলপ লৈ নাহিলা কিয় ? আজি এসাজ ভালকৈ খাব পাৰিলোহেঁতেন ।

: হাতী খাই জানো ? —শংকৰে মুখখন ভেঙুচাই সুধিলে ।

: তুমি নাজানা তেন্তে । হাতী খাই ইমান যে ভাল লাগে ।

: ঠিক আছে । কালিলৈ মোৰ লগত হাবিলৈ যাবা জীউকাই ?

: যাম

: আমি দুয়ো হাতীটো লৈ আহিম দেই ।

: শংকৰ । —ভিতৰৰ পৰা দেউতাকে মাতিলে ।

: দেউতা । — শংকৰে চিঞৰি উঠিলে ।

: গা-পা ধুই বেগেতে আহা ।

: বলা জীউকাই মোক গা-ধুৱাই দিবা।

জীউবামে শঙ্কৰক বাথ্‌ৰুমলৈ লৈ গ'ল। গা-পা ধুই অহাৰ পিচত শঙ্কৰ দেউতাকৰ সৈতে একেলগে দুপৰীয়াৰ আহাৰ খাবলৈ বহিল।

: দেউতা।— খাই থকাৰ মাজতে শঙ্কৰে দেউতাকক মাত লগালে।

: উঁ।

: এ মানে "এপল্" নে "এনিমেল?"

: এপল্, এনিমেল দুটাই হয়।

: বি মানে কি?

: বাফেলো। [Buffalo]"

: চি' মানে [Camel] 'ক্যামেল' আৰু 'ডি' মানে ডিয়াৰ]Deer] নহয়নে দেউতা?"

: উঁ।

: ডিয়াৰ [Deer] মানে কি দেউতা?

:হৰিণ। বাৰু 'ই' মানে কি কোৱাচোন? এইবাৰ দেউতাকে সুধিলে।

: ই মানে হাতী।"

: ধেৎ।–দেউতাকে হাঁহি মাৰি ক'লে, : ই মানে হাতী কেনেকৈ হব? 'ই' মানে 'এলিফেণ্ট' [Elephant] আৰু 'এলিফেণ্ট' মানেহে হাতী।'

: এফ' মানে 'ফক্স' [Fox], জি মানে 'জিৰাফ', 'এইচ' মানে হৰ্চ আই মানে — ----।

: বাৰু এতিয়া ভাত খিনি শেষ কৰা। ভাত খাওঁতে কথা পাতিব নাপায় নহয়!"—দেউতাকৰ কথাত শঙ্কৰ মনে মনে ৰ'ল।

খোৱা শেষ হোৱাৰ পিচত শিৱ বৰুৱা গৈ বাহিৰৰ বাৰান্দাত বহিল। শঙ্কৰে দেউতাকৰ পিচফালে থিয় হৈ দেউতাকৰ চুলিবোৰ লিৰিকি বিদাৰিবলৈ ধৰিলে। চকুযোৰ বন্ধ কৰি দি দেউতাকে দিনটোৰ পৰিশ্ৰমৰ ভাগৰখিনি আতঁৰাবলৈ চেষ্টা কৰিলে! এনেতে ৰামু আহি তাত উপস্থিত হ'লহি। উমানতে ৰামু অহা বুলি গম পাই শিৱ বৰুৱাই চকু নেমেলাকৈ ৰামুক সুধিলে, "কি হ'ল ৰামু?"

: আপুনি ওলাই যোৱাৰ পিচতে সৰু দেউতা আহিছিল। ৰামুৱে ক'লে।

: পিচন্ত ?

: এতিয়াৰেকে বাৰ হাজাৰ মান খেৰ কটা হৈছে বোলে। পশ্চিমৰ বেলগুৰি বিলৰ সিফালৰ খেৰনি অহাকালিৰপৰা আৰম্ভ কৰাৰ কথা। আপোনাক কাইলৈ পুৱাতে তালৈ যাবলৈ কৈ গৈছে।

: বাৰু মোৰ ভিতৰৰ টেবুলখনতে চিগাৰেটৰ পেকেটটো আছে, জুইশলা বাইটোবে সৈতে আহচোন ৰামু।—শিৱ বৰুৱাই ৰামুক নিৰ্দেশ দিলে। ৰামু ভিতৰলৈ গ'ল।

: দেউতা।—শঙ্কৰে মাত লগালে।

: উঁ।

: বেলগুৰি বিলৰ ওচৰত বাঘ আছে নে ?

: আছে।

: তেন্তে বন্দুকটো লৈ যাব লাগিব নহয়নে ?

: কাইলৈ তুমি যাব নালাগে, ঘৰতে থাকিবা।

: নাই, মই যামেই ; মই ঘৰত নাথাকো।—শঙ্কৰে জোৰ দি ক'লে।

: মই চিকাৰ কৰিবলৈ নাযাওঁ নহয়। মই কামতহে যাম, তাত মানুহে খেৰ কাটিছে।

: মই যামেই ; খেৰ কটা চাম।

দ্বিতীয়বাৰ দেউতাকে একো নকলে।

পিচ দিনা। সূৰ্য উদয় হোৱাৰ পূৰ্বেই শঙ্কৰ শোৱাৰ পৰা উঠিল। লৰালৰিকৈ মুখখন বাথ্ৰুমত গৈ নামমাত্ৰ পখালি পাক-ঘৰলৈ দৌৰ দিলে। জীউৰাম আৰু ৰামু দুয়ো তেতিয়া পুৱাৰ আহাৰ তৈয়াৰ কৰাত ব্যস্ত। শঙ্কৰো গৈ ৰামুহঁতৰ লগতে বহি ললে।

: শঙ্কৰ বৰ সোনকালে উঠিলা দেখোন ? এতিয়াও ভালকৈ পোহৰ হোৱাই নাই। কিয় উঠিলা ? —জীউৰামে সুধিলে।

: উঠিমতো। বেলগুৰি বিলৰ ওচৰত বাঘ ওলাইছে, নহয়নে ৰামুকাই —শঙ্কৰে ৰামুৰ ফালে চালে।

: এ তুমি বৰ মিছা কথা কোৱাহে। কোনেনো তাত বাঘ ওলাইছে বুলি ক'লে ? তাত তোমাৰ খুৰাই খেৰহে কটাইছে। —ৰামুৱে কলে।

শঙ্কৰে ৰামুৰৈ ঘোপাকৈ চাই খঙেৰে ক'লে, : এই ৰামু বুঢ়াভালে একো নাজানে। শঙ্কৰৰ খং দেখি ৰামুৱে হাঁহি দিলে।

শঙ্কৰ তাৰ পৰা ওলাই আহিল। তেতিয়া কাহিলি কাহিলি পোহৰে ৰঙা ৰূপ ল'লে। পুৱ আকাশত সূৰ্য দেৱতাই টিক্ টিক্ কৈ ৰঙা ৰূপত বৃহৎ থালখনৰ দৰে দেখা দিলে। চৰাই চিৰিকতি বোৰে নিজ নিজ বাঁহৰপৰা কামে কামে ওলাই গ'ল। গছে গছে সৰু ডাঙৰ কিমান যে চৰাই; শঙ্কৰে কিছুমানৰ নাম জানে, কিছু মানৰ নাজানে। শান্ত শীতল বতাহ এজাক বিৰ বিৰ কৰি ববলৈ ধৰিলে। হেঙুল হাইতাল বৰণীয়া পুৱ আকাশৰ ফালে দৃষ্টি নিক্ষেপ কৰি শঙ্কৰে মুখৰ ভিতৰতে কিবা এটা ভুনভুনালে। এজাক চৰাই উৰি আহিছে পুৱ ফালৰ পৰা। সিহঁতৰ কিচিৰ মিচিৰ কোহঁালত একোকে নুশুনি।

: শঙ্কৰ। —ভিতৰৰ পৰা ৰামুৱে চিঞৰিলে।

: গৈছো ৰামুকাই। শঙ্কৰ একেলৰে পাকঘৰ পালেগৈ।

: এয়া খোৱা। তোমাৰ কাৰণে একেবাৰে যতনাই দিছো।

: জীউকাই, তুমি মোৰ বন্দুকটো চাফা কৰি দিবা। চাহ খাবলৈ বহি শঙ্কৰে ক'লে।

: আজি পিছে তুমি কি চিকাৰ কৰিবা? —জীউৰামে ধেমালি কৰি সুধিলে।

: আজি বাঘ মাৰিম। জীউকাই, বাঘ বাৰু গছত উঠিব পাৰেনে?"

: সকলো বাঘে নোৱোৰে। নতা মাকৰী বাঘে পাৰে। তুমি গছত উঠি বাঘ মাৰিবা নেকি?

: ইহ মই আকৌ গছত উঠিম কিয়? মই মাটিৰ পৰা মাৰিম। দেউতাই কৈছে ডাঙৰ চিকাৰীয়ে মাটিৰ পৰা চিকাৰ কৰে।

: হয়তো। তুমি আকৌ গছত উঠিবা কিয়। তুমি জানো সৰু চিকাৰী তালৈকে?

শঙ্কৰে একো উত্তৰ নিদিলে। একান্ত মনে খাবলৈ লাগিল। ইতিমধ্যে দেউতাকো শোৱাৰ পৰা উঠিল।

পুৰা আঠ মান বজাত পিতা-পুত্ৰ দুয়ো জীপত উঠি বেলগুৰি বিলৰ ফালে যাত্ৰা কৰিলে। শিৱ বৰুৱাৰ ঘৰৰ পৰা হাবিৰ মাজে মাজে বিললৈ চাৰি কিলোমিটাৰ মান যাব লাগে। তালৈকে গাড়ী যাব পাৰে। এই পথছটো শিৱ বৰুৱাই নিজৰ সুবিধাৰ হেতু নিজে তৈয়াৰ কৰি লৈছে। পথ মানে নামতহে পথ। কোনোমতে জীপখন যাব পাৰে। খলাবমা বেঁকা বেঁকি, তদুপৰি মাজে মাজে বাৰ মাহে নুশু-কোৱা বোকা। সেইটো পথৰ বাহিৰে হাবিত আৰু কোনোফালে গাড়ী যাব পৰা পথ নাই। দুৰ্গম প্ৰকাণ্ড বনাঞ্চল। এই বনৰ মাজত অসংখ্য সৰু বৰ বিল পোৱা যায়। প্ৰত্যেকখন বিল মাছেৰে ভৰা। চৰাইৰ বাহিৰে সেই মাছ খাওঁতা নাই। অসংখ্য চৰায়ে পুৱাৰ পৰা গধূলিলৈকে বিল বোৰত সাঁতুৰি নাদুৰি চিঞৰি বাখৰি হুলস্থূল কৰি থাকে।

ঃ দেউতা, বিলত সেয়া কি চৰাই? ক'লা ক'লা মূৰ বিলাক উলিয়াই যে সাঁতুৰি ফুৰিছে।" –বিলত চৰি থকা হাইঁৰ দৰে চৰাই জাকলৈ আঙুলিয়াই শঙ্কৰে সুধিলে।

ঃ সেই জাক পানী কাউৰী। ইংৰাজীত কৰ্মৰ্যাণ্ট (Cormorant) বুলি কয়।"

চৰাই জাকলৈ চাই দেউতাকে উত্তৰ দিলে।

: কি খায় ইহঁতে?

ঃ মাছ, শামুক, কেঁকোৰা, ভেকুলি। বৰ খকুৱা চৰাই।"

: ইহঁতে মাছ কেনেকৈ ধৰে দেউতা?"

ঃ পানীৰ তললৈ বুৰ মাৰি ধৰে।'

শঙ্কৰে একমনে চৰাইবোৰ চাই থাকিল।

ঃ বাৰু শঙ্কৰ, এই চৰাইবোৰৰ মাজত আজান চৰাই আছেনে চোৱাছোন।"— এই বুলি শিৱ বৰুৱাই জীপখন ৰখালে।

দুয়ো জীপৰ পৰা নামিল। শঙ্কৰে চৰাই বিলাকৰ মাজত দেউতাকে কোৱা চৰাইটো বিচাৰিব ধৰিলে।

: কি হ'ল ? --দেউতাকে হাঁহি মাৰি সুধিলে ।

: দেউতা আজ্ঞান চৰাইটো কেনেকুৱা আছিল পাহৰিলোঁ ; এবাৰ কৈ দিয়াচোন ।

: ৰঙটো ক'লা, ডিঙিটো দীঘল আৰু সাপৰ নিচিনা । ডিঙিৰ তলখিনি বগা । ঠোঁটটি দুখন তৰোৱালৰ দৰে । আৰু ওখ—— ।

: ৰ'ৰা ৰ'ৰা, সেইটো আজ্ঞান চৰাই । —দেউতাকৰ কথা শেষ হবলৈ নিদি শংকৰে তিনিফুট মান ওখ চৰাই এটালৈ আঙুলিয়াই দেখুৱালে । দেউতাকে মূৰ দুপিয়ালে ।

: ইহঁতে সদায় পানীৰ কাষতে থাকে নেকি দেউতা ?—শংকৰে পুনৰ সুধিলে ।

: ওঁ, ইংৰাজীত নামটো বাৰু কি ?

: ইণ্ডিয়ান ডাৰ্টাৰ (Indian Dartar) ।—শংকৰে উত্তৰ দিলে ।

জীপৰ বন্দুকটো হাতত লৈ শিৱ বৰুৱাই এবাৰ চাৰিও ফালে চালে । সেই ঠাইৰ পৰা হাবি আৰু ঘন । ডাঙৰ ডাঙৰ গছবিলাকে ওপৰখন তেনেই ঘৰৰ চালৰ দৰে ছাউনী কৰি থৈছে । ৰ'দৰ পোহৰে মাটি স্পৰ্শ কৰাৰ সাহস নাই । সেই বাবে গোটেই ঠাইখন জেকনি লগা ।

চিকাৰেট এটা জ্বলাই লৈ শিৱ বৰুৱা আগ বাঢ়িল । আগে আগে শঙ্কৰ । সেই ঠাইৰ পৰা খেৰ কটা অঞ্চললৈ কমেও এক কিলোমিটাৰ যাব লাগে । শংকৰে ওপৰলৈ চাই চাই খোজ কঢ়া দেখি শিৱ বৰুৱাই মাত লগালে, : শংকৰ তললৈ চাই খোজ কাঢ়া, হাতীৰ গোবৰ আছে ।
দেউতাকৰ কথা শেষ হবলৈ নাপালেই শংকৰৰ ভৰি হাতীৰ গোবৰৰ ওপৰত পৰিল । শিৱ বৰুৱাই হাঁহি দিলে । শংকৰে সেমেনা সেমেনি কৰি ভৰিটো বনৰ ওপৰত ঘঁহিব ধৰিলে ।
" কঠ্ টৰ-ৰ-ৰ । —শব্দটো শুনি শংকৰে ওপৰলৈ চালে ।
এজোপা গছত দুটা ধনেশ চৰাই শংকৰৰ চকুত পৰিল ।

: দেউতা, ধনেশ চৰাই ।— শংকৰে চিঞৰি উঠিল ।

ঃ মাৰিব পাৰা নেকি চোৱাচোন ।

দেউতাকৰ কথাৰ লগে লগে শংকৰে নিজৰ 'টয় গান' টো ধনেশ দুটাৰ ফালে টোঁৱালে ।

মুহূৰ্ত্ততে বন্দুকটোৱে গৰজি উঠিল । গোটেই হাবি ৰজনজনাই প'ল । চৰাই দুটা আঁতৰি পলাল ।

ঃ নমৰিল দেউতা ।— শংকৰে মনেৰে কলে ।

: মৰিব, গুলি তাৰ গাত লাগিছে নিশ্চয় ! বহুত দূৰত গৈ মৰিব । দেউতাকে শংকৰক নিৰাশ কৰিব নুখুজিলে ।

ঃ এতিয়া ব'লা ।— দেউতাকে পুনৰ ক'লে ।

কিছু দূৰ যোৱাৰ পিছত দুয়ো এক বৃহৎ খেৰনিৰ মাজত সোমাল । প্ৰতি বছৰে এই অঞ্চলটোত বৃহৎ পৰিমাণৰ খেৰ উৎপন্ন হয় । শিব বৰুৱাই সেইখিনি খেৰ মানুহ লগাই কটাই বাহিৰত বিক্ৰী কৰে । ইয়াৰ ফলত হাজাৰ হাজাৰ টকা শিব বৰুৱাৰ হাতলৈ আহে । শিব বৰুৱাৰ বাহিৰে এই দুৰ্ঘোৰ হাবিৰ মাজত খেৰ কাটিবলৈ কোনো লোকেই সাহ নকৰে । শিব বৰুৱাৰ এইটো এক ধৰণৰ একচেটীয়া ব্যৱসায় বুলিয়েই কব পাৰি ।

খেৰনিৰ মাজৰ কাম কৰা বনুৱাৰ কেম্প এটাৰ সন্মুখত গৈ শিব বৰুৱা আৰু শংকৰ ৰ'লগৈ । বনুৱা এটাই শিব বৰুৱাক দেখি কেম্পৰ পৰা লৰালৰিকৈ ওলাই আহি "চালাম চাহাব" বুলি শিব বৰুৱাক এটা দীঘলীয়া চালাম জনালে ।

ঃ নীল ক'ত আছে ?—শিব বৰুৱাই বনুৱাটোক ভায়েক নীলকণ্ঠৰ কথা সুধিলে ।

ঃ খেৰ কটা ঠাইত আছে ।

: খেৰ ক'ত কাটিছে ?

ঃ বেছি দূৰত নহয়, সৌ ফালে ।

: তই কি কৰিছ ইয়াত ?

ঃ মই, চাহাব, ইয়াত ৰখীয়া হৈছো ! সকলোবোৰ খেৰ কাটিবলৈ গৈছে ।

: বাৰু এতিয়া আমাক খেৰ কটা ঠাইলৈ লৈ ব'ল ।

: আহক। —বনুৰাটো আগবঢ়াই দিলে।

শিব বৰুৱাই বনুৰাটোক অনুসৰণ কৰিলে। শিব বৰুৱা গৈ খেৰকটা অঞ্চলত উপস্থিত হোৱাৰ লগে লগে বনুৰা বিলাকে চালাম দিলে।

ভায়েক নীলকণ্ঠই ককায়েকক দেখা পাই খাই থকা চিগাৰেটটো ততালিকে পেলাই দি ককায়েকৰ ওচৰলৈ আহিল।

: নীল খুৰা। শঙ্কৰে খুৰায়েকক দেখি চিঞৰি উঠিল।

খুৰায়েকে শঙ্কৰক কোলাতলৈ দুগালত দুটা চুমা খালে।

: এই অঞ্চলটোত এতিয়ালৈকে কিমান খেৰ কটা হ'ল ?—ককায়েকে নীলকণ্ঠক সুধিলে।

: বাৰ হাজাৰ মান কটা হৈছে আৰু দহ-বাৰ হাজাৰ মান হয়তো ওলাব। নীলকণ্ঠই উত্তৰ দিলে।

: সেই সিটো অঞ্চলত কিমান খেৰ হ'ল ?

: ডেৰ লাখ মান হব।

: বনুৰা বৰ্তমান কিমান আছে ?

: ষাঠীজন।

: মাত্ৰ ?

: ইয়ালৈ ভয়তে কোনো খেৰ কাটিবলৈ নাহে। বাকীবোৰো যোৱাৰ মতলবত আছে।

: কিয় ?

: বাঘৰ ভয়। বাঘ এটাই বৰ দিগদাৰ দি আছে। তাৰোপৰি দুটা-মান বনুৰাৰ জ্বৰ। বোধহয় মেলেৰীয়া হৈছে। মই সেই কাৰণেই কালি গৈছিলো। মোৰো গা ভাল নহয়।

: মই আজি চহৰলৈ যাম। পাৰো যদি ডাক্তৰ কাকতিক লৈ আহিম, নহলে ঔষধকে আনিম। কটা খেৰখিনি যিমান পাৰ সোনকালে বাহিৰলৈ উলিওৱাৰ বন্দবস্ত কৰিবি। মই দুখন ট্ৰাক্ চহৰত বন্দবস্ত কৰি আহিম। তহঁতৰ খোৱাৰ বহুদ পাতি আছেতো ?

: আছে।

: আৰু এটা কথা, হাবিৰ মাজত অকলে ঘূৰি নুফুৰিবি। বাকী বোৰকো সাৱধান কৰি দিবি। মই দুদিনে, তিনি দিনে আহি থাকিম, এতেকে ইমানদূৰ হাবিৰ মাজেৰে খোজ কাঢ়ি মোৰ তালৈ যোৱাৰ কোনো আৱশ্যক নাই।

শিৱ বৰুৱা যাবলৈ ওলাল।

: দাদা, এটা কথা। —নীলকণ্ঠই মাত লগালে।

: বন্দুকৰ গুলি আছে যদি দুটামান দি যাওক। মোৰ হাতত এতিয়া নাই। বাঘটোৱে আটাই কেইনিশা আমাক শুবলৈ দিয়া নাই। বনুৱাবোৰেও বৰ ভয় কৰিছে। দিনটো বোধ হয় সি খেৰনিৰ মাজত লুকাই থাকে।

শিৱ বৰুৱাই একো নামাতিলে। কিছু সময় নীৰৱ হৈ থকাৰ পিচত মাত লগালে। তোৰ অসুখ যেতিয়া কষ্ট কৰাৰ আৱশ্যক নাই, জিৰণি ল। গধূলি মই আহিম।

এই বুলি শিৱ বৰুৱাই ঘৰ অভিমুখে খোজ দিলে।

: নীল খুৰা যাওঁ। — শংকৰে কলে।

: যোৱা। —নীলকণ্ঠই হাঁহি মাৰি কলে।

: গধূলি আহিম দেই।

: বাৰু।

নীলকণ্ঠ বৰুৱা শিৱ বৰুৱাৰ একমাত্ৰ ভাই। বিয়া কৰোৱাৰ বয়স নীলকণ্ঠৰ কেতিয়াবাই উকলিল। ককায়েকে অনেক চেষ্টা কৰিও নীলকণ্ঠক বিয়াৰ বিষয়ত সন্মত কৰাব নোৱাৰিলে। নীলকণ্ঠই বিয়া নকৰায়। চিৰ কুমাৰ হৈয়ে কটাই দিব। হাবি এৰি নীলকণ্ঠ এক্ষন্তেকো বাহিৰত থাকিব নোৱাৰে। বছৰটোৰ তিনি ভাগৰ দুভাগ সময় নীলকণ্ঠই হাবিৰ মাজতে কটাই দিয়ে। চিকাৰত অব্যৰ্থ নিচান। ককায়েকতকৈও এখোপ ওপৰত। যিটো বস্তুৰ প্ৰতি নীলকণ্ঠই বন্দুকৰ নল পোন কৰে তাৰ পতন অনিবাৰ্য।

—০—

দুই

ঘৰ পাই ভাত কেইটা খায়েই শিব বৰুৱা পুনৰ চহৰলৈ যাবলৈ সাজু হ'ল। শিব বৰুৱাৰ ঘৰৰ পৰা চহৰলৈ বাৰ কিলোমিটাৰ বেছি। পথছোৱা বৰ ভাল নহয় যদিও গাড়ী আদি যাব পাৰে। বাৰিষাৰ বোকা আৰু খৰালি ধূলিৰ বাবে এই পথত ভয় নাই। কাৰণ গোটেই পথটোৱেই সৰু সৰু বনেৰে ঢকা। সেই পথেৰে দহ কিলোমিটাৰ গ'লেহে চহৰলৈ যোৱা পকী আলিবাটত উঠিব পাৰে।

শঙ্কৰো দেউতাকৰ লগত চহৰলৈ যাবলৈ ওলাল। দেউতাকে য'লৈ যায় শঙ্কৰো তালৈ যায়। এক্ষন্তেকো দেউতাকৰ লগ নেৰে। দেউতাকেও কেতিয়াও বাধা নিদিয়ে। সেয়ে শঙ্কৰে দেউতাকৰ লগত ঘূৰাটো কৰ্ত্তব্য বুলিয়েই ভাবে।

চহৰৰ হুলস্থূলীয়া জীৱন শঙ্কৰৰ ভাল নালাগে। জন্মৰ দিনৰে পৰা শঙ্কৰ প্ৰকৃতিৰ শান্ত পৰিবেশৰ মাজত থাকি চহৰৰ উশৃঙ্খল জীৱন, কল-কাৰখানাৰ হুলস্থুল শঙ্কৰে সহ্য কৰিব নোৱাৰে। সেয়ে শঙ্কৰে চহৰত অলপ সময় ঘূৰা-ফুৰা কৰাৰ পিচতে ঘৰলৈ উভতিবলৈ দেউতাকক খাটনি ধৰিলে।

ঃ ৰ'বা, মোৰ কাম খিনি শেষ কৰি লওঁ। তাৰ পিচতে যাম।— শিব বৰুৱাই ক'লে।

ঃ দেউতা, চহৰত চৰাই নাথাকে নেকি? শঙ্কৰে আন কথা উলিয়ালে।

ঃ নাথাকে।

ঃ কিয়?

ঃ ইমান হুলস্থুল সিহঁতে ভাল নাপায়। সিহঁতে হুলস্থুলীয়া ঠাইতকৈ নিৰিবিলি ঠাই বেছি ভাল পায়।"

: মেয়ো ভাল নাপাওঁ দেউতা।

ইতিমধ্যে শিৱ বৰুৱাই দুখন ট্ৰাক ভাড়া কৰিলে। তাৰ পিচত শিৱ বৰুৱাই শঙ্কৰক লৈ তেওঁৰ অন্তৰঙ্গ বন্ধু ডাক্তৰ বিপ্লৱ কাকতিৰ তালৈ গ'ল। বিপ্লৱ কাকতিৰ ঘৰ চহৰতে। চহৰৰ ভিতৰতে এজন নামজ্বলা ডাক্তৰ। শিৱ বৰুৱাৰ সকলো পৰিয়ালটোৰ কাৰোবাৰ অসুখ অশান্তি হ'লে বিপ্লৱ কাকতিৰে ওচৰ চাপে।

ডাক্তৰ বিপ্লৱ কাকতিৰ দুমহলীয়া ঘৰটোৰ সন্মুখত জীপখন ৰখাই দি শিৱ বৰুৱাই শঙ্কৰক ক'লে,— নামা।

: এইটো কাৰ ঘৰ দেউতা?

: আমাৰ।—এইবুলি শিৱ বৰুৱা গাড়ীৰপৰা নামিল।

: দেউতা তুমি বন্দুকটো নানিলা কিয়? সেইটো কি শুই আছে চোৱাচোন। মস্ত কুকুৰ।—বাৰান্দাত শুই থকা এলচেচিয়ান কুকুৰ টোলৈ আঙুলিয়াই দি শঙ্কৰে ক'লে।

: তুমি ভয় কৰিছানেকি?

: নাই কৰা। আমাৰ বাঘে ইয়াক মাৰি দিব নহয়নে দেউতা?

: মাৰি দিব।—দেউতাকে ক'লে।

অচিনাকি মানুহ দেখি কুকুৰটোৱে ভুকিবলৈ ধৰিলে। এনেতে ভিতৰৰ পৰা লগুৱা এটা ওলাই আহি কুকুৰটোক ধমক দি শাসন কৰিলে।

: তোৰ চাহাব ঘৰত আছেনে নাই?—শিৱ বৰুৱাই লগুৱাটোক সুধিলে।

: আছে আহক।

ড্ৰইং ৰূমত গৈ শিৱ বৰুৱা আৰু শঙ্কৰ বহিল। অলপ সময়ৰ পিচতে বিপ্লৱ কাকতি ওলাই আহি শিৱ বৰুৱাক দেখি আচৰিত হৈ প্ৰশ্ন কৰিলে, : আৰে বৰুৱা!

: "কি হ'ল? আচৰিত হৈ গ'ল দেখোন? মই মৰিলোঁ বুলি ভাবিছিল নেকি? শিৱ বৰুৱাই হাঁহি মাৰি প্ৰশ্ন কৰিলে।

: তেনেকুৱা কথা কিয় কয়? আচৰিত হব লগীয়া কথাই দিয়কচোন? বনত থাকি থাকি আপুনিতো চহৰ পাহৰিয়ে গ'ল। ধুমকেতু ওলোৱাদি হঠাৎ দেখা দিয়া বাবে আচৰিত হৈছো।

বিপ্লৱ কাকতিৰ কথাত শিৱ বৰুৱাই হাঁহিলে।

: নিশ্চয় কিবা কাৰণত আহিছে নহয় জানো? —পুনৰ বিপ্লৱ কাকতিয়ে সুধিলে।

: অৱশ্যে কাৰণ লৈয়ে আহিছো।

: মই জানো। হাঁহি মাৰি বিপ্লৱ কাকতিয়ে ক'লে; :কাৰণ নাথাকিলে শিৱ বৰুৱা বনৰ সেই ঘৰটো এৰি এখোজো ক'লৈকো নাযায়।

: দুখন ট্ৰাক ভাড়া কৰিলোঁ।—শিৱ বৰুৱা'ই হাঁহি মাৰি উত্তৰ দিলে।

: ট্ৰাক্?

: ওঁ; হাবিত খেৰ অলপ কটাইছো, সেইবোৰ কঢ়িয়াবৰ কাৰণে মোৰ ট্ৰাকৰ আৱশ্যক।"-এই বুলি শিৱ বৰুৱাই চিগাৰেট এটা জ্বলাই ল'লে।

: পিছে শঙ্কৰ তোমাৰ খবৰ কি? —বিপ্লৱ কাকতিয়ে শঙ্কৰক সুধিলে।

: ভাল। —শঙ্কৰে তপৰাই উত্তৰ দিলে।

: শঙ্কৰ, তুমি বাৰু চহৰ ভাল পোৱা নে হাবি ভাল পোৱা?

—বিপ্লৱ কাকতিয়ে ধেমালি কৰাৰ চলেৰে সুধিলে।

দেউতাক শিৱ বৰুৱাই শঙ্কৰৰ মুখলৈ চালে।

শঙ্কৰ কিছুপৰ নীৰৱ হৈ থাকি গুলমুৰকৈ উত্তৰ দিলে,

: হাবি ভাল পাওঁ।

: কিয়? চহৰনো কি বেয়া?

: ইয়াত একেবাৰেই নাই।

: আচৰিত। বাৰু কি নাই কোৱাচোন?

: চৰাই নাই, বাঘ নাই, হাবি নাই, একেবাৰেই নাই। —শঙ্কৰে শেষৰ শব্দ দুটা জোৰ দি ক'লে।

: তুমিও একেবাৰে দেউতাৰাৰ দৰে জংঘলী হৈ গ'লা। চহৰত জানো সেইবোৰ থাকে? সেইবোৰ হাবিতহে থাকে! ইয়াত চোৱা

কি ধুনীয়া ঘৰ, দোকান, মটৰগাড়ী আৰু কিমান যে মানুহ আছে। তুমি ইয়াতে থাকিবা দেই।—বিপ্লৱ কাকতিয়ে ক'লে।

: নাথাকো।'—শংকৰে একে আষাৰে ক'লে।

: বাৰু এতিয়া ভিতৰলৈ যোৱা, আমাৰ মনিও আছে তুমি মনিৰ লগতে কথা পাতাগৈ।

: মনি?—শঙ্কৰে যেন বুজি নাপালে।

: হ'বা বাৰু, মনিক মই মাতি দিছো।—এই বুলি বিপ্লৱ কাকতিয়ে ভিতৰৰ ফালে চাই চিঞৰিলে, : মনি, অ, মনি।—অলপ পিচতে ছয়–সাত বছৰীয়া ছোৱালী এজনী ভিতৰৰ পৰা ওলাই আহি বিপ্লৱ কাকতিৰ কাষত ৰলহি।

: এয়া আমাৰ মনি।—বিপ্লৱ কাকতিয়ে শঙ্কৰক ক'লে।

শঙ্কৰে মনিলৈ চালে।

: দেউতা, এওঁ কোন?—মনিয়ে বিপ্লৱ কাকতিক সুধিলে।

: এওঁ শঙ্কৰ আৰু সেয়া-তোমাৰ বৰ দেউতা, প্ৰণাম কৰা।' বিপ্লৱ কাকতিৰ নিৰ্দেশ মতে মনিয়ে শিৱ বৰুৱাক প্ৰণাম কৰিলে।

: মনি, তুমি শঙ্কৰৰ সতে ভিতৰত কথা পাতাগৈ যোৱা। বিপ্লৱ কাকতিয়ে কলে।

মনিয়ে শঙ্কৰক ভিতৰলৈ লৈ গ'ল।

শঙ্কৰ যোৱাৰ ফালে চাই দেউতাক শিৱ বৰুৱাই বিপ্লৱ কাকতিক কলে, : খোজ কাঢ়িবলৈ শিকাৰে পৰা মোৰ শঙ্কৰে উলুবনি খেৰনিয়ে ধূলি ফুৰিছে। চহৰৰ মুকলি পথ সি ভাল নাপায়। শঙ্কৰে ভাল পায় মুকলি নীলিম আকাশ, সূৰ্যৰ হেঙুলীয়া জ্যোতি. চন্দ্ৰৰ শীতল আভা, সেউজীয়া বননি, মিঠা মিঠা মাতৰ চৰাই বিলাক। প্ৰকৃতিৰ মাজতে সি ডাঙৰ হৈছে আৰু সি এক্ষন্তেকো কৃত্ৰিমতাৰ মাজত থাকিব নোৱাৰে।

: পিচে তাৰ পঢ়াৰ ব্যৱস্থা কিবা কৰিছে জানো?— বিপ্লৱ কাকতিয়ে প্ৰশ্ন কৰিলে।

: পঢ়া মানে শিক্ষাৰ কথা সুধিছে নহয় জানো? যিখিনি শিক্ষা তাৰ

আৱশ্যক সেইখিনি শিক্ষা মযে় দিওঁ।—
শিৱ বৰুৱাই ক'লে।

: আপুনি শিক্ষা দিয়ে? কি তাক সু-শিক্ষা দিয়াৰ ইচ্ছা আপোনাৰ
: নাই?

: মই মোৰ ল'ৰাক কু-শিক্ষা দিছো বুলি ভাবিছে নেকি?

: শিৱ বৰুৱাই হাঁহি মাৰি সুধিলে।

: মই সেইটো কব খোজা নাই। ভাল স্কুলত তাক নপঢ়ায় কিয়?

: আৱশ্যক নাই কাৰণেই নপঢ়াওঁ। যিখিনি শিক্ষা তাৰ আৱশ্যক সেইখিনি মযে় দিব পাৰিম।"

: আচৰিত, আপুনি তাক জংঘলী শিক্ষাৰ বাহিৰে কি শিক্ষা দিব পাৰিব?

: সিও ভাল। কাৰণ শংকৰক ডাক্তৰ বা ইঞ্জিনিয়াৰ হ'বলৈ পঢ়োৱাৰ ইচ্ছা মোৰ নাই।

এচট্ৰেৰ ওপৰত চিগাৰেটটো জোকাৰি শিৱ বৰুৱাই কলে।

বিপ্লৱ কাকতিয়ে পুনৰ কলে, : আপুনি জানি শুনি ভুল কৰিব খুজিছে, জংঘলী শিক্ষা লৈ তাৰ জীৱনত বাৰু কি লাভ হব?

: লোকচানতো একো নহয়।

: তাৰ জীৱনটো আপুনি অনাহকত নষ্ট কৰিব খুজিছে বৰুৱা।

: কেতিয়াও নহয়। আপুনি হয়তো বহুত বিদেশী লোকৰ নাম জানে, যি সকলে বন-জংঘলক লৈ জীৱন ব্যাপি সাধনা কৰিছে আৰু তাৰ বাস্তৱ ছবি সমূহ আমাৰ আগত দাঙি ধৰি বন-জংঘলৰ বিষয়ে আমাক জ্ঞান দিবলৈ চেষ্টা কৰিছে আৰু কেতিয়াবা কি হৈছে জানে? বন-জংঘলৰ প্ৰতিকূল পৰিস্থিতিত পৰি তেওঁলোকৰ জীৱন পৰ্যন্ত আহুতি দিব লগা হৈছে। আমাৰ বেছি অংশই বনাঞ্চল। আপুনি অসমৰ স্থায়ী বাসিন্দা। আপোনাৰ এই বনাঞ্চলৰ বিষয়ত কিবা অভিজ্ঞতা আছেনে? আপুনি কিমান জীৱ-জন্তু চিনি পায়? কিমান গছৰ নাম জানে? এই বিলাক শিক্ষা আমাৰ নিতান্ত প্ৰয়োজনীয়। আন আন ঠাইৰ পৰা মানুহ আহি আমাৰ হাবিবোৰৰ ওপৰত পৰীক্ষা নিৰীক্ষা

চলাই আছে। ইয়াৰ জীব-জন্তুবোৰৰ জীৱন কাল পৰ্য্যবেক্ষণ কৰিছে। নতুন নতুন গছ-গছনি, আমি কোনো কালে নেদেখা জীব-জন্তুৰ লগত আমাৰ চিনাকি কৰাই দিছে। আমি নেদেখা পশু-পক্ষী আমাৰ দেশৰ হাবিতে আছে। বিদেশীয়ে আহি তাৰ ফটো তোলে আৰু বিদেশী আলোচনীৰ পাতত যেতিয়া আমি সেই ৰঙীণ ফটো দেখো, তেতিয়া আমি মন্তব্য দিওঁ এয়া অষ্ট্ৰেলিয়া আৰু আফ্ৰিকাৰ হাবিৰ প্ৰাণী। এই বুলি শিব বৰুৱাই জোৰেৰে হাঁহিব ধৰিলে।

: তেন্তে তাক এইটো বিষয়তে উচ্চ শিক্ষা নিদিয়ে কিয়? বিপ্লৱ কাকতিয়ে পুনৰ ক'লে।

: ঘৰেই শিশুৰ আচল শিক্ষা ঠাই। তদুপৰি শংকৰ মোৰ লগত থাকিলে হাবি কি এই বিষয়ে প্ৰকৃত শিক্ষা পাব বুলি মোৰ দৃঢ় বিশ্বাস। শংকৰৰ বৰ্ত্তমান যি বয়স, সেই বয়সৰ জোখতকৈ বহুত বেছি কথা জানে।

: কিন্তু শংকৰে বন-জংঘলৰ বাহিৰে যে আন একো কথাই নাজানে। তাক বৰ্তমানৰ জগতখনৰ লগতো পৰিচয় হবলৈ সুবিধা নিদিয়ে কিয়?

"আপোনাৰ কথাষাৰ নুবুজিলো কাকতি, শংকৰৰ পৰিচয় বৰ্ত্তমান জগতৰ লগতে, কোনো অতীত বা ভবিষ্যতৰ জগতৰ লগত তাৰ পৰিচয় নাই। মোৰ ল'ৰাক মই বন বিশেষজ্ঞ—মানে এই বিষয়ত পাৰ্গত কৰি তুলিমেই। এজন ডাক্তৰক কৃষিৰ জ্ঞানৰ আৱশ্যক নাই, এজন ইঞ্জিনিয়াৰকো ডাক্তৰী জ্ঞানৰ আৱশ্যক নাই।

: আপোনাক কথাৰে নোৱাৰি।

শিব বৰুৱাই হাঁহিলে মাথোন।

মানিয়ে শংকৰক ভিতৰলৈ নি সজাত ভৰাই থোৱা ভাটৌ চৰাইটো দেখুৱাই ক'লে, এইটো কি চৰাই, দেখিছা?

: ভাটৌ চৰাই। ইয়াক কিয় ভৰাই থৈছা? – শংকৰে সুধিলে।

: নহলে যে উৰি যাব।— মানিয়ে ক'লে।

: আমাৰ এনেকুৱা চৰাই চেৰ আছে। —শংকৰে ক'লে।

: কিমান?

: বহুত আছে।"

: ইমান বোৰ চৰাই কেনেকৈ ৰাখা ?' —মনি যেন আচৰিত হল।

: আমি তোমালোকৰ দৰে চৰাই বান্ধি নথওঁ। সিহঁত জংঘলত থাকে।

: ইয়ে, তুমি যে কি আৰু ? জংঘলত তো চৰাই থাকিবই।—

মনিয়ে মুখখন বিকটাই কলে।

: তুমি নাজানা, এদিন আমাৰ ঘৰলৈ যাবাচোন বহুত চৰাই দেখুৱাম। তোমালোকৰ মাত্র ভাটৌ চৰাইটোহে আছে, আমাৰ জংঘলত মইনা, ভাটৌ, ধনেশ, টিয়া, বগ ী, উলমূৰা, বাটৈটোকা, পোলকান আৰু যে কিমান চৰাই আছে। আজি এটা চৰাই দেউতাই দেখুৱাইছিল। তাৰ নাম কি জানা ?

: কি ?

: আজান চৰাই। ইংৰাজী নাম "ইণ্ডিয়ান ডাৰ্টাৰ। তোমাৰ সমান ওখ।

: ইমান ওখ ? —মনি আচৰিত হল।

: অঁ, সিহঁতে মাছ খায়। ডিঙিটো একেবাৰে সাপৰ নিচিনা।

: আহা তুমি আমাৰ মাক কবা, তেতিয়াহে মোক তোমাৰ তালৈ যাবলৈ দিব। —শংকৰক মনিয়ে মাকৰ ওচৰলৈ লৈ গল। মনিৰ মাকে শংকৰক দেখি ধেমালি কৰি সুধিলে, শংকৰ, তুমি আমালৈ পহুৰ মাংস আনিছানে নাই ?

: নাই অনা। — শংকৰে কলে।

: কিয় ?

: কালিলৈ আনিম।

: মা মা এওঁলোকৰ ঘৰ বোলে জংঘলত হয়নে ? –মনিয়ে মাকক সুধিলে।

: ও, শংকৰহঁত বাঘৰ লগত থাকে। —মাকে কলে।

: বাঘ ?—মনি আচৰিত হল, "এওঁ লোকক নাখাইনে মা ?"

: কেনৈ খাব, বাঘে এওঁলোকক চিনি পায় যে।

: আমাক খাবনে মা ?

: খাবতো।

: তেন্তে মই তোমালোকৰ তালৈ নাযাওঁ। —মনিয়ে শঙ্কৰক ক'লে।
: ইঃ কেনেকৈ যাব? মোৰ বন্দুক আছে নহয়।
শঙ্কৰৰ কথাত মনিৰ মাকে হাঁহিলে।
: বুজিছা শঙ্কৰ, আমি সকলোটি এদিন তোমালোকৰ তালৈ যাম দেই। —মনিৰ মাকে শঙ্কৰৰ মনত ভাল লগাবলৈ ক'লে। মনিয়ে আনন্দতে জপিয়াই উঠিল।

কিছু সময়ৰ অন্তত শঙ্কৰহঁত উভতিল।

o o o

চহৰৰ পৰা আহি ঘৰ পায়েই শিৱ বৰুৱা পুনৰ হাবিলৈ যোৱাৰ কাৰণে সাজু হ'ল। আগৰ সাজ পাৰ সলাই চিকাৰৰ সাজ পাৰ পিন্ধি ল'লে। লগতে শঙ্কৰো। বেৰত ওলোমাই ৰখা ৰাইফলটো নমাই আনি শিৱ বৰুৱাই এবাৰ পৰীক্ষা কৰি চালে। গধূলি হবলৈ তেতিয়াও এঘণ্টা বাকী। এনেতে ৰামুৱে একাপ চাহ আনি শিৱ বৰুৱাৰ হাতত দিলে।
: ৰামু, জীউৰামক মাতি দিবা। —শিৱ বৰুৱাই ৰামুক কলে। ৰামু ওলাই গ'ল। কিছু সময়ৰ পিচতে জীউৰাম আহিল।
: জীউৰাম মোৰ লগত এতিয়া চিকাৰলৈ যাব লাগিব। টৰ্চটো ঠিক কৰি লবি আৰু মই সেই ঔষধখিনি আনিছো, সেইখিনিও লবি। শিৱ বৰুৱাৰ কথামতে জীউৰামে পাঁচ বেটাৰীৰ টৰ্চটো ঠিক কৰি ললে। লগতে ঔষধখিনিও মোনা এটাত ভৰাই ললে।

শঙ্কৰে ইতিমধ্যে নিজৰ বন্দুকটো হাতত লৈ জীপত উঠি বহিলগৈ। ৰামুৱে গৰম চাহ অলপ তৈয়াৰ কৰি ফ্লাস্কত ভৰাই জীউৰামৰ হাতত দিলে। জীউৰামে সকলোবোৰ বস্তু ঠিক কৰি লৈ জীপত উঠিল।
: তুমি বন্দুক অনা নাই কিয়? তোমাক বাঘে খাব ৰ'বা।" শঙ্কৰে জীউৰামক কলে।
: এ আমাৰ শঙ্কৰৰ হাতত বন্দুক থাকোঁতে কিহৰ ভয়। মোক বাঘে খাবলৈ আহিলে তুমি মাৰি দিবা দেই।
: মাৰিমতো। তুমি আকৌ নপলাবা দেই।

অলপ পিচতে শংকৰৰ দেউতাক আহি গাড়ীত বহিল। শংকৰ আৰু জীউৰামৰ কথোপকথন বন্ধ হ'ল।

: জীউৰাম বস্তুবোৰ লৈছনে ?—শিৱ বৰুৱাই সুধিলে।

: লৈছো।

: একো' পাহৰা নাইতো ?

: নাই, সকলোবোৰ আনিছো।

শংকৰৰ কাপোৰৰ ফালে চাই শিৱ বৰুৱাই সুধিলে, শংকৰ, ঠাণ্ডা লাগিব নেকি ?

: নালাগে দেউতা। - শংকৰে ক'লে

শিৱ বৰুৱাই গাড়ী চলাই দিলে।

হাবিৰ মাজে মাজে বৰ লাহে লাহে গাড়ী আগ বাঢ়িল। দুৰ্গম পথ। দুয়োকাষে ঘন অৰণ্য। তাতে শীত কালৰ গহীন আন্ধাৰ নিশা। শঙ্কৰৰ চকুত টোপনি নাই। নীৰৱ নিশ্চল হৈ বহি গৈছে গাড়ীৰ ভিতৰত।

শিৱ বৰুৱাই মাজতে মাত লগালে : শঙ্কৰ !

: ওঁ ! —শঙ্কৰে দেউতাকলৈ চালে।

: টোপনি আহিছে নেকি ?

: নাই অহা।

এনেতে শিৱ বৰুৱাই জীপখন ৰখাই দিলে। গাড়ীৰ পথৰ শেষ সীমা।

: নামিম নেকি দেউতা ?—শঙ্কৰে প্ৰশ্ন কৰিলে।

: ওঁ ইয়াতে নামা।

লগে লগে শঙ্কৰ জীপৰ পৰা নামিল। শিৱ বৰুৱাই চিগাৰেট এটা জ্বলাই জীউৰামক ক'লে জীউৰাম, টৰ্চটো মোৰ হাতত দে। জীউৰামে শিৱ বৰুৱালৈ টৰ্চটো আগবঢ়াই দিলে। শিৱ বৰুৱাই টৰ্চটো জ্বলাই চাৰিওফালে এবাৰ চাই ললে। কেউফালে হাবি আৰু হাবি। বৃহৎ বৃহৎ গছ বিলাকৰ বাহিৰে একো নাই। তিনিও খোজ কাঢ়ি আগবাঢ়িল। এনেতে এটা বিকট চিঞৰ তিনিওৰে কাণত পৰিল।

ঃ দেউতা হাতীয়ে চিঞৰিছে। শঙ্কৰে ক'লে।

ঃ বহুত দূৰত মাতিছে।—দেউতাকে ক'লে।

গধূলি হোৱা বেছি সময় হোৱা নাই যদিও হাবিৰ মাজত তেতিয়া ঘন আন্ধাৰ। দিনতে হাবিৰ ভিতৰৰ অংশ বিলাক ভালদৰে পোহৰ নহয়, ৰাতিৰ কথাই বেলেগ। দিনতকৈ ৰাতিৰ হাবি বেছি সক্ৰিয়। দিবাচৰতকৈ নিশাচৰৰ প্ৰাধান্য হাবিত বেছি।

নাম নজনা অলেখ কীট-পতঙ্গৰ বিকৃত চিঞৰ নিশাৰ গভীৰতাৰ লগে লগে বাঢ়ি আহিছে। ওখ গছৰ পৰা তলত পৰা নিয়ৰৰ টুপ টুপ শব্দ। বহুত ভয়াবহ শব্দৰ সৃষ্টি হয় হাবিৰ মাজত। কিছুমান শব্দৰ হয়তো উৎসই বিচাৰি পোৱা নাযায়।

শিৱ বৰুৱাই টৰ্চটো পুনৰ জীউৰামৰ হাতত দিলে। অকস্মাৎ সন্মুখৰ ফালে অলপ আঁতৰত কিহবাৰ খচ মচনি শুনি শিৱ বৰুৱা থমকি ৰ'ল। জীউৰামে টৰ্চৰ পোহৰ সন্মুখলৈ পেলালে। এজনী মাইকী শিয়াল আৰু তিনিটা পোৱালি অলপ আঁতৰত বহি আছে।

ঃ ধৰ ধৰ। —শঙ্কৰে জোকালে।

ঃ হুলস্থুল নকৰিবা।—শিৱ বৰুৱাই বাধা দিলে।

শিয়ালীজনী পোৱালী কেইটা লৈ আঁতৰি পলাল।

তিনিও পুনৰ আগ বাঢ়িল।

ধপচ। শব্দ শুনি শিৱ বৰুৱা পিছলৈ ঘূৰি চালে।

জিউৰাম তেতিয়া একাঠু পানীৰ মাজত।

ঃ কণা তোৰ হাততে টৰ্চ আছে আৰু তয়ে পানীত সোমালি।— শিৱ বৰুৱাই হাঁহি মাৰি কলে

শঙ্কৰেও জীউৰামৰ অৱস্থা দেখি জোৰেৰে হাঁহিব ধৰিলে। লাজত সেমেনা সেমেনি কৰি জীউৰাম লাহে লাহে পানীৰ পৰা উঠিল।

এনেতে ওচৰৰ গছ এজোপাত কিহবাই হুঁহাৰ দৰে শব্দ কৰাত শঙ্কৰ চমকি উঠিল। ভয়তে দেউতাকক সাৱটি ধৰিলে।

জীউৰামে তত্তালিকে গছ জোপাৰ প্ৰতি টৰ্চৰ পোহৰ নিক্ষেপ কৰিলে। গছ জোপাত বহি থকা ফেঁচা এজাক তিনিওৰে চকুত পৰিল।

ঃ কেঁচাই হ'াহিব পাৰে নেকি দেউতা ?''-শঙ্কৰে আচৰিত হৈ সুধিলে।

ঃ ইহঁতে বহুত ধৰণে মাতিব পাৰে।'

পুনৰ যাত্ৰা আৰম্ভ হ'ল। বিলৰ পাৰৰ কুমলীয়া মাটি খচকি তিনিও আগবাঢ়ি গৈ থাকিল। কেম্প পাবলৈ আৰু অলপ দূৰ মাথো। কেম্পৰ বাহিৰত জ্বলোৱা জুইৰ পোহৰ তিনিওৰে চকুত পৰিল।

ঃ দেউতা, সেয়া জুই কোনে জ্বলাইছে? —শঙ্কৰে প্ৰশ্ন কৰিলে।

ঃ খেৰ কটা মানুহে।—কথাষাৰ শেষ কৰিয়েই শিৱ বৰুৱা এক জাপে পিচলৈ আহিল আৰু লগতে শঙ্কৰকো টানি পিচলৈ লৈ গ'ল। জীউৰামে ততালিকে টৰ্চৰ পোহৰ আগলৈ পেলালে; ভয়ঙ্কৰ জালপহীয়া সাপ এটা পাৰহৈ যোৱা তিনিও দেখা পালে।

ঃ বাপ্'ৰ বাপ্।—জীউৰামে সাপটো দেখি শিয়ঁৰি উঠিল।' শঙ্কৰে দেউতাকক সাৱটি ধৰিলে।

ঃ ভয় নকৰিবা, গ'ল গৈ।—শঙ্কৰৰ ভয় ভাঙিবলৈ দেউতাকে কলে।

কেম্পৰ ওচৰ পোৱাৰ লগে লগে বাহিৰত জুইৰ কাষত থকা বনুৱা জাক আগবাঢ়ি শিৱ বৰুৱাক নমস্কাৰ জনালে।

ঃ নীল ক'ত?—শিৱ বৰুৱাই ভায়েকৰ কথা সুধিলে।

ঃ সৌ তাত শুই আছে। তেখেতৰ গা ভাল নহয়।—এজনে মাত লগালে। শিৱ বৰুৱা কেম্প এটাৰ ভিতৰলৈ সোমাই গ'ল। ভায়েক নীলকণ্ঠ খাটিয়া এখনত কাপোৰ কানিলৈ শুই থকা দেখি শিৱ বৰুৱা ওচৰ চাপি গৈ মাত লগালে, ঃ নীল!

ককায়েকৰ মাত শুনি নীলকণ্ঠই মূৰ ডাঙি চাই ককায়েকক দেখি উঠিব খুজিলে। শিৱ বৰুৱাই বাধা দি কলে; ঃ উঠিব নালাগে, শুই থাক। ইহঁতৰ কাৰণে মই ঔষধ লৈ আহিছো। কালিলৈ ডাক্তৰ কাকতিও হয়তো আহিব।—এই বুলি শিৱ বৰুৱাই ভায়েক নীলকণ্ঠৰ কপালত হাত দি চালে।

জীউৰামে ঔষধবোৰ উলিয়াই টেবুলখনত থলে। : নহলে ঘৰলৈকে ব'ল। ইয়াত অসুবিধা পাবি।—শিৱ বৰুৱাই কলে।

: নাই একো অসুবিধা নহয়। ইহঁত আছে যেতিয়া চিন্তা নাই। —নীলকণ্ঠই কলে। তাৰ পিচত লক্ষ্মণ নামৰ বনুৱা এটাক উদ্দেশ্যি নীলকণ্ঠই মাত লগালে, লক্ষ্মণ।

লক্ষ্মণ নামৰ লগুৱাটো সোমাই আহিল।

: চাহ অলপ বনাই দে গৈ যা।

: নালাগে, মই চাহ লগত লৈ আহিছো। পিছে বাঘৰ কিবা গুংসূত্ৰ পাইছনে ?

: অলপ আগলৈকে তাৰ গোজৰণি শুনিছিলো।

: ওচৰত নে দূৰত ?

: ওচৰতে।'

: বাৰু।—এই বুলি শিৱ বৰুৱাই পকেটত হাত ভৰালে।

: শঙ্কৰ এই নিশাখন তুমি কিয় আহিলা ?—নীলকণ্ঠই শঙ্কৰক সুধিলে।

: বাঘ মাৰিবলৈ। —শঙ্কৰে উত্তৰ দিলে।

নীলকণ্ঠই হাঁহিলে।

: জীউৰাম দে।—জীউৰামলৈ চাই শিৱ বৰুৱাই কলে।

জীউৰামে টৰ্চটো আগবঢ়াই দিলে।

: টৰ্চ নহয়, চাহ দে।

জীউৰামে খৰধৰকৈ ফ্লাস্কৰ পৰা চাহ একাপ বাকি শিৱ বৰুৱাৰ হাতত দিলে। এনেতে এটা বনুৱাই মাত লগালে, "চাহাব, আমাৰ বৰ দিগদাৰ হৈছে।"

: কিহৰ কাৰণে—কাপটো মুখলৈ নি শিৱ বৰুৱা ৰৈ গ'ল।

: মানে মই এই জন্তু জানোৱাৰৰ কথা কৈছো চাহাব। হৰিপদ আজি বাঘৰ মুখৰ পৰা কথামপি বাচিছে।

: কেনেকৈ।

: খেৰনিতে বাঘটো শুই আছিল। সি খেৰ কাটি গৈ বাঘৰ মুখতে পৰিল। ভাগ্য ভাল আছিল গুণে সি বাচিল।

: মই বাঘটোৰ কাৰণেই আহিছোঁ। তহঁতৰ যদি কপাল আছে তেন্তে তাৰ মৰণ আজি নিশ্চিত। — শিৱ বৰুৱাই কলে।

: নিশ্চয় ই নাহৰ ফুটুকী বাঘ হব লাগিব। —নীলকণ্ঠই অভিমত দিলে।

: হয় চাহাব, নাহৰ ফুটুকী বাঘ।—বনুৱাটোৱে সমৰ্থন জনালে।

শিৱ বৰুৱা একান্ত মনে চাহ খোৱাত লাগিল।

: শঙ্কৰ হাবিৰ মাজলৈ যাব নালাগে।— নীলকণ্ঠই ক'লে। শিৱ বৰুৱাই কিবা কোৱাৰ আগতেই শঙ্কৰে ক'লে, : নাই, মই যামেই।

শিৱ বৰুৱাই হাঁহি এটা মাৰি থিয় হল।

: জীউৰাম বল।—শিৱ বৰুৱাই জীউৰামক ক'লে।

জীউৰাম আগবাঢ়িল। লগে লগে শঙ্কৰো গ'ল।

শিৱ বৰুৱাই বাধা নিদিলে।

: আমিও যাব লাগিব নেকি চ'হাব ?—বনুৱা এটাই শিৱ বৰুৱাক উদ্দেশ্যি পিচফালৰ পৰা সুধিলে।

: কি কৰিবলৈ ?—শিৱ বৰুৱাই ওলোটাই প্ৰশ্ন কৰিলে।

বনুৱাটো থত্ মত্ খাই গ'ল।

কেম্পৰ পৰা কিছু দূৰ গৈ শিৱ বৰুৱা, জীউৰাম আৰু শঙ্কৰ এজোপা ডাঙৰ গছৰ তলত থিয় হৈ ৰ'ল।

: মই নিৰ্দ্দেশ নিদিয়া পৰ্য্যন্ত টৰ্চ্চ নজ্বলাবি। —শিৱ বৰুৱাই জীউৰামক ক'লে।

: দেউতা, গুলি মই মাৰিম নে আপুনি মাৰিব ?— শঙ্কৰে প্ৰশ্ন কৰিলে।

: মই গুলি কৰাৰ পিছতে তুমি কৰিবা।—শিৱ বৰুৱাই ক'লে।

তিনিও নীৰবে ৰ'ল। এমিনিট, দুমিনিট কৈ বহু সময় পাৰ হ'ল। কেম্পৰ বাহিৰৰ জুই নুমাল। বনুৱা বিলাকৰ কথা বতৰাও কেতিয়াবাই তাপ মাৰিলে।

: টপ্।—ওপৰৰ পৰা এটোপাল নিয়ৰ শঙ্কৰৰ টুপীৰ ওপৰত পৰিল। কিবা চৰায়ে বিষ্ঠা ত্যাগ কৰিছে বুলি ভাবি শঙ্কৰে টুপীৰ ওপৰত হাত দি চালে। "হা-উ-ম-।" কিছু আঁতৰত বাঘৰ গোজৰণি শুনা

গ'ল। শঙ্কৰ উচপ খাই উঠিল। শিৱ বৰুৱাই বাওঁফালে ঘূৰি চ'লে। শঙ্কৰে নিজৰ বন্দুকটো স-জোৰে খামোচ মাৰি ধৰি দেউতাকলৈ চালে।

পুনৰ দহ মিনিট মান একো শব্দ নাই। তাৰ পিচত নিচেই ওচৰতে হোৱা খচ্ খচনিৰ শব্দ তিনিওৰে কাণত পৰিল। পিচফালে থিৰ হৈ থকা জীউৰামক শিৱ বৰুৱাই চোলাটোত ধৰি আগলৈ টানি আনিলে।

কঁৱলীয়ে তেতিয়া গোটেই খন ভাল দৰেই ছাটি পেলাইছে। গছ বিলাকৰ পৰা বৰষুণৰ দৰে টপ্ টপ্‌কৈ নিয়ৰৰ টোপালবোৰ সৰিছে। পোক-পৰুৱাৰ ঐক্যস্বৰে নিশাৰ পৰিৱেশ আৰু জয়াল কৰি তুলিছে। কিবা এটা চৰাই পাখি কোবাই কোবাই উৰি আহি গছ জোপাতে পৰিলহি। জ্বৌ-জ্বৌ কৰি নিয়ৰ বোৰ আহি তিনিওকে তিয়াই পেলালে।

"হা-উ-ম।—এইবাৰ কেম্প বিলাকৰ ওচৰতে বাঘৰ গোজৰণি শুনা গ'ল। শিৱ বৰুৱাই কিবা দেখা শোৱাৰ আশাত ভাল দৰে দৃষ্টি নিক্ষেপ কৰিলে। কিন্তু কঁৱলীৰ ডাঠ আচ্ছাদন ভেদ কৰিবলৈ শিৱ বৰুৱাৰ দৃষ্টি সমৰ্থ নহ'ল। অলপ আগবাঢ়ি যোৱাকে থিৰাং কৰি শিৱ বৰুৱাই সন্তৰ্পণে ভৰি আগবঢ়ালে। শঙ্কৰ আৰু জীউৰামো লগে লগে আগবাঢ়িল।

তিনিও গৈ কেম্প বিলাকৰ নিচেই কাষতে থিয় হ'ল। অকস্মাৎ শিৱ বৰুৱাই এটা কেম্পৰ ওচৰত কিবা এটা বস্তু লৰচৰ কৰি থকা দেখা পালে: "টৰ্চ্চ জ্বলাম নেকি ?"—জীউৰামে ফুচফুচাই সুধিলে। শিৱ বৰুৱাই হাতেৰে জীউৰামৰ মুখত সোপা দি ধৰিলে আৰু বন্দুকটো বস্তুটোৰ ফালে টোঁৱালে। দেউতাকৰ লগে লগে শঙ্কৰেও নিজৰ বন্দুকটো টোৱাঁলে। জীউৰামৰ ফালে চাই শিৱ বৰুৱাই কিবা ইঙ্গিত দিয়াত জীউৰামে ততালিকে টৰ্চ্চটো জ্বলাই দিলে। টৰ্চ্চৰ পোহৰত এটা বাঘ কেম্পৰ ওচৰত তিনিওৰে দৃষ্টি গোচৰ হ'ল। পোহৰ দেখা পোৱা মাত্ৰকে বাঘটোৱে ততালিকে পোহৰৰ ফালে ঘূৰি চালে। তাৰ চকুদুটা জোট্টা তৰাৰ দৰে জিলিকি উঠিল। বাঘটোৱে আৰু

এবাৰ গুজৰি উঠি টৰ্চটোৰ প্ৰতি ৰ' লাগি চাই ৰ'ল। ইতিমধ্যে শিৱ বৰুৱাৰ বন্দুকে গৰজি উঠিল। লগে লগে শঙ্কৰৰ বন্দুকটোৱেও। ওপৰলৈ বৃহৎ জাপ এটা মাৰি বাঘটো ধপ্‌কৈ মাটিত বাগৰি পৰিল। দ্বিতীয় বাৰ উঠিবলৈ সি আৰু সক্ষম নহ'ল।

গুলিৰ শব্দ শুনাৰ লগে লগে গোটেই জাক বনুৱা কেম্পবিলাকৰ পৰা বাহিৰলৈ ওলাই আহিল। এজন বনুৱা শিৱ বৰুৱাৰ কাষ চাপি সুধিলে, "চাহাব কি হ'ল ?"

জীউৰামে টৰ্চৰ দ্বাৰা ভূ-লুণ্ঠিত হৈ পৰি থকা বাঘটো সকলোকে দেখুৱালে। এটা ডাঙৰ নাহৰফুটুকী বাঘ। শঙ্কৰে ল'ৰ মাৰি বাঘটোৰ ওচৰ পাই চিঞৰি উঠিল: গুলিটো বুকুত লাগিছে চাওকচোন। বেমাৰী দেহাৰে নীলকণ্ঠও বাঘ চাবলৈ ওলাই আহিল। গোটেই জাক বনুৱাই বাঘটো আগুৰি ধৰি স্ফূৰ্ত্তি কৰিবলৈ ধৰিলে। কিছুমানে শঙ্কৰক কোলাতলৈ নাচিব ধৰিলে।

শিৱ বৰুৱাই হাঁহিলে।

তিনি

এটাৰ পিছত এটা কৰি দিন বাগৰিলে, তাৰ পিছত বছৰ বাগৰিল। শঙ্কৰে সৰু কালতে আগফালে ৰোৱা কাঞ্চন পুলিটো এতিয়া এজোপা বৃহৎ গছ হৈ পৰিছে। কিমান বাৰ ফুলিছে কিমান বাৰ সৰিছে তাৰ অন্ত নাই। বিশটা বসন্তই পৰশা শঙ্কৰ এতিয়া সুঠাম যুৱক। আগৰ 'টয়গান' টোৰ সলনি এতিয়া শঙ্কৰে ললে প্ৰকৃত বন্দুক। বন্দুক হাতত লৈ শঙ্কৰ দিনৰ দিনটো হাবিৰ মাজত চৰাই চিকাৰ কৰি ঘূৰি ফুৰে। সৰুতে পৰা হাবিৰ মাজত দেউতাকৰ লগত ঘূৰি ঘূৰি শঙ্কৰৰ ভয় বোলা বস্তুটো নাইকীয়া হৈ গ'ল। গহীন অটব্য অৰণ্যৰ মাজে মাজে শঙ্কৰ এতিয়া অকলে ঘূৰে। শঙ্কৰ যেন সেই হাবিৰ কোনোবা বন দেৱতাহে। শঙ্কৰৰ নিচানো অব্যৰ্থ। যাৰ ফালে এবাৰ বন্দুক টোৱাই সি আৰু কেতিয়াও সাৰি যাব নোৱাৰে। অৱশ্যে বাঘ, হাতী, আদি ডাঙৰ ডাঙৰ জন্তুৰ চিকাৰ শঙ্কৰে এতিয়াও কৰা নাই।

সেইদিনা ৰবিবাৰ। চহৰৰ পৰা 'বপ্পৰ কাকতিৰ পৰিয়ালটো ফুৰিবলৈ অহাৰ কথা। শঙ্কৰৰ দেউতাক শিৱ বৰুৱা আন দিনাতকৈ সোনকালে উঠিল! মুখহাত ধুই পূজাৰ নিত্য কৰ্ম্মখিনি সমাপন কৰি শিৱ বৰুৱাই নিজে চকী-মেজবোৰ ঠিক কৰাত লাগিল। শঙ্কৰ তেতিয়াও বিচনাতে। অলপ পিছত দেউতাক আহি শঙ্কৰৰ গাত হেচুকি ক'লে ঃ শঙ্কৰ আজি নুঠিবা নেকি? ইমান সময়লৈ শুই থাকে জানো? আৰু, আজি মণিহঁত আহিব নহয়। মণিহঁতৰ নাম শুনাৰ লগে লগে শংকৰ ঘপ্‌কৈ শোৱাৰ পৰা উঠি বিচনাত বহিল। হঠাৎ মনত পৰিল আজি মণিহঁত অহাৰ কথা। এবা লৰিকৈ বাথ ৰুমত গৈ মুখত পানী অলপ সানি বাহিৰনি ঘৰত বহিলগৈ।

: ইমান ডাঙৰ ল'ৰা আজি হবলা দাঁত কেইটাও নথঁহিলা।—ৰামুৱে চাহত চেনি ঘুটি ঘুটি ক'লে।

: তথাপি মোৰ দাঁত তোমালোকতকৈ পৰিষ্কাৰ।—শঙ্কৰে ক'লে।

: ই ভাল ক'লা, মোৰ দেখোন দাঁতেই নাই।—ৰামুৱে হাঁহি মাৰি ক'লে।

: মোৰ দাঁত জন্মৰে পৰা ক'লা।—দাঁত দুপাৰি নিকটাই জীউৰামে ক'লে।

: দিয়া, দিয়া চাহ দিয়া, মই খাওঁ।

: আজিৰা ইমান খৰধৰ কিয়?—জীউৰামে কলে।

: মই গম পাইছো।—ৰামুৱে শঙ্কৰলৈ কেৰাহিকৈ চালে।

: কি?—শঙ্কৰে ৰামুৰ প্ৰতি ঘোপাকৈ চাই প্ৰশ্ন কৰিলে।

: আহিব নহয় জানো?—জীউৰামে হাঁহি সুধিলে।

: কোন আহিব?

: ম–নি।—ৰামুৱে লেনিয়াই কলে।

: ৰামুকাই, কথা বেয়া হব দেই।...শঙ্কৰে খং দেখুৱাই কলে। ৰামু আৰু জীউৰামে হাঁহিবলৈ ধৰিলে।

শঙ্কৰে নিৰৱে চাহ খাই বাহিৰলৈ ওলাই আহিল। দেউতাক তেতিয়া দাড়ি খুৰোৱাত ব্যস্ত। হাতত বন্দুকটো লৈ শঙ্কৰে সুহুৰিয়াই সুহুৰিয়াই হাবিৰ ফালে ওলাই গল। ৰাতিপুৱাতে অসংখ্য চৰাইৰ চিঞৰ বাখৰ শঙ্কৰৰ ভাল লাগে। ৰং বিৰঙৰ অলেখ চৰাইৰে বন পৰিপূৰ্ণ।

হাবিৰ কাষৰ সেইখন নিৰ্জ্জন ঘৰত শঙ্কৰ আজি কুৰি বছৰত ভৰি দিলেহি। কিন্তু শঙ্কৰে কোনোদিনেই এই নিৰ্জ্জনতা অনুভৱ কৰা নাই। অদূৰে বিদূৰে মাত্ৰ গছ আৰু গছ, সোনাৰু গছ, শিমলু গছ, শাল গছ, বনচোম গছ,—মাত্ৰ গছ আৰু গছ। এখন সম্পূৰ্ণ সমাজ কি, এটা মানুহো য'ত দেখিবলৈ পোৱা নাযায়, তথাপি শঙ্কৰে কোনোদিন নিঃসঙ্গতা অনুভৱ কৰা নাই।

হাবিৰ মাজৰ এজোপা আম গছৰ তলত গৈ শঙ্কৰ ৰ'ল। তল-

খুন চৰাই, বান্দৰ আদিয়ে আধা খাই পেলোৱা আমেৰে ভৰা। শঙ্কৰে গছ জোপাৰ ওপৰলৈ চালে। কেইটামান বান্দৰ শঙ্কৰলৈকে চাই গছ জোপাত বহি আছে। এটা বান্দৰে শঙ্কৰলৈ চাই দাঁত কেইটা নিকটাই শিয়াঁৰি দিলে। শঙ্কৰৰ হাঁহি উঠিল। শঙ্কৰে এনেয়ে বন্দুকটো বান্দৰ কেইটাৰ ফালে টোৱাঁলে। ততালিকে বান্দৰ কেইটা দীঘল জাপ দি তাৰ পৰা আঁতৰি পলাল। শঙ্কৰ পুনৰ আন এফালে আগ বাঢ়িল। ওখ ওখ ঘন হাবিবোৰৰ মাজে মাজে বাট উলিয়াই আগ বাঢ়ি যোৱা সহজ কথা নহয়। কিবা এক আনন্দত শঙ্কৰে সুহুৰিয়াই সুহুৰিয়াই হাবি ফালি আগবাঢ়ি গৈ থাকিল। ওখ ওখ গছবোৰৰ ফাঁকেদি সূৰ্য্যৰ পোহৰ আহি যেন একোটা বাটৰ সৃষ্টি কৰিছে। শঙ্কৰৰ ভাল লাগে এই-বোৰ দেখি। জগতৰ অনিৰ্ব্বচনীয় সৌন্দৰ্য্য সুষমা সমূহ শঙ্কৰৰ কাৰণে যেন এইখন হাবিতে পুঞ্জীভূত হৈ আছে। এই সৌন্দৰ্য্য এৰি শঙ্কৰ এক্ষন্তেকো আঁৰ হৈ থাকিব নোৱাৰে।

কিছু মুকলি ঠাই এটুকুৰাত গৈ শঙ্কৰ থিয় হৈ ৰ'ল। ওচৰ পাঁজৰৰ গছ বিলাকৰ পৰা বিবিধ পক্ষীৰ মোহনী কণ্ঠৰ অমৃতস্রাবী লহৰীৰ পৰশত গোটেই হাবিখনেই যেন মুখৰিত হৈ পৰিছে। সন্মুখত সক সক ৰঙা, বগা অলেখ বনৰীয়া ফুল। ফুলবোৰ দেখি শঙ্কৰৰ ভাল লাগিল। এথোপা ছিঙিবৰ কাৰণে শঙ্কৰ আগবাঢ়ি গ'ল। "ভুৰুং"কৈ কিবা এটা চৰাই জোপোহা গছ এজোপাৰ মাজৰ পৰা উৰি গ'ল। শঙ্কৰে জোপোহা গছ-জোপাৰ ওচৰলৈ গৈ চালে। কেইটামান কণীৰে সৈতে বনৰীয়া কুকুৰাৰ বাঁহ এটা শঙ্কৰৰ চকুত পৰিল। শঙ্কৰে ফুল এথোপা ছিঙি তাৰ পৰা আঁতৰি আহিল।

শঙ্কৰ ক্ৰমে গহীন হাবিৰ মাজত সোমাই পৰিল। যিমানে সোমাই গ'ল সিমানে দুগম হৈ পৰিল। দেউতাকে শঙ্কৰক অকলে এই দুৰ্গম অৰণ্যৰ মাজলৈ যাবলৈ নিদিয়ে। শঙ্কৰ কিন্তু প্ৰায়ে যায় লুকাই চুৰকৈ। ভয় বোলা বস্তুটো শঙ্কৰে নাজানে। সাহসী লোকো এনে দুৰ্গম অৰণ্যৰ মাজত অকলে ঘুৰিবলৈ ভয় কৰে।

উঁৰোপৰি এই অটৱী অৰণ্যখনক মানুহে "Jungle of no return" বুলি উপমা দিয়ে-অর্থাৎ য'লৈ গলে আৰু উভতি আহিব নোৱাৰি। সচাঁকৈয়ে বনৰীয়া জন্তুৰ উৎপাতত হাবিখনলৈ কোনোৱে সোমাবলৈ সাহ নকৰে। অথচ এই হাবিৰ মাজতে চিকাৰ কৰি কৰি সুদীর্ঘ এটোটা জীৱন কটাই দিলে ৰুদ্ৰ বৰুৱা, হৰ বৰুৱা আৰু শিব বৰুৱাই। শঙ্কৰো সেই বংশৰে সন্তান। সি আজি কুৰি বছৰে দেউতাক ককাৰকৰ পদাঙ্ককে গণি গণি আহি আছে।

দূৰৰ পৰা ভাঁহি অহা ভেলেঙী পহুৰ মাত শঙ্কৰৰ কানত পৰিল। অলপ পিছতে হলৌ বান্দৰৰ মাত শুনি শঙ্কৰে পিচলৈ চালে, বান্দৰটো ততালিকে আঁতৰি পলাল। এখন বহল বিলৰ পাৰত গৈ শঙ্কৰ থিয় হ'ল। বিলৰ চাৰিও পাৰ বগলীৰে বগা হৈ আছে। অসংখ্য বগলী। আৰু বহুতো সৰু ডাঙৰ চৰাই। শঙ্কৰে চপৰা এটা হাতত‌লৈ চৰাই জাকৰ মাজলৈ দলিয়াই দিলে। কেঁ কেঁ শব্দ কৰি এজাক চৰাই আকাশলৈ উৰা মাৰিলে। শঙ্কৰৰ মনটো আনন্দত নাচি উঠিল। একেৰাহে চাই ৰ'ল উৰি যোৱা চৰাই জাকলৈ। কিছু দূৰ উৰি গৈ চৰাইজাক পুনৰ বিলৰ পাৰত পৰিলহি। বিলৰ পাৰে পাৰে শঙ্কৰ আগ বাঢ়িল। অকস্মাৎ শঙ্কৰ বৈ গ'ল। সন্দেহেৰে চাৰিও ফালে এবাৰ চকু ফুৰালে। হাবি ভাঙি কিবা অহাৰ শব্দ শঙ্কৰৰ কানত পৰিল। শঙ্কৰে পলম নকৰিলে। তাৰ পৰা লৰ মাৰি গৈ ওচৰতে থকা বৃহৎ ডিমৰু গছ এজোপাত খৰধৰ কৈ উঠি ওপৰ পালেগৈ। অলপ পিচতে এজাক বনৰীয়া ম'হ সেই ফাললৈকে অহা শঙ্কৰৰ চকুত পৰিল। প্ৰকাণ্ড প্ৰকাণ্ড চেহেৰাৰ বিৰাট বিৰাট শিঙৰ ম'হ। ম'হ জাক আহি বিলৰ পাৰত বলহি। শঙ্কৰ গছৰ ওপৰতে নিশ্চুপ হৈ ৰ'ল। কেইটামান ম'হ বিলৰ মাজলৈ নামি গ'ল। বাকী বিলাকে ইফালে সিফালে চৰি ঘাঁহ খাবলৈ ধৰিলে। শংকৰে বুজিলে ম'হ জাক সহজে তাৰ পৰা আঁতৰ নহয়। কমেও এঘণ্টা দুঘণ্টা তাতে হয়তো চৰিব। তাৰমানে তেতিয়ালৈকে শংকৰ গছৰ ওপৰতে থাকিব লাগিব। শংকৰৰ কপাল ভাল। কতেক

পিচতে ম'হ জাক তাৰ পৰা আতঁৰি গ'ল। শংকৰ লৰা লৰিকৈ গছৰ পৰা নামিল।

হাবিত বেছি সময় পলম নকৰি শংকৰ ঘৰমুৱা হ'ল। ভখ ভখ গছৰ ফেৰেঙণিত ফুলা দুই এপাহ কপৌ ফুলো চিঙি ললে শংকৰে। শঙ্কৰ ঘৰৰ ওচৰ পাই দেখে যে এখন জীপগাড়ী পদুলি মুখত বৈ আছে। গাড়ী দেখিয়েই শঙ্কৰে বুজিলে যে ইতিমধ্যে মনিহঁত চহৰৰ পৰা আহি পাই গ'ল। শঙ্কৰে লাহেকৈ গে'টখন খুলি ভিতৰ সোমাল।

: শঙ্কৰ, তুমি দেখোন বহুত ফুল লৈ আহিছা কি কৰিবা ?—জীউৰাম ঘৰৰ ভিতৰৰ পৰা ওলাই আহি সুধিলে।

: কৰিম আৰু কিবা এটা।—শঙ্কৰে উত্তৰ দিলে।

: নকলেও গম পাইছো দিয়া। —জীউৰামে মুখখন ভেঙুচাই ক'লে।

: কি গম পাইছা ?—ভেকাহি মাৰি শঙ্কৰে সুধিলে।

: তুমি এয়া কালৈ আনিছা জানো দিয়া।

: কালৈ ?

: মনিলৈ। —জীউৰামে হাঁহি মাৰি ক'লে।

: যাঃ।—শঙ্কৰে লাজতে ফুলখিনি জীউৰামৰ গালৈ দলিয়াই দি বেগা-বেগিকৈ ভিতৰৰ ফালে আগবাঢ়িল।

জীউৰামে হাঁহি হাঁহি ফুলখিনি বুটলিবলৈ ধৰিলে।

ভিতৰ কোঠাত মনিৰ মাক আৰু দেউতাক শংকৰৰ দেউতাকৰ সৈতে আলোচনাত ব্যস্ত আছিল। শংকৰ কোঠাটোলৈ সোমাই যোৱাত মনিৰ মাকে শংকৰক সুধিলে,

: কলৈ গৈছিলা শংকৰ ?

: এনেয়ে হাবিলৈ গৈছিলো।

: কিবা চিকাৰ কৰিলা নেকি ?—মনিৰ দেউতাকে হাঁহি মাৰি সুধিলে।

: চিকাৰ কৰিব যোৱা নাছিলো, এনেয়েহে ওলাই গৈছিলো।

: তেন্তে হাতত বন্দুক ?

: বন্দুক মোৰ হাতত সদায়ে থাকে।—শংকৰে হাঁহি মাৰি কলে।

: এইটোতো চৰাই মৰা বন্দুক।

: হয়।

: তেন্তে হাবিৰ মাজত হিংস্ৰ জন্তু জানোৱাৰে পোৱা হলে কি কৰিলা হেঁতেন ?— মণিৰ দেউতাকে প্ৰশ্ন কৰিলে।

শংকৰে এইবাৰ দেউতাকলৈ চালে। দেউতাকেও শংকৰৰ মুখলৈ চাই আছে একেৰাহে। শংকৰে দৃষ্টি ঘূৰাই আনি মনিৰ দেউতাকলৈ চাই উত্তৰ দিলে, জন্তু জানোৱাৰতো মই সদায়ে পাওঁ।

: সদায়ে পোৱা ?— বিপ্লৱ কাকতি যেন কিছু আচৰিত হ'ল।

: তোমাক সিহঁতে অপকাৰ নকৰে জানো ?

: অপকাৰ কিয় নকৰিব, নিশ্চয় কৰিব। সেই হাবিত ঘূৰিবলৈ বুদ্ধি আৰু সাহ দুইটাই লাগে। মোৰ শংকৰৰ দুয়োটা বস্তুৰ এটাৰো অভাৱ নাই।— এই বুলি শিৱ বৰুৱাই ঢেক্ ঢেক্‌কৈ হাঁহিব ধৰিলে।

: পিছে শঙ্কৰ, আজিও কিবা জন্তু পাইছিলা নেকি ?—বিপ্লৱ কাকতিয়ে শঙ্কৰক পুনৰ সুধিলে।

: পাইছিলো।— শঙ্কৰে লাহেকৈ উত্তৰ দিলে।

: কি ? — আগ্ৰহেৰে সুধিলে বিপ্লৱ কাকতিয়ে।

: বনৰীয়া ম'হ এজাক।

শঙ্কৰে কোৱাৰ লগে লগে শিৱ বৰুৱাই পুনৰ হাঁহিবলৈ ধৰিলে। শঙ্কৰ লাহে লাহে ভিতৰলৈ সোমাই গ'ল।

: বনৰীয়া মহে অপকাৰ নকৰে নেকি ?—মনিৰ মাকে সুধিলে।

: বনৰীয়া ম'হ সাংঘাতিক বস্তু। এজাক বনৰীয়া ম'হ যি কোনো হিংস্ৰ জন্তুতকৈও ভয়াবহ।

: তেন্তে শঙ্কৰ......। মনিৰ মাকে কথাষাৰ নৌ কওঁতেই শিৱ বৰুৱাই ক'লে, : তেতিয়া সি নিশ্চয় গছৰ ওপৰত আছিল।

: বাহাদুৰ বাপ্‌কা বাহাদুৰ বেটা।— বিপ্লৱ কাকতিয়ে মন্তব্য দিলে। শিৱ বৰুৱাই হাঁহিলে।

: হাবিৰ মাজত বাৰু আটাইতকৈ হিংস্ৰ জন্তু কি ?—মনিৰ মাকে শিৱ বৰুৱাক সুধিলে।

: শিং থকা জন্তুতকৈ নখী জন্তু বেছি হিংস্ৰ। তথাপি মোৰ অভি-

ভতাৰ পৰা মই কওঁ যে জাক এৰি পলাই ফুৰা অকলশৰীয়া হাতী, অকলশৰীয়া বনৰীয়া ম'হ আৰু গাহৰি ইহঁত বৰ ভয়াবহ।— শিৱ বৰুৱাই উত্তৰ দিলে।

শঙ্কৰ পাক ঘৰলৈ গৈ দেখে যে মনি তাতে বহি বামুৰ লগত গল্প কৰাত ব্যস্ত। মনিৰ হাতত এথোপা ফুল।

ঃ আৰে শঙ্কৰদা, তুমি ইমান সময় ক'ত আছিলা?— মনিয়ে শঙ্কৰক দেখা পোৱা মাত্ৰকে প্ৰশ্ন কৰিলে।

: তোমালোক কিমান সময়ত আহিলা?-বামুৰ ফালে এবাৰ চাই শঙ্কৰে মনিক সুধিলে।

: অলপ আগতে। তুমি ইমান ধুনীয়া ফুল বিলাক ক'ৰ পৰা আনিলা? মনিয়ে নিজৰ হাতৰ ফুলখিনি দেখুৱাই সুধিলে।

ঃ তোমাক এয়া কোনে দিলে?— শঙ্কৰে ওলোটাই প্ৰশ্ন কৰিলে।

ঃ জীউকায়ে দিছে। তুমি বোলে আনিছিলা?

: এয়া মই হাবিৰ পৰা আনিছো।

: হাবিৰ পৰা?—মনি যেন আচৰিত হ'ল, : হাবিত ইমান ধুনীয়া ফুল ক'ৰ পৰা হয়?

মনিৰ কথা শুনি শঙ্কৰে হাঁহিলে মাথোন।

ঃ হেৰা শঙ্কৰ বোপা, তুমি মনিলৈ চোৱাচোন, কি ধুনীয়া কাপোৰ, জোতা-মোজা পিন্ধি তেল তুল ঘঁহি কেনে ধুনীয়াজনী হৈ আছিছে। কিন্তু তোমাৰ কাপোৰবোৰ চোৱাচোন। লাজ নালাগেনে? চুলিবোৰ কাটিবৰ খবৰ নাই। একেবাৰে জংঘলী হৈ গৈছা। মাত্ৰ বন্দুক লৈ হাবিৰ মাজত ঘূৰিব জানা। জংঘলৰ মাজত থাকি থাকি জংঘলী হৈ গ'লা।—বামুৱে ক'লে।

মনিৰ কাপোৰ বিলাকৰ প্ৰতি এবাৰ লক্ষ্য কৰি শঙ্কৰে বামুলৈ ঘোপাকৈ চাই সুধিলে, : এইবোৰ কাপোৰনো কি বেয়া?

: কৈছানে আৰু, ৬কা লবাই কি ধুনীয়া কাপোৰ পিন্ধিব লাগে। চহৰলৈ গৈ চোৱাচোন, তোমাৰ বয়সৰ ল'ৰা বিলাকে কি সুন্দৰ সাজ-পাৰ পিন্ধি ঘূৰি ফুৰিছে।—পিছ ফালৰ পৰা জীউৱামে মাত লগালে।

মনিৰ আগত তেনেদৰে ঠাট্টা কৰাত শংকৰ লাজে অপমান হৈ ফেঁ।
ফেঁাৱাই তাৰ পৰা ওলাই আহি দেউতাকৰ ওচৰত উপস্থিত হ'ল। পিছে পিছে মনিও ওলাই আহিল।

: শংকৰ আঁহা, ইয়াতে বহা।—বিপ্লব কাকতিয়ে ক'লে।

বিপ্লব কাকতিৰ কাষৰ চকী এখনত শংকৰ বহিল।

: পিছে তুমি আমাক হাবি দেখুৱাবলৈ নিবানে?—বিপ্লব কাকতিয়ে শংকৰক সুধিলে।

: কিয় নিনিম? ব'লক।—হাঁহি মাৰি শংকৰে ক'লে।

: মই হলে হাবিত ঘুৰিবলৈ বৰ ভাল পাওঁ, ময়ো যাম কিন্তু দেউতা—মনিয়ে দেউতাকলৈ চাই ক'লে।

: কিয় নাযাবা? সকলো একেলগে যাম।— শংকৰৰ দেউতাকে মাত লগালে।

: হাবিৰ মাজত গাড়ী যোৱা পথ আছে জানো?—বিপ্লব কাকতিয়ে শিৱ বৰুৱাক সুধিলে।

: খেৰ কাঠ আদি কঢ়িয়াবৰ বাবে মই দুটা পথ তৈয়াৰ কৰাই লৈছোঁ। গোটেইখন হাবিৰ মাজত গাড়ী যোৱা পথ ক'ত পাব?

: তাৰমানে খোজ কাঢ়িবও লাগিব নেকি?— মনিৰ মাকে সুধিলে।

ঘৈণীয়েকৰ কথা শুনি বিপ্লব কাকতিয়ে এটা ডাঙৰ হাঁহি মাৰিলে।

: হেৰা, হাবিৰ মাজত ঘুৰিবলৈ তুমি ৰিক্সা, টেক্সি পাবা বুলি ভাবিছা নেকি?

: নহয়, মই সেইটো কব খোজা নাই।—মনিৰ মাকে লাজতে ক'লে।

আবেলি তিনি বজাৰ লগে লগে সকলো এখন জীপত উঠি বন ভ্ৰমণৰ উদ্দেশ্যে আগবাঢ়িল। লগত থাকিল জীউৰাম?

বনৰ মাজৰ খলা-বমা পথটোৰে শিৱ বৰুৱাই জীপখন চলাই লৈ গ'ল। মাজে মাজে কিবা অচিন গছ বা চৰাই দেখিলে বিপ্লব কাকতি বা ঘৈণীয়েকে নাম সোধে আৰু শিৱ বৰুৱাই তাৰ উত্তৰ দিয়ে। অলপ দূৰ গৈ শিৱ বৰুৱাই জীপখন ৰখাই দিলে।

: কি হ'ল? নামিব লাগিব নেকি?—বিপ্লৱ কাকতিয়ে সুধিলে।

: নালাগে, সৌ গছ জোপাৰ ওপৰলৈ চাওঁকচোন।

: বান্দৰ দেউতা।— মনিয়ে কেইটামান বান্দৰ দেখি চিঞৰি উঠিল।

: হলৌ বান্দৰ।— শিৱ বৰুৱাই ক'লে।

: তেন্তে মই হলৌ বান্দৰ আজিহে চিনি পাইছো।—মনিৰ মাকে ক'লে।

: আচৰিত। আমাৰ অসমৰ এইবোৰ জীৱ জন্তু অসমীয়া কেইটাতকৈ বাহিৰৰ মানুহে আগতে চিনি পায় আৰু সিহঁতেই এইবোৰ বস্তুৰ লগত আমাক চিনাকি কৰাই দিয়ে।— শিৱ বৰুৱাই ক'লে।

জীপখন পুনৰ আগ বাঢ়িল। ক্ৰমান্বয়ে হাবিও ঘন হৈ আহিল। য'ত সূৰ্য্যৰ আলোকে মাটি স্পৰ্শ কৰিব নোৱাৰে। দিনতে গধূলি যেন লাগে।

: বাঃ ইমান ডাঠ হাবি মই সপোনতো দেখা নাই। বিপ্লৱ কাকতিয়ে ক'লে।

: ইয়াতকৈও ডাঠ হাবি আছে। তাত আমি সোমোৱাতো বাদেই চৰাই চিৰিকতিও সোমাব নোৱাৰে।— শিৱ বৰুৱাই ক'লে।

এখন বিলৰ পাৰত গৈ জীপখন ৰ'ল। জীপৰ শব্দত এজাক চৰাই বিলৰ পাৰৰ পৰা আকাশলৈ উৰা মাৰিলে।

: ইমান চৰাই!—মনি আচৰিত হ'ল।

অকল মনিয়েই নহয় মনিৰ মাক আৰু দেউতাকো।

: এই আটাইবোৰ মাছ, কেকোঁৰা, শামুক আদি খোৱা চৰাই।—শিৱ বৰুৱাই ক'লে।—

আটায়ে গাড়ীৰ পৰা নামিল।

: সকলো ঠাইতে এই বিলাক চৰাই নাথাকে। ইহঁত থাকিবলৈ হলে বাৰ মাহে পানীৰে ভৰা ডাঙৰ ডাঙৰ বিল লাগিব। মাছ শামুকো প্ৰচুৰ পৰিমাণে থাকিব লাগিব। তাৰোপৰি ইহঁত থাকিবৰ বাবে বিলৰ ওচৰে পাজৰে ডাঙৰ ডাঙৰ গছ থাকিব লাগিব। এই বিলাক গছ আপুনি চাওক, প্ৰত্যেক জোপাতে সিহঁতৰ বাহ দেখা পাব। —শিৱ বৰুৱাই গছবোৰ দেখুৱাই ক'লে।

বিপ্লৱ কাকতিয়ে গছবোৰলৈ চালে। ডালে ডালে অসংখ্য চৰাই বাহ চকুত পৰিল।

: কি চৰাইৰ এইবোৰ ?—মনিৰ মাকে সুধিলে ।

: পানী কাউৰী, মাছৰোকা, দহিকলা, হয়কলি, ধেৰা, শামুক ভঙা আজান চৰাই, বগলী, বৰটোকোলা, সাৰেং আৰু বহুতো চৰাই। কিছুমানৰ হয়তো অসমীয়া নামেই নাই। দহিকলা, হয়কলি এইবোৰৰ নাম বোধকৰো আপোনালোকে শুনাই নাই। দহিকলাৰ ইংৰাজী নাম Greater Cormorant, হয়কলিৰ Grey Partridge, আজান চৰাইৰ Dartar। বাৰু আপোনালোকে ধেৰা চৰাইৰ নাম শুনিছেনে ? শিৱ বৰুৱাই সুধিলে ।

: নাই শুনা।—বিপ্লৱ কাকতিয়ে উত্তৰ দিলে ।

: পেলিকান (Pelican) নামটো শুনিছে নিশ্চয় ।

: শুনিছো আৰু দেখিছোঁও ।

শিৱ বৰুৱাই হাঁহি এটা মাৰি ক'লে, —Pelican ৰে অসমীয়া নাম ধেৰা। আমাৰ ইয়াত বহুত বিধ পেলিকান আছে । SPOON BILL চৰাইটোৰ অসমীয়া নাম শামুক ভঙা। ইহঁতৰ ঠোঁটখন ঠিক চামুচৰ দৰেই। ইয়াৰ ভিতৰতে কিছুমান চৰাই আছে যাৰ প্ৰিয় আহাৰ হৈছে সাপ। সিহঁতৰ ডিঙি ভাগ ইংৰাজী "S" আখৰটোৰ দৰে আৰু ঠোঁট বিলাক বৰ ডাঙৰ। সাপখোৱা চৰাইৰ ভিতৰত আজান চৰাই প্ৰধান ।

: সেইটো কি চৰাই ?—বিপ্লৱ কাকতিয়ে সুধিলে ।

: কোনটো ?

: সেই বিলৰ কাষত ?

অ'সেইটোৰ অসমীয়া নাম সাৰেং চৰাই আৰু ইংৰাজীত Sarus Crane বুলি কয়। দেখাত কিমান সুন্দৰ দেখিছে। ডিঙিটো চাওক-চোন পকা জলকীয়াৰ দৰে ৰঙা। ঠোঁটটোৰ ৰঙ হালধীয়া আৰু বাকী গোটেই গা ছোৱা বগা পাখীৰে আবৰা। এইবিধ চৰাইৰ দাম্পত্য প্ৰেম সাংঘাতিক। এক্কেবাৰে ইটোক এৰি সিটো থাকিব

এটাক যদি কোনোবা চিকাৰীয়ে মাৰে নাইবা কেনেবাকৈ মৰে ই'টাও কান্দি কান্দি নাখাই নবই প্ৰাণ ত্যাগ কৰে। ইহঁতে আকৌ গছত বাহ নাসাজে। পানী যুৰ্লীত ঘাঁহ, খেৰ আদি গোটাই বাহ সাজি কণী পাৰে।

ঃ এই বিলাক বিল যদি এনে হাবিৰ মাজত নাথাকি মানুহৰ ওচৰত থাকিলহেঁতেন তেতিয়াহলে এনেদৰে চৰায়ে মাছ খাব নোৱাৰিলে-হেঁতেন।—মনিৰ মাকে ক'লে।

ঃ মানুহ অসুবৰ কথাই বেলেগ। সদায় নিজৰ চিন্তাতেই থাকে, আনৰ পেটৰ কথা কেতিয়াও নাভাবে। এই বিলাক বিলৰ মাছ মানুহে পোৱা হ'লে কেতিয়াবাই শেষ হ'লহেঁতেন।—শিৱ বৰুৱাই ক'লে।

ঃ ইয়াত বাৰু কি কি জন্তু আছে?—বিপ্লৱ কাকতিয়ে সুধিলে।

ঃ গঁড়, হাতী, বাঘ ভালুক, মেথোন, বনৰীয়া ম'হ, হৰিণ, বান্দৰ আৰু দুই এজাক বাং কুকুৰো আছে।

ঃ ইয়াত ম'ৰা চৰাই আছেনে বাৰু?—মনিয়ে সুধিলে।

ঃ আছে। পুৱাতে আহিলে বহুত দেখিবলৈ পোৱা যায়।—শিৱ বৰুৱাই উত্তৰ দিলে।

এখোজ দুখোজকৈ সেই ঠাইৰ পৰা সকলো বেলেগ এফালে আগবাঢ়িল। একেবাৰে আগত শংকৰ, আৰু মনি। তাৰ পিচতে ৰাইফল সহ শিৱ বৰুৱা।

ঃ এনেদৰে গহীন অৰণ্যৰ মাজত ঘুৰিলে সময়ৰ কুঁৰলি ভেদ কৰি মোৰ মন উৰি যায় একেবাৰে পৃথিৱীৰ সেইটো যুগলৈ যেতিয়া মানুহ সৃষ্টি হোৱা নাছিল, হাবি জংঘল অজ্ঞাত বৰ্ত্তমান। অতিকায় প্ৰাণীৰ লগে লগে অজ্ঞাত গছ বন ভৰা আদিম যুগৰ জংঘললৈ।—বিপ্লৱ কাকতিয়ে ক'লে।

ঃ সঁচাই হাবিৰ এটা বেলেগ মোহ আছে।—কাকতি পত্নীয়ে মাত লগালে।

ঃ এই মোহৰ কাৰণেই মই আঁতৰি যাব নোৱাৰো, হাবিখনেই মোৰ জীৱন। মই বিচাৰো মোৰ মূৰৰ ওপৰত যি অনন্ত অকুল শাশ্বত নীলাকাশ আছে তাৰ ঘন নীলৰ মাজত সদায়ে যেন চৰাই উৰি গান গায়। হাবিৰ সেউজীয়া গোন্ধ, সেই গোন্ধত মতলীয়া জীৱ জন্তবোৰ। চাওক চাৰিও কাষে দিগন্ত প্ৰসাৰী শ্যামলতা, চাৰিও-ফালে পক্ষীৰ সুললিত কণ্ঠস্বৰ, ওপৰত মুক্ত আকাশ এইবোৰ এৰি মই কৃত্ৰিমতাৰ মাজত একতিলো বাচি থাকিব নোৱাৰো।”

ইতিমধ্যে দলটো ভালেখিনি আগবাঢ়িল।

ঃ হঠাৎ যদি কিবা হিংস্ৰ বনৰীয়া জন্তু আহে তেন্তে কি কৰিব? — মনিৰ মাকে প্ৰশ্ন কৰিলে।

ঃ হাবিৰ মাজত হঠাৎ বনৰীয়া জন্তু ওলোৱাটো একো অস্বাভাৱিক নহয়। —শিব বৰুৱাই ক'লে।

: তোমাৰ ভয় লাগিছে? —বিপ্লৱ কাকতিয়ে হাঁহি মাৰি সুধিলে।

: উঁ, ভয় লাগিছে।” মই আৰু আগ নাবাঢ়োঁ। বলক উভতি যাওঁ। গধূলিও হ'ল।”

ঃ চাৰি বাজি মাত্ৰ কুৰি মিনিটহে গৈছে।”—হাঁহি মাৰি বিপ্লৱ কাক-তিয়ে ক'লে।

ঃ হলে কি হ'ব। ইমান আন্ধাৰ লাগিছে। ব'লক উভতি যাওঁ। মনি, উভতি—আহা”—মনিক চিঞৰি মাকে মাতিলে।

: ইমান ভয়াতুৰা হ'লে কেনেকৈ হব হে? ইমানবোৰ মানুহ থাকোঁতেও তোমাৰ ভয় লাগিল নে?—বিপ্লৱ কাকতিৰ খং উঠিল। পথ বাট নাই; আপোনালোক পুৰুষ পলাই সাৰিব, আমি কেনেকৈ পলাম?”

মনিৰ মাকৰ কথাত শিব বৰুৱা আৰু বিপ্লৱ কাকতি দুয়ো একেলগে হাঁহিব ধৰিলে।

: তোমালোকক এৰি নপলাওঁ দিয়া, মিছাতে তুমি ভয় খাইছা। চৰাই বিলাকৰ বাহিৰে এতিয়ালৈকে একো জন্তু দেখা নাই। কিবা কিবি এটা অন্ততঃ চাই যোৱা।

: কি চাব বিচাৰিছে আপুনি ?—বিপ্লৱ কাকতিৰ কথাত ঘৈণীয়েকে ভেকাহি মাৰি উঠিল।

: কিয় বাঘ, হাতী এইবোৰ চাবৰ ইচ্ছা তোমাৰ নাই জানো ?

: নাই, নাই, মই চাব নোখোজোঁ।

: তেন্তে আহিছিলা কিয় ?

: ইমান ভাঠ হাবি বুলি মই ভবাই নাছিলো।

বিপ্লৱ কাকতি আৰু ঘৈণীয়েকৰ কথা শুনি শিৱ বৰুৱাই হাঁহিব ধৰিলে।

এনেতে দূৰৰ পৰা ভাঁহি অহা প্ৰচণ্ড চিঞৰ এটা শুনি বিপ্লৱ কাকতি থমকি ৰ'ল। অন্তৰত যেন এক ভীতি ৰেখা অঙ্কিত হ'ল।

শিৱ বৰুৱাৰ ফালে চাই লাহেকৈ সুধিলে —

: সেইটো কিহৰ চিঞৰ বৰুৱা ?

শিৱ বৰুৱাই উত্তৰ দিয়াৰ আগতেই জীউৱামে ক'লে, : "হাতীৰ।"

: হাতীৰ ?—সৰ্পাহতৰ দৰে বিপ্লৱ কাকতিৰ পত্নী চমকি উঠিল। বিপ্লৱ কাকতিৰ মুখো বিবৰ্ণ হৈ গ'ল। প্ৰশ্নবোধক চাৱনিৰে শিৱ-বৰুৱালৈ চাই ৰ'ল।

: বিশ্বাস হোৱা নাই ? শিৱ বৰুৱাই হাঁহি মাৰি সুধিলে।

এনেতে আকৌ চিঞৰিটো আহি আটাইৰে কাণত পৰিল।

: ইয়াত চিঞৰিছে নে আন ক'ৰবাত চিঞৰিছে।—শুষ্ক কণ্ঠেৰে বিপ্লৱ কাকতিয়ে সুধিলে।

: ইয়াতে চিঞৰিছে। হয়তো অলপ দূৰতে ; কিয় ভয় লাগিছে নেকি ?—

শিৱ বৰুৱাই পুনৰ হাঁহিলে।

বিপ্লৱ কাকতি মুহূৰ্ত মাত্ৰ স্থিৰ হৈ ৰ'ল, তাৰ পিচত ইফালে সিফালে ভয়াৰ্ত্ত দৃষ্টিৰে চাই ক'লে, "তেন্তে উভতি যোৱাই ভাল হব বৰুৱা। আন এদিন আহিম ব'ৰক।"

: আপুনিও বৰ সাহসী দেখিছো। উভতি যোৱাত মোৰ একো কথা নাই ; মাত্ৰ আপোনালোক আহিম বুলি কোৱাতহে ইমানখিনি আহিলোঁ।

শিৱ বৰুৱাৰ কথাত বিপ্লৱ কাকতিয়ে লাজ পালে।
আটায়ে উভতিল।

এনেদৰে উভতিব লগা হোৱাত মনি আৰু শঙ্কৰৰ মনটো সেমেকি গ'ল। বিশেষকৈ শঙ্কৰে মনিক হাবিৰ মাজত একোকে দেখুৱাব নোৱাৰাত শঙ্কৰৰ আক্ষেপ থাকি গ'ল।

ঃ বুজিছা মনি, তুমি যদি ভয় নকৰা তেন্তে তোমাক মই অকলে এই হাবিৰ মাজত ঘূৰাম। — শঙ্কৰে ক'লে।

মনিয়ে সন্মতি প্ৰকাশ কৰিলে।

ঃ আপোনাৰ ভাই নীলকণ্ঠ ক'ত থাকে ?— বিপ্লৱ কাকতিয়ে সুধিলে।

ঃ এই হাবিৰ মাজতে।— শিৱ বৰুৱাই উত্তৰ দিলে।

: কিমান দূৰ ইয়াৰ পৰা ?

: দূৰ যথেষ্ট আছে, হাবিৰ সিটো মূৰত ?

ঃ আপোনালোক আচৰিত মানুহ। আপুনিতো মাজে সময়ে চহৰ আদি ফুৰে কিন্তু আপোনাৰ ভায়েকেতো এই হাবিখন এৰি কলৈকো নাযায় ছাগে ?

: নাই সি কলৈকো নাযায়।— হাঁহি এটা মাৰি শিৱ বৰুৱাই ক'লে, "সি হাবিৰ মাজতে থাকি ভাল পায়; হাবি এৰি এক্ষন্তেকো বাহিৰত থাকিব সি নোৱাৰে।"

এনেতে আগে আগে যোৱা বিপ্লৱ কাকতিৰ পত্নীয়ে বিকট চিঞৰ এটা মাৰি একেবাৰে পিছ পালেহি। বিপ্লৱ কাকতিও চক্ খাই উঠিল।

: এ : আপোনালোক বৰ ভয়াতুৰ; সেইটো বন মেকুৰীহে আছিল।

সময় যিমানে আগবাঢ়িল হাবিৰ আন্ধাৰো ক্ৰমে ঘনৰ পৰা ঘনতৰ হৈ আহিল। পশ্চিম আকাশত তেতিয়া অৱশ্যে সূৰ্য্যৰ ৰক্তিম আভা বিলীন হৈ যোৱা নাই। পশ্চিম আকাশত তেতিয়াও অপূৰ্ব ৰঙা মেঘৰ পাহাৰ দেখা পোৱা যায়। কিন্তু অপৰাহ্নৰ সেই ধূসৰ পোহৰ গহীন অৰণ্যৰ অভ্যন্তৰলৈ সোমাব নোৱাৰি ব্যৰ্থ হৈ গৈছে। সেই কাৰণে বাহিৰতকৈ হাবিৰ অভ্যন্তৰ ভাগ বেছি অন্ধকাৰ। ওচৰৰ গছ বন বিলাকো অন্ধকাৰত যে কি অদ্ভুত ৰূপ লৈছে।

হাবিৰ চাৰিওফালৰ পৰা বিভিন্ন জীৱ-জন্তুৰ মাত ভাহি আহিবলৈ ধৰিলে।

এই গছ-বন, চৰাইৰ গান, জীৱ-জন্তুৰ চিঞৰ বাখৰ— ই এক অন্য জগত— মই এই জগতৰ মাজত ডুবি থাকিব বিচাৰোঁ এয়া মোৰ নিজস্ব জগত, মোৰ চিন্তা, শিক্ষা, কল্পনা, স্মৃতি সকলোবোৰ এই জগতৰ উপকৰণত গঢ়া। —শিৱ বৰুৱাই কৈ গ'ল।

কাকতি, এই হাবিৰ মাজৰ চিঞৰ বাখৰবোৰ শুনি ভয় খাইছে নেকি? —শিৱ বৰুৱাই পুনৰ সুধিলে, "ভয় নাখাব। ইয়াৰ বেছি ভাগ চিঞৰ-বাখৰেই বন কুকুৰা আৰু ম'ৰা চৰাইৰ।"

ইতিমধ্যে মনি আৰু শঙ্কৰ বহুখিনি আগবাঢ়িল। অলপ পিছতে মনি উধাতু খাই লৰি অহা দেখি মনিৰ মাকে— ভয়তে চিঞৰি সুধিলে, "কি হ'ল মনি?"

: "মা, গছ মাঁ, গছ।" মনিয়ে গছ দেখাৰ আনন্দ উত্তেজনাত কথাকে কব পৰা নাই।

: গছ?— বিস্ময়ৰ কাকতিয়ে আচৰিত হৈ প্ৰশ্ন কৰিলে।

: হয় দেউতা, সেই বিলখনৰ পাৰত কেইবাটাও ডাঙৰ ডাঙৰ গছ দেখি আহিছোঁ। —মনিয়ে ক'লে।

: শঙ্কৰ ক'ত? —শিৱ বৰুৱাই সুধিলে।

: শঙ্কৰ দাদা তাতে লুকাই আছে।

: ঠিক আছে, তুমি হুলস্থুল নকৰিবা। নহলে গছবোৰ পলাই যাব। আপোনালোকে নিঃশব্দে মোক অনুসৰণ কৰক। — কথাখিনি কৈ শিৱ বৰুৱা আগবাঢ়িল। লগে লগে আঁউবাম।

শঙ্কৰৰ ওচৰ পাই শিৱ বৰুৱাই শঙ্কৰক উদ্দেশ্যি লাহেকৈ মাত লগালে, "শঙ্কৰ!"

শঙ্কৰে দেউতাকলৈ চাই লুকাবলৈ ইঙ্গিত দি ক'লে, "সৌৱা চাওক দেউতা।"

শিৱ বৰুৱাই গছৰ আঁৰ লৈ বিলৰ দক্ষিণ পাৰলৈ চালে। আধা আন্ধাৰ আধা পোহৰত শিৱ বৰুৱাই ছয়ামৰাকৈ কেইটামান

পছু দেখিবলৈ পালে।

: বাঘ আছে দেউতা।—শংকৰে ফুচ্‌ফুচাই ক'লে।

ঃ বাঘ ?—শিব বৰুৱাই কোবাৰ লগে লগে চাৰিওফালে চালে।

ঃ কবৈ গছ জোপাৰ গুৰিতে পোৱালী সহ এজনী বাঘিনী দেখিছেনে, দেউতা ?

শিব বৰুৱাই মাত্ৰ মূৰ দুপিয়ালে। বৰ সুন্দৰ ঠাইত বহি আছে বাঘিনীজনী। তাইৰ চকু মাত্ৰ পছুকেইটাৰ ওপৰত। আনফালে ক'ত কি হৈছে খবৰেই নাই। শিব বৰুৱাৰ হাতৰ ৰাইফল বাঘিনী জনীৰ ফালে পোন হ'ল মাত্ৰ কেই চেকেণ্ড মান।

"গুৰুম্" । গোটেই হাবি জন্‌জনাই গ'ল। শব্দৰ লগে লগে পছু কেইটা বিয়াশবদে যেনিতেনি লৰ দিলে। বাঘ পোৱালী কেইটাও এনে নাভূত নাশ্ৰুত শব্দ শুনি পলাবলৈ চেষ্টা কৰিলে। তাৰে এটা পোৱালী গৈ পানীত পৰিল। কেই চেকেণ্ড মানৰ ভিতৰতে কি ঘটনা ঘটি গ'ল বিপ্লৱ কাকতিহঁতে গমকে ধৰিব নোৱাৰিলে। শঙ্কৰ আৰু জীউৰাম ভূ-লুণ্ঠিত হৈ পৰি থকা বাঘিনী জনীৰ ফালে দৌৰ দিলে। এটা গুলিতে বাঘিনীৰ প্ৰাণ-বায়ু উৰি গৈছিল।

শঙ্কৰৰ নিৰ্দেশত জীউৰামে পানীত পৰা বাঘ পোৱালীটো উঠাই আনিলে। বাকী দুটা পোৱালী কেনি পলাল কোনোৱে গমকে ধৰিব নোৱাৰিলে। বাঘ পোৱালীটোৱে জীউৰামৰ হাতৰ মাজত চটফটাই কুঁ-কুঁৱাব ধৰিলে।

শিব বৰুৱা আগবাঢ়ি আহি বাঘ পোৱালীটো চাই ক'লে,

: বুজন হৈছে, কামুৰিব চাবি।

ঃ দেউতা, এইটো আমি পুহিম।—শঙ্কৰে কলে।

শিব বৰুৱাই একো উত্তৰ নিদি মৰা বাঘজনীলৈ চালে।

ঃ বাঃ মুহূৰ্তৰ ভিতৰতে আপুনি কি কৰিলে আমি গমকে ধৰিব নোৱাৰিলোঁ।—বিপ্লৱ কাকতিয়ে ক'লে।

ঃ ভাগ্য ভাল, বাঘিনীজনী আপোনালোকৰ চকুত নপৰিল; নহ'লে

আপোনালোকে যে কি কাণ্ড ঘটালেহেঁতেন ভাবিবই নোৱাৰি। শিৱ বৰুৱাই হাঁহি মাৰি ক'লে।

: পিছে বাঘিনীজনী মাৰি বৰ ভাল কাম নকৰিলে।

: কিয় ?—আচৰিত হৈ শিৱ বৰুৱাই বিপ্লৱ কাকতিলৈ চালে॥

: পোৱালী কেইটাৰ কি অৱস্থা হ'ব ? সিহঁতে আপোনাক অভিশাপ দিব।

: অভিশাপ ?—এটা বিকৃত হাঁহি মাৰিলে শিৱ বৰুৱাই।

: ইমান পাতল কৈ নল'ব বৰুৱা ; এবাৰ ভাবি চাওকচোন পোৱালী কেইটাৰ অৱস্থা কি হ'ব ?

: সেইটো মোৰ চিন্তাৰ বিষয় নহয় কাকতি। মই পহুকেইটাৰ প্ৰাণ বচালো, এতেকে মই আশীৰ্বাদ পাবৰহে যোগ্য।

: ভুল। এটা ক্ষুধাতুৰ প্ৰাণীৰ আহাৰ নষ্ট কৰিলে, তদুপৰি তাক হত্যাও কৰিলে। ভগৱানে পহুৰ দৰে জীৱবোৰ বাঘৰ দৰে জীৱবোৰৰ আহাৰ কৰিয়ে সৃষ্টি কৰিছে। পিছে এতিয়া এই বাঘ পোৱালীটো কি কৰিব ?—বিপ্লৱ কাকতিয়ে প্ৰশ্ন কৰিলে।

: পুহিম।—চিগাৰেট এটা জ্বলাই শিৱ বৰুৱাই উত্তৰ দিলে।

: পুহিব ? এই হিংস্ৰ জন্তু ? ই আপোনাৰ সৰ্ব্বনাশ কৰিব। এৰি দিয়ক।

বিপ্লৱ কাকতিৰ কথাত শিৱ বৰুৱাই হাঁহিলে মাথোন।

—০—

চাবি

প্ৰভাতৰ নবোদিত সোণবৰণীয়া সূৰ্যৰ কিৰণ আহি ধৰিত্ৰী স্পৰ্শ কৰাৰ আগতেই শঙ্কৰ শোৱাৰ পৰা উঠিল। লাহেকৈ দুৱাৰখন খুলি শঙ্কৰ বাহিৰলৈ ওলাই আহিল। শঙ্কৰৰ লগে লগে বিচনাৰ তলত শুই থকা ভোলাও আহিল। ভোলা মানে তাহানিৰ সেই বাঘ পোৱালীটো। শঙ্কৰে তাৰ নাম দিছিল ভোলা। এতিয়া সি এটা ডাঙৰ বাঘ। এক মুহূৰ্তৰ বাবেও সি শঙ্কৰৰ পিছ নেৰে। শঙ্কৰ য'লৈকে যাব, বাঘটোও লগে লগে যাব আৰু শঙ্কৰৰো দিনটোৰ বহুখিনি সময় ভোলাৰ আপদালত ব্যস্ত থাকোতেই পাৰ হৈ যায়। দেউতাক শিৱ বৰুৱাৰ উপদেশ মতেই শঙ্কৰে বাঘটোৰ আহাৰৰ বাবে জীৱ-জন্তু চিকাৰ কৰি নিদিয়ে; বাঘটোৱে নিজৰ পেটটো পূৰাবৰ বাবে নিজে চিকাৰ কৰিবলগীয়া হয়। অৱশ্যে শঙ্কৰে কিছু সহায় কৰি দিয়ে।

সূৰ্যই তেতিয়াও পূব আকাশত দেখা দিয়া নাই। শঙ্কৰ এনেয়ে ঘৰৰ সন্মুখত থকা মুকলি ঠাইখিনিত থিয় হৈ ৰ'ল। ওচৰতে আহি ৰ'লহি ভোলা। গোটেই অঞ্চলটোৱেই যেন কিবা এক নিৰ্জনতাই আগুৰি আছে। প্ৰভাতৰ আগে আগে হোৱা এই ধূসৰ অন্ধকাৰ আৰু এই নিৰ্জনতা শঙ্কৰৰ ভাল লাগে। ওচৰৰ অন্ধকাৰাচ্ছন্ন বননিখনৰ ফালে চকু ৰাখি সুদূৰৰ দিক্‌চক্ৰবালৰ ধূসৰ প্ৰভাতী মায়াত মুগ্ধ হৈ শঙ্কৰ আগবাঢ়ি গল কেইখোজমান। কাষৰ সৰু অশ্বত্থ গছৰ পুলিটোত সৰু চৰাই উৰি আহি পৰি, "টুইট্‌-টুইট্" কৈ তীব্ৰ মাতেৰে চিঞৰিবলৈ

ধৰিলে। শঙ্কৰে চৰাইটোলৈ চালে। ভোলাই এটা দীঘলীয়া হাঁহি মাৰিলে। তাৰ টোপনি যেন পূৰ নহ'লেই। শংকৰৰ হাঁহি উঠিল।

তেজ ৰঙা ৰূপত বেলিয়ে পূবফালে দেখা দিলে। শঙ্কৰ উভতি আহি নৰালৱিকৈ প্ৰাতঃকৃত্য সমাপন কৰিলে। তাৰ পাছত চাহ আদি খাই হাতত ৰাইফলটো লৈ শঙ্কৰ ভোলাৰ সৈতে হাবিৰ ফালে ওলাই গ'ল। এই বিলাক কাম শংকৰৰ দৈনন্দিন কৰ্ম-তালিকাত পৰে। শংকৰে খুৰাক নীলকণ্ঠৰ খবৰ লোৱাৰ উদ্দেশ্যেৰে হাবিৰ দক্ষিণফালে আগবাঢ়িল। কিছু দূৰ যোৱাৰ অন্তত ভোলা আৰু শংকৰ গৈ এখন বিলৰ পাৰত উপস্থিত হ'ল। বিলৰ পাৰত চৰি থকা চৰাই জাক ভোলাৰ চকুত পৰাৰ লগে লগে ভোলাই শঙ্কৰৰ ওচৰৰ পৰা চৰাই জাকৰ ফালে লৰ মাৰিলে। গোটেই জাক চৰাই চিঁ চিঁ শব্দ কৰি আকাশলৈ উৰা মাৰিলে। নিষ্ফল মনেৰে ভোলাই উৰি যোৱা চৰাই জাকলৈ এবাৰ চাই পুনৰ শংকৰৰ ওচৰলৈ উভতি আহিল। ভোলাৰ কাণ্ড দেখি শংকৰে হাঁহিলে।

হাবিৰ মাজে মাজে কিছুদূৰ আগবঢ়াৰ পিছত এবাৰ শংকৰে পিছলৈ উভতি চাই দেখে যে ভোলা নাই। শংকৰ আচৰিত হ'ল। ইফালে সিফালে চকু ফুৰাই শংকৰে জোৰেৰে চিঞৰি উঠিল "ভোলা।" কিন্তু ভোলাৰ কোনো খবৰেই নাই। ভোলাইতো শংকৰক এনেদৰে কোনো দিন এৰা নাই। শংকৰে ভোলাক বিচাৰি ইফালে সিফালে দৌৰিবলৈ ধৰিলে।

ঃ ভোলা!— শংকৰে পুনৰ চিঞৰিলে।

হাবিৰ মাজত শব্দটো প্ৰতিধ্বনিত হৈ শংকৰৰ কাণত পৰিল। তাৰ বাহিৰে শংকৰে আন একো শব্দই নুশুনিলে।

হঠাৎ শঙ্কৰ বৈ যাবলৈ বাধ্য হ'ল। নৰৈ উপায় নাই। সন্মুখত এটা প্ৰকাণ্ড গাহৰি। তাৰ ওচৰত শংকৰৰ অপ্ৰত্যাশিত অবিৰ্ভাৱ হোৱাৰ বাবে তাৰ যেন কিবা কামত ব্যাঘাতহে ঘটিল। লোহিত বৰ্ণ চক্ষুদ্বয়েৰে দীৰ্ঘ দন্তৰ অধিকাৰী বৃহৎকায় শুকৰৰাজে শংকৰলৈ যি দৃষ্টি নিক্ষেপ কৰিলে, দেখিলে অতি সাহসী মানুহৰো হয়তো বুকু কঁপিব।

শঙ্কৰে শুকৰবাজক সিপাৰৰ জগতলৈ পঠোৱাৰ উদ্দেশ্যে বাইফল টোঁৱালে। কেইমুহূৰ্ত্তমান মাত্ৰ। শঙ্কৰ উলটি পলাবলৈ বাধ্য হ'ল। ওচৰতে এজোপা গছ পাই শঙ্কৰ ততালিকে গছৰ ওপৰলৈ উঠি গ'ল। এটা গাহৰি হলে বেলেগ কথা। কিন্তু লগত আৰু তিনিটা দেখি শঙ্কৰৰ সাহস নহ'ল। ইতিমধ্যে শুকৰবাজে আহি শঙ্কৰ উঠা ' গছজোপাত এক প্ৰচণ্ড খুন্দা মাৰিলে। লগে লগে তাৰ কাণ তাল মৰা গোজৰণি। হাবিৰ মাজত মানুহৰ অনধিকাৰ প্ৰবেশ সি যেন ভাল পোৱা নাই। তাৰ লগতে বাকী তিনিটায়ো আহি যোগ দিলেহি। শঙ্কৰে আন উপায় নেদেখি গছৰ ওপৰৰ পৰাই এজাঁই গুলি এৰিলে। গুলিয়ে আহি শুকৰবাজৰ গণ্ডস্থল ভেদ কৰিলে। বিকট আৰাব কৰি শুকৰবাজে জঁপিয়াবলৈ ধৰিলে। গুলিৰ শব্দ শুনি বাকী তিনিটাই "যঃ পলায়তি সজিয়তি" এই বাণী সাৰোগত কৰি সেই স্থান শীঘ্ৰে পৰিত্যাগ কৰিলে। আনহাতে শুকৰবাজে অলপ সময় বৃথা আস্ফালন কৰি থকাৰ পিছত তাৰ প্ৰাণ পক্ষী দেহপিঞ্জৰ এৰি মহাশূন্যলৈ ধাবিত হ'ল। শঙ্কৰে গছৰ ওপৰৰ পৰাই এবাৰ চাৰিওফালে চাই ললে। বিপদ আঁতৰ হোৱা যেন অনুভৱ কৰি শঙ্কৰ গছৰ পৰা নামিব খুজিলে। কিন্তু অকস্মাৎ কিছু আঁতৰৰ পৰা অহা বাঘৰ গৰ্জন শঙ্কৰৰ কাণত পৰাৰ লগে লগে শংকৰ বৈ গ'ল। গছৰ ওপৰৰ পৰাই শংকৰে চাৰিওফালে চকু ফুৰালে। কিন্তু একোৱেই চকুত নপৰিল। এনেতে আন জন্তুৰ বিকৃত চিঞৰ শংকৰৰ কৰ্ণগোচৰ হ'ল। শংকৰে মাতটো শুনিয়ে গম পালে যে সেইটো ভালুকৰ মাত। যিফালৰ পৰা মাত দুটা আহিছে বুলি অনুমান কৰিলে শংকৰ সেইফালেই গছৰ ডালে ডালে বান্দৰৰ দৰে ইজোপা গছৰ পৰা সিজোপা গছ এনেদৰে কিছুদূৰ বগাই গ'ল। এনেতে শংকৰৰ চকুত পৰিল এটা প্ৰকাণ্ড ভালুকৰ সৈতে এটা বাঘৰ ভয়ামিয়া ৰণ লাগিছে। বাঘটো দেখিয়েই শংকৰে জোলা বুলি চিনি পালে। এক মুহূৰ্ত্তও পলম নকৰি শংকৰ গছৰ ওপৰে ওপৰে বগাই আৰু কিছুদূৰ আগবাঢ়ি গ'ল। শংকৰ ঘটনাস্থলীৰ

ওচৰ পাই ওপৰৰ ফালে এজাঁই গুলি এৰিলে। গুলিৰ শব্দ শুনি-য়েই ভালুকটোৱে যুদ্ধ এৰি পলাব ধৰিলে। বাঘটোৱে ভালুকটোক পিচে পিচে খেদিব খোজাত শঙ্কৰে গছৰ ওপৰৰ পৰাই আদেশৰ সুৰত চিঞৰি উঠিল, "ভোলা!"

ভোলা বৈ গ'ল আৰু পিছলৈ উভতি চাই গছৰ ওপৰত শঙ্কৰক দেখি নৰ মাৰি আহি গছ জোপাৰ তলত বৈ ওপৰৰ ফালে চাই ৰ'ল। শংকৰ ল'ৰালৰিকৈ নামি আহি ভোলাই শৰীৰত কিবা আঘাত পাইছে নেকি তাৰ গাত হাত ফুৰাই চাবলৈ ধৰিলে।

'হা—উ—ম' ভোলাই এটা দীঘলীয়া হামি মাৰিলে।

: এতিয়াই ভালুকে তোৰ মজা বাহিৰ কৰিলেহেঁতেন, হা-উ-ম কৰিব আহিছ!"—শংকৰে ক'লে।

হাঁহি মুখে দীঘল চুলিকোছা জোকাৰি শংকৰে ভোলাক লৈ গহীন অৰণ্যৰ মাজে মাজে পুনৰ আগবাঢ়িল। কিছু বাট অতিক্ৰম কৰাৰ পাছত দুয়ো এক বৃহৎ খেৰণিৰ মাজত সোমাই পৰিল। ঘন খেৰণি। খেৰণি অতিক্ৰম কৰা সহজ কথা নহয়। খুৰ যেন ধাৰ খেৰ বিলাকে হাত ভৰি কাটি অৱস্থা নাইকিয়া কৰে। অতি কষ্টেহে দুয়ো আগবাঢ়িল। খেৰণিড়ৰা পাৰ হৈ শংকৰ গৈ বনুৱা বিলাকৰ কেম্পবোৰৰ সন্মুখত উপস্থিত হ'ল। আঁতৰত থিয় হৈ বনুৱা বিলাকক কিবা নিৰ্দ্দেশ দি থকা খুৰাৰক নীলকণ্ঠই শংকৰক দেখি শংকৰৰ ওচৰলৈ আগবাঢ়ি আহি সুধিলে, শংকৰ, অকস্মাৎ আহিলা দেখোন?

: তোমাৰে খবৰ লবলৈ আহিলোঁ। খুৰা—শংকৰে ক'লে।

খুৰাৰকে হাঁহি এটা মাৰি পিন্ধি থকা টুপিটো হাতত ললে। ভোলাই নীলকণ্ঠৰ ফালে চাই গোজৰণি এটা মাৰিলে।

নীলকণ্ঠই ভোলাৰ ফালে চাই শংকৰক ক'লে, : শংকৰ, তোমাক মই এটা কথা কৈছিলোঁ; কিন্তু তুমি মোৰ কথাটোৰ ওপৰত একো গুৰুত্ব দিদিলা।

: কি কথা খুৰা?

মই ভোলাৰ কথা কব খুজিছোঁ। ভোলাক মই বনত এৰি দিয়াৰ কথা কৈছিলোঁ।

শংকৰে হাঁহি এটা মাৰি ক'লে, কিন্তু খুৰা, ভোলাইতো আমাৰ একো অপকাৰ কৰা নাই।

উপকাৰ-অপকাৰৰ কথা নহয় শংকৰ। ই এটা হিংস্ৰ বনৰীয়া জন্তু। আজি এই স্বভাৱে দেখা নিদিলে হয়তো কালিলৈ দিব। পৰাধীন মন সদায় বিদ্ৰোহী হয়।

কিন্তু খুৰা, ভোলাতো পৰাধীন নহয়। ই মোৰ লগৰীয়া। আৰু খুৰা, মোৰ ভোলাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে; ই কেতিয়াও তেনে নকৰে।

নীলকণ্ঠই হাঁহিলে, শংকৰ, এই বনৰ মাজতে তোমাৰ দৰেময়ো ডাঙৰ দীঘল হৈছোঁ। মোৰ বন সম্পৰ্কে যিখিনি অভিজ্ঞতা আছে, তোমাতকৈ হয়তো হীন নহব। আজি ভোলাক তুমি লগৰীয়া বুলি কৈছা, কিন্তু কালিলৈ যেতিয়া সি তোমাৰ মত বিৰোধী কিবা কৰিব তেতিয়া তুমি তাক শাসন কৰিব বিচাৰিবা আৰু তাৰ ফলত সি বিদ্ৰোহী হৈ উঠিব।

নহয় খুৰা, এই বিলাক কেতিয়াও হব নোৱাৰিব। —শংকৰে দৃঢ়তাৰে ক'লে।

আমিও তাকে কামনা কৰোঁ শংকৰ।

শংকৰে খুৰাককক আৰু বেছি কবলৈ নিদি ক'লে, বাৰু খুৰা, এতিয়া এইবোৰ কথা বাদ দিয়া, তোমালোকৰ বহুদ পাতি কি কি লাগিব কোৱা, মোক আজি দেউতাই চহৰলৈ যোৱাৰ কথা কৈছিল।

বহুদ পাতি বৰ্ত্তমান সকলো আছে। মাত্ৰ চাউল লাগিব। অ' আৰু এটা কথা, মোৰ কাৰণে হাবাইন চাৰ্ট এটা আনিবা।

ঃ বাৰু, যাওঁ তেন্তে। —শংকৰ যাবলৈ উদ্যত হ'ল।

ঃ এটা কথা শুনা —নীলকণ্ঠই পুনৰ মাত লগালে।

ঃ আজিৰ পৰা ইয়াৰ লগত এনেকৈ বনে বনে ঘুৰি নুফুৰিবা। যদি একান্তই তুমি তাক এৰিব নোৱাৰা, তেন্তে তাক পিঞ্জৰাত ভৰাই ৰাখিবা।

শংকৰে হাঁহি এটা মাৰি লাহে লাহে তাৰ পৰা আঁতৰি গ'ল। ঘৰ পাই শংকৰে দেউতাকক বহুদ পাতিৰ বিষয়ে সবিশেষ জনালে আৰু দেউতাকৰ নির্দ্দেশ মতেই আবেলি শংকৰ চহৰলৈ যাবলৈ সাজু হ'ল। লগতে ভোলাকো নিব খোজা দেখি দেউতাকে গৰ্‌গৰাই উঠিল, : এই বাঘদালক আৰু' নিব লাগে কিয় ?

: নিলেতো একো অসুবিধা নহয়। —শংকৰে উত্তৰ দিলে।

: তুমি দেখিছো ভোলাৰ বাবে একেবাৰে বলিয়া হৈ পৰিছা। তাকতো চহৰলৈ নিয়াৰ কোনো অৰ্থ নাই। তাক দেখিলে মানুহে চাৰ্কাচৰ বাঘ চোৰা দি চাব ; মিছা মিছি হুলস্থুলৰ সৃষ্টি হব। তাক পিঞ্জ-ৰাত ভৰাই থৈ যোৱা।

শংকৰে ভোলাক নিবলৈ নোপোৱাৰ দুখত মুখখন ওফোন্দাই বাপে-কৰ আদেশ মতেই বাঘটো পিঞ্জৰাত ভৰাই থৈ চহৰলৈ গুচি গ'ল।

শিৱ বৰুৱাই শংকৰকলৈ বহুত কিবা কিবি আশা কৰিছিল। সেই আশা পূৰণৰ হেতু সৰুৰে পৰাই শিৱ বৰুৱাই শংকৰক এক বেলেগ ঠাঁচত গঢ় দি আনিছিল। কিন্তু মাজ পথতে কিবা যেন কেনা লাগি গ'ল। সেই কেনাৰ গুৰি হৈছে ভোলা। ভোলাক লৈয়ে শংকৰ ব্যস্ত। শিৱ বৰুৱাই ভোলাৰ পৰা শংকৰক আঁতৰাবলৈ কিমান চেষ্টা কৰিলে কিন্তু ব্যৰ্থ হ'ল। আজি শিৱ বৰুৱাই বিপ্লৱ কাকতিৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে। বিপ্লৱ কাকতিয়ে ঠিকেই কৈছিল যে শংকৰ জংঘলত থাকি জংঘলীৰ বাহিৰে একো হব নোৱাৰিব। এতি-য়াহে শিৱ বৰুৱাই উপলব্ধি কৰিব পাৰিলে যে তেওঁৰ জীৱনটো এক বিৰাট শূণ্যতাই আগুৰি আছে। যিটো পথে তেওঁক আকৰ্ষণ কৰিছিল, যিটো পথ তেওঁৰ বাবে আদৰ্শ আছিল সেইটো পথেই এতিয়া তেওঁৰ বাবে প্ৰাণহীন হৈ পৰিছে।

শংকৰৰ চহৰৰ লগত বৰ বেছি সম্বন্ধ নাই। চহৰলৈ শংকৰ খুব কমেইহে আহে। কেতিয়াবা আহিলেও নিজৰ প্ৰয়োজনীয় সময়-তকৈ বেছি সময় নাথাকে। সেয়ে শংকৰ চহৰৰ চালচলনৰ বিষয়ে

সম্পূৰ্ণ অনভ্যস্ত। মানুহৰ লগত কথা পাতিবলৈ মানুহৰ লগত যাবলৈ শঙ্কৰে সংকোচবোধ কৰে।

চহৰ সোমায়েই শঙ্কৰে জীপখন আলিবাটৰ একাষত থপৃকৈ ৰাখি দি নামিব খুজিছে মাথোন এনেতে এজন পুলিচ আহি শঙ্কৰৰ ওচৰত থিয় হৈ শঙ্কৰক উদ্দেশ্যি ক'লে, : গাড়ী ইয়াত Parking নকৰিব। অলপ আগলৈ নিয়ক।

শঙ্কৰে একো উত্তৰ নিদি পুলিচটোলৈ চাই পুনৰ জীপত উঠি অলপ দূৰ আগলৈ নি ৰখালে। ইফালে সিফালে এবাৰ চাই শঙ্কৰ গাড়ীৰ পৰা নামিল। তাৰ পিছত দীঘল দীঘল খোজ পেলাই শঙ্কৰ ফুটপাথেৰে আগবাঢ়িল। হাণ্ট পুণ্ট ওখ চেহেৰা, মুখত কেইবা-দিনো নুখুৰোৱা দাড়ি, মূৰত ৰুক্ষ দীঘল চুলি, ভৰিত 'হাণ্টাৰ চু' চুটি চেপা মৰা লংপেণ্ট, খাকী কাপোৰৰ কোট পৰিহিত শঙ্কৰক তলমূৰকৈ যোৱা মানুহেও ঘূৰি ঘূৰি চাবলৈ বাধ্য হয়।

এখন দোকানত শঙ্কৰ সোমাল। দোকানত গ্ৰাহকৰ যথেষ্ট ভিৰ। কাপোৰৰ দোকান। বিক্ৰেতা সকলে বিবিধ কাপোৰ উলিয়াই গ্ৰাহকৰ মন যোগোৱাত ব্যস্ত। শঙ্কৰৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই। কোনোবাই দেখিছে যদিও সাধাৰণ লোক বুলিয়েই লৈছে। গ্ৰাহকৰ ভিতৰত এজনে চোলা চোৱাত ব্যস্ত। শঙ্কৰ সেইজন গ্ৰাহকৰ কাষ চাপিল। হাতত এটা চোলা উঠাই বিক্ৰেতা এজনক উদ্দেশ্যি শঙ্কৰে সুধিলে,

: এইটোৰ দাম কিমান ?

গ্ৰাহক জনে শঙ্কৰলৈ কেৰাহিকৈ চালে আৰু মুখখনত এক বিৰক্তিৰ ৰেখা প্ৰকাশ পালে। শঙ্কৰৰ দৰে লোক এজন তাত উপস্থিত হোৱাত গ্ৰাহক জনৰ কৰ্মত যেন কিবা ব্যাঘাত ঘটিছে। গ্ৰাহকজন লাহেকৈ তাৰ পৰা আঁতৰহৈ গ'ল। বিক্ৰেতাজনে শংকৰৰ আপাদমস্তক লক্ষ্য কৰি ক'লে : এইটো দামী চোলা আছে, জব জানো ?

: এইটোৰ দাম কিমান ?—শংকৰে পুনৰ সুধিলে।

: দুশ ষাঠী টকা।

শংকৰে পকেটৰ পৰা টকা উলিয়াই বিক্ৰেতা জনৰ হাতত দিলে। বিক্ৰেতাজনে শংকৰলৈ ভেবা লাগি চাই ৰ'ল।

: দিয়ক।—শংকৰে ক'লে।

: আৰু কিবা লাগিব নেকি ?—বিক্ৰেতাজনে সুধিলে।

: নালাগে।

বিক্ৰেতাজনে লৰালৰিকৈ চোলাংটো কাগজৰ বেগ এটাত ভৰাই শংকৰৰ হাতত দিলে। শংকৰে হাত পাতি লৈ ওলাই গ'ল।

: নমস্কাৰ। আহিব কেতিয়াবা।—পিচফালৰ পৰা বিক্ৰেতাজনে ক'লে।

শংকৰে উভতিয়েই নাচালে। খৰধৰকৈ আগবাঢ়িল আন এখন দোকানলৈ। দোকানৰ গাদীত বহি থকা গনেশৰ দৰে পেটুৱা মহাজনটোলৈ চাই শংকৰে সুধিলে, : চাউল আছে নে ?

মহাজনে শংকৰৰ প্ৰশ্নৰ উত্তৰ নিদি আন এফালে কিবা নিৰ্দেশ দি থাকিল।

: চাউল আছেনে ?—শংকৰে পুনৰ প্ৰশ্ন কৰিলে।

মহাজনৰ খবৰে নাই।

শংকৰৰ খং উঠিল। তলৰ ওঠ খন দাঁতেৰে কামুৰি ধৰি শংকৰ ক্ষন্তেক তভক মাৰি ৰ'ল। তাৰ পিছত খুউব জোৰেৰে চিঞৰি উঠিল, : এই, চাউল আছেনে ?

শংকৰৰ সেইটো চিঞৰত দোকানত থকা সকলোবোৰ মানুহে শংকৰলৈ এক আচৰিত দৃষ্টিৰে চাবলৈ ধৰিলে। পেটুৱা মহাজনটো শংকৰৰ সেইটো চিঞৰত উচপ্ খাই উঠিল। কোনো দিন এনে গ্ৰাহকৰ সন্মুখীন হোৱা নাই। প্ৰশ্নবোধক দৃষ্টিৰে শংকৰলৈ এবাৰ চাই মহাজনে ক'লে,

: এইখন কি পাগল খানা বুলি ভাবিছ নেকি ?

শংকৰৰ চকুৰেদি যেন জুইহে ওলাইছে। কোনো কথা নকৈ দুখোজ আগবাঢ়ি গ'ল। শংকৰৰ মৌনতাই মহাজনৰ অন্তৰত ভয়ৰ সৃষ্টি কৰিলে।

: মই সুধিছিলো চাউল আছেনে ? কিন্তু উত্তৰ দিয়া নাই কিয় ?

: চাউল ? আছে।—মহাজনে কলে।

: মোক চাউল লাগে।

: লৈ নওক। ভাল চাউল আছে। ছ টকা বিশ পয়চাকৈ কিলো। কেই কিলো লাগে?—মহাজনে সুৰ সলালে।

: কিন্তু দেউতাইতো মোক কিলোৰ কথা কোৱা নাই; কুইণ্টলৰ কথাহে কৈছে। চাৰি কুইণ্টল চাউল লাগে।

: চাৰি কুইণ্টল?—মহাজন যেন আচৰিত হ'ল।

: ও, আপোনালোকৰ মানুহ দি মোৰ গাড়ীত চাউলখিনি উঠাই দিয়ক। কিমান লাগিব চাৰি কুইণ্টলত?

: আপুনি শিৱ বৰুৱাৰ ল'ৰা নেকি? —মহাজনে শঙ্কৰক সুধিলে। শঙ্কৰে মূৰ দুপিয়ালে।

: আৰে, আগৰ পৰা কোৱা নাই কিয়? বহক, বহক মই মুখৰ গছ আৰু কথাৰ ধৰণতে ধৰিব পাৰিছো।—মহাজনে লৰালৰিকৈ বহাৰ পৰা উঠি আহি শঙ্কৰক জোৰ কৰি চকী এখনত বহুৱাই দিলে।

আন বিলাক মানুহে ভেবা লাগি শঙ্কৰলৈ চাই ৰ'ল।

আপোনাকতো মই কোনোদিন দেখা নাই। —মহাজনে হাঁহি এটা মাৰি কলে।

: মই চহৰলৈ খুব কম আহো। দৰকাৰ হলে দেউতা নিজে আহে।

: আপোনাৰ দেউতাক ভালদৰে জানো। সকলো বস্তু ইয়াৰ পৰাই নিয়ে। আপোনাৰ কথা মোক কৈছিল। দত্তবাবু, এখেত কোন জানে জানো? গ্ৰাহক এজনক উদ্দেশ্যি মহাজনে সুধিলে।

: নাজানো।—দত্তবোলা লোকজনে কলে।

: চিকাৰী শিৱ বৰুৱাৰ ল'ৰা।

: অ' হয় নেকি?

শঙ্কৰ বহাৰ পৰা উঠিল।

: বহকচোন।—মহাজনে জোৰ কৰিলে।

: নাই, মই যাওঁ। চাউলৰ পইচা কিমান লাগিব?

মহাজনে দামটো কলে।

শঙ্কৰে টকাখিনি উলিয়াই মহাজনৰ হাতত দিলে। দোকানত কাম কৰা কেইজনমানে চাউলখিনি শংকৰৰ জীপত উঠাই দিলে গৈ। তাৰ পিছত শঙ্কৰে বিদায় ল'লে।

: বৰ আচৰিত।— এজন গ্ৰাহকে কলে।

: হৱই। থকা ঠাইখনেই আচৰিত যেতিয়া এয়া কি কথা।—মহাজনে কলে।

শঙ্কৰ গৈ জীপত উঠিব খুজিছে মাথো এনেতে পিছ ফালৰ পৰা কোনোবাই মাত লগালে, : শঙ্কৰ দা ।

মাতটো শংকৰৰ চিনাকি চিনাকি লাগিল। শঙ্কৰে পিচলৈ উভতি চালে। মনিৰ লগত কেইবাজনীও ছোৱালী শঙ্কৰৰ ফালেই আহি আছে। মনিলৈ চাই শঙ্কৰে হাঁহি এটা মাৰিলে ।

: শংকৰ দা, তুমি অকস্মাৎ ক'ৰ পৰা আহিলা ?— মনি ওচৰ চাপি আহি সুধিলে ।

: ঘৰৰ পৰা আহিলো ।

: এইবোৰ কি ল'লা ?

: চাউল। তুমি ক'ৰ পৰা আহিলা ?— শংকৰে সুধিলে।

শঙ্কৰৰ প্ৰশ্নৰ উত্তৰ নিদি মনিয়ে ক'লে, : আমাৰ ঘৰলৈ ব'লা, শঙ্কৰ দা!

: দেখি হৈ যাব মনি, আজি নাযাওঁ —শংকৰে কলে।

: তোমাক মই সেই কাৰণেই ভাল নাপাওঁ, শঙ্কৰ দা, আজি নগলে যাবানো কোন দিনা ? বছৰটোৰ ভিতৰত মাত্ৰ এদিনেই হয়তো চহৰলৈ আহা।

শংকৰে হাঁহিব খুজিও নাহাঁহিলে ।

: অ' এওঁলোকৰ লগত তোমাক চিনাকি কৰি দিওঁ ৰবা। এওঁ হৈছে জ্যোৎস্না বৰুৱা, এওঁ এলিজা বেগম, এওঁ মৰমী চৌধুৰী আৰু এওঁ শ্যামলী বৰা। বুজিছা শঙ্কৰ দা, আমি আটায়ে সহপাঠী। প্ৰত্যেকে শংকৰক নমস্কাৰ জনালে। শংকৰে মাথোন হাঁহিলে।

: আপোনাক মই ক'ৰবাত দেখিছো নেকি ? —শ্যামলী বৰাই শংকৰক উদ্দেশ্যি ক'লে।

মনিয়ে ডাঙৰকৈ হাঁহি এটা মাৰি উত্তৰ দিলে, "ভুল কৰিলা শ্যামলী, শঙ্কৰ দাদাক বোধকৰো তুমি আজিহে প্ৰথম দেখিছা। শংকৰদা সদায় বনৰ মাজতে থাকে। ঘৰো তেওঁলোকৰ তাতে।

: তাৰ মানে আপুনি খুউব চিকাৰ কৰে নহয় নে ? —জ্যোৎস্না বৰুৱাই ক'লে।

: চিকাৰ মই নকৰোঁ। সৰুৰে পৰা বনত ঘূৰা স্বভাৱ। বনৰ মাজত ঘূৰোঁতে কিবা দুৰ্দ্দান্ত জন্তুৰ সন্মুখীন হ'লে তাক মাৰো। হাবিত জন্তু বিচাৰি চিকাৰ কৰাৰ অভ্যাস নাই। —শংকৰে ক'লে।

: আমাৰ দাদাক আপুনি হয়তো চিনি পাব। চিকাৰ কৰি খুব ভাল পায় আৰু সপ্তাহত কমেও দুদিন বনলৈ যায়। —জ্যোৎস্না বৰুৱাই পুনৰ ক'লে। মনিয়ে জ্যোৎস্নাৰ কথা শুনি হাঁহিব ধৰিলে। জ্যোৎস্নাই একো বুজিব নোৱাৰি মনিৰ মুখলৈ চাই ৰ'ল।

: ব'লা শংকৰ দা। —মনিয়ে ক'লে।

: কিন্তু মোৰ গাড়ী ?

:তুমি গাড়ীৰে আগবাঢ়া, আমি পিচে পিচে ৰিক্সাত গৈ আছোঁ।

শংকৰ গৈ গাড়ীত বহিল। মনিহঁতেও কেইখনমান ৰিক্সাত উঠিল। চহৰৰ কেইটামান বাট অতিক্ৰম কৰিগৈ শঙ্কৰে মনিহঁতৰ ঘৰৰ সন্মুখ পাই জীপখন ৰখাই লৰালৰিকৈ জীপৰ পৰা নামিল। শংকৰৰ দৰে অধলা আচহুৱা মানুহ এটা দেখি ঘৰৰ বাহিৰৰ বাৰান্দাত শুই থকা মনিহঁতৰ এল্‌চেচিয়ান কুকুৰটোৱে ভুকিবলৈ ধৰিলে। শংকৰে নিৰ্ভয়ে গেটখন খুলি সোমাই গ'ল। কুকুৰটোৰ ভুক্‌ভুকনি আৰু বাঢ়িল। শংকৰ গৈ কুকুৰটোৰ একেবাৰে ওচৰ পালেগৈ। কুকুৰটোৱে শংকৰলৈ চেঁচা মাৰি খেদি আহিল। এনেতে লগুৱা এটা ওলাই আহি কুকুৰটোক শান্ত কৰিলে। লগুৱাটোৱে হাঁহি এটা মাৰি ক'লে, ' :আপোনাৰ সাহ দেখি ই ভয় খাই গৈছে।

শঙ্কৰে হাঁহি এটা মাৰি আগবাঢ়ি গৈ ড্ৰইং ৰুমৰ পৰ্দা ঠেলি ভিতৰলৈ চালে।

কেইবাটাও ডেকা ল'ৰা বহি কথা পাতি আছে।

"কাক লাগে?" তাৰে এজনে শঙ্কৰক প্ৰশ্ন কৰিলে।

শংকৰে কি উত্তৰ দিব ভাবিয়ে নাপালে।

ডেকা কেইজনে ইজনে সিজনৰ মুখলৈ চালে।

হেৰা, কাক বিচাৰিছাহে? এজন শকত আৰত ডেকাই শংকৰৰ প্ৰতি তাচ্ছিল্যৰ ভাব দেখুৱাই গৰম সুৰত প্ৰশ্ন কৰিলে।

"এইটো মণিৰ ঘৰ নহয় জানো?" শংকৰে সন্দেহৰ সুৰত প্ৰশ্ন কৰিলে।

"হয়। কৰ পৰা আহিছা?"

শংকৰে আৰু কাৰো কথালৈ কাণ নিদি গপ্‌গপ্‌কৈ ড্ৰইং ৰুমৰ মাজেদি ভিতৰলৈ সোমাই গ'ল। ডেকা কেইজনে কি হ'ল তলকিবই নোৱাৰিলে।

: পগলা ফাটেকৰ পৰা ওলাই আহিছে নেকি? —এজনে ঠাট্টাৰ সুৰত মাত লগালে।

: ওহোঁ, মই হ'লে ডন্ কুইক্‌চোট বুলিহে ভাবিছোঁ।—আন এজনে কোৰাৰ লগে লগে আটায়ে উচ্চস্বৰে হাঁহিবলৈ ধৰিলে।

শংকৰ ভিতৰ সোমাই 'খুৰী' 'খুৰী' বুলি মণিৰ মাকক চিঞৰিব ধৰিলে।

: কোন? —ভিতৰ কোঠাৰ পৰা মণিৰ মাকে প্ৰশ্ন কৰিলে।

: মই, শংকৰ।

লগে লগে মণিৰ মাক ভিতৰৰ পৰা ওলাই আহিল। আৰু কিবা এক আচৰিত বস্তু দেখাৰ দৰে চিঞৰি উঠিল, "আৰে শংকৰ তুমি?"

: আচৰিত হৈ গ'ল দেখোন? —শংকৰে হাঁহি মাৰি সুধিলে।

: আচৰিত নহৈনো কি? তুমি চহৰলৈ অহা কথাটো যেন কিবা নোহোৱা নোপজা কথা। মনিৰ মাকে হাঁহি মাৰি ক'লে।

: কিবা অলপ বস্তু আনিবলৈ মই চহৰলৈ আহিছিলোঁ।

: জানোঁ, জানোঁ এনেয়ে তুমি আৰু চহৰলৈ আহিবানে।—মনিৰ মাকে ক'লে।

শংকৰে হাঁহিলে।

: ব'লা ভিতৰলৈ। মনিৰ মাকে শংকৰক ভিতৰলৈ নি বহিবলৈ দিলে।

: মনিক মই চহৰত পাই আহিছো খুৰী, তেওঁ মোক জোৰ কৰি ইয়লৈ পঠাই দিছে।—শংকৰ চকী এখনত বহি ক'লে।

: মনি অহা নাই?

: আহি আছে। বিস্তাত আহিছে। বোধহয় পালেহিয়েই নেকি?

ইতিমধ্যে মনিহঁত আহি পালেহি। ড্ৰইং ৰুমত গল্প মাৰি থকা ডেকা কেইজনক দেখি মনিয়ে আচৰিত হোৱাৰ দৰে ক'লে,

: তোমালোক! কিমান সময়ত আহিলা?

: আধা ঘণ্টা হ'ল। তোমালোকৰ কাৰণেই বহি আছো—এজনে মাত লগালে।

: মনি, তোমাক বিচাৰি পগলা ফাটেকৰ পৰা কোনোবা এজন আহিছে।—আন এজনে ক'লে।

: সঁচা?—মনিয়ে আচৰিত হোৱা যেন দেখুৱাই ক'লে।

: অঁ', কাকো নোসোধা নোপোছাকৈ একেবাৰে ভিতৰ পালেগৈ। নামটো সোধোতে 'ডন কুইক্‌চোট্' বুলি ক'লে।

আটায়ে গিজ্‌নি মাৰি হাঁহিবলৈ ধৰিলে।

মনি খৰধৰকৈ ভিতৰলৈ গ'ল।

: তোমালোকে যাক লৈ উপলুঙা কৰিছা তেওঁৰ প্ৰকৃত নাম শংকৰ। প্ৰখ্যাত চিকাৰী শিৱ বৰুৱাৰ ল'ৰা। ঘৰ বোলে কোনোবা এখন গহীন হাবিৰ ওচৰত। জন্মৰে পৰা বোলে তেওঁ তাতে ডাঙৰ হৈছে। নগৰ-চহৰ, গাওঁ-ভূঁইৰ লগত কোনো সম্বন্ধ নাই - - - ।

জ্যোৎস্না বৰুৱাৰ কথা শেষ হবলৈ নিদি এজন ডেকাই মাত লগালে,

: তুমি এয়া কি বুঢ়ী আইৰ সাধু শুনাইছা জ্যোৎস্না?

: নহয় ৰাজীৱ দা, মই মিছা কোৱা নাই। তুমি লাগিলে মনিক সুধি চাব পাৰা।

: তেওঁ ক'ত থাকে বুলি ক'বা ?—আন এজনে প্রশ্ন কৰিলে।

: য'ত তোমালোকৰ দৰে সাহসী লোকবোৰ যাব নোৱাৰে, তেনেকুৱা কিবা এখন বনতে থাকে।—শ্যামলীয়ে ঠাট্টা কৰি ক'লে।

: আফ্রিকাৰ ইউগাণ্ডা অধিবাসী অসমলৈ আকৌ কেনেকৈ আহিল ? জ্যোৎস্নাৰ ককায়েক মনোজৰ কথাত আটায়ে হাঁহিবলৈ ধৰিলে। ককায়েকৰ তেনে বিদ্রূপ ভৰা কথাত জ্যোৎস্নাৰ খং উঠিল আৰু খঙতে ক'লে, "তোমালোকে মানুহক মাত্র ঠাট্টা কৰিব জানা। তেওঁ যিখন অৰণ্যত ঘূৰি ফুৰে তাত তোমাৰ দৰে চিকাৰী সোমালে নিজৰ বন্দুকেৰে নিজকে হত্যা কৰাৰ বাহিৰে আন উপায় নাই।"

: তাৰ মানে বেলগুৰি হাবিৰ অধিবাসী নেকি ?—মনোজে সুধিলে।

: ওঁ, বেলগুৰি হাবিৰ অধিবাসী। যিখন হাবিক কাগজে পত্রই আৰু মানুহে 'Jungle of no return' বুলি সমালোচনা কৰে। জ্যোৎস্নাই উত্তৰ দিলে।

: কি মনোজ, তালৈ চিকাৰ কৰিবলৈ যোৱাৰ কথা ভাবিছা নেকি ?— —দীপক নামৰ এজনে ঠাট্টা কৰি সুধিলে।

: মই বিশ্বাস নকৰোঁ।—মনোজে ক'লে।

: কি ?—দীপকে সুধিলে।

: এই বলিয়াটো তাত থকা কথাটো।

: নিজে প্রমাণ চাই আহাগৈ।—ককায়েকক ব্যঙ্গ সুৰত কৈ জ্যোৎস্না ভিতৰলৈ সোমাই গ'ল।

লগে লগে শ্যামলী, এলিজাহঁতো সোমাই গ'ল।

কিছু সময়ৰ পিচত মনিৰ লগত শংকৰ কোঠাটোলৈ সোমাই আহিল। আটায়ে শংকৰলৈ চালে। শংকৰ যেন চিৰিয়াখানাৰ এক আকৰ্ষণীয় জন্তুহে। শংকৰে প্রত্যেকৰ মুখলৈ চালে।

মণিয়ে সকলোকে ক'লে, "তোমালোকে কোৱা ডনকুইক্‌চোট এইজনেই নহয় জানো ?"

মণিৰ কথাত সকলোৰে মুখ লাজতে ৰঙা চিঙা পৰিল।

শংকৰে একো নুবুজি মণিৰ মুখলৈ চালে।

: মই তোমালোকক এওঁৰ প্ৰকৃত চিনাকি দিওঁ বৰা। এওঁৰ নাম শংকৰ বৰুৱা। তোমালোকে 'ডনকুইকচোট' বা আন কিবা বুলি মাতিলেও এওঁৰ আপত্তি নাই। অসমৰ খ্যাতনামা চিকাৰী শিৱ বৰুৱাৰ একমাত্ৰ পুত্ৰ।

ঃ বেলগুৰিত ঘৰ নেকি?—দীপকে সুধিলে।

: ওঁ।—মণিয়ে উত্তৰ দিলে। তাৰ পিছত শঙ্কৰক উদ্দেশ্যি ক'লে,

: জানা শঙ্কৰ দাদা, এওঁ মনোজ বৰুৱা, বৰ ভাল চিকাৰী। অথনি যে তোমাক জ্যোৎস্না বৰুৱাৰ লগত চিনাকি কৰি দিছিলো, তেওঁৰ ককায়েক।

: আপোনাৰ লগত চিনাকি হৈ বৰ সুখী হ'লো।—এই বুলি মনোজে কৰমৰ্দন কৰাৰ উদ্দেশ্যে শঙ্কৰৰ প্ৰতি হাতখন আগবঢ়াই দিলে। কিন্তু শঙ্কৰে পকেটৰ পৰাই হাত নুলিয়ালে। মাথো মনোজৰ মুখলৈ চাই সহজ হাঁহি এটা মাৰিলে।

মনোজে লাজ পাই মণিলৈ চালে।

ঃ মই যাওঁ, মণি।—এই বুলি শঙ্কৰে তাত এক্ষন্তেকো নৰৈ খৰধৰকৈ ওলাই গ'ল।

: কি আচৰিত? একেবাৰে জংঘলী। ভদ্ৰতা সমুলি নাজানে।—মনোজে মণিক ক'লে।

মনোজৰ কথা শুনি মণিয়ে হাঁহি এটা মাৰি ক'লে, : শঙ্কৰৰ জীৱন যাত্ৰা তোমাৰ লগত বা আমাৰ কাৰো লগত মিলাবলৈ চেষ্টা নকৰিবা। জন্মৰ পৰা আজি পৰ্য্যন্ত যি হাবি বনৰ বাহিৰে একো দেখা নাই, চহৰ-নগৰ কি বুজি নাপায়, মানুহৰ সঙ্গতকৈ জন্তুৰ সঙ্গ বেছি ভাল পায় তেওঁৰ লগত আমাৰ তুলনা নহয়। আমি কৃত্ৰিমতাৰ মাজত ডাঙৰ হৈছো। আমাৰ অন্তৰবোৰ হিংসা দ্বেষ, মিছা-পাপ আদিৰে পূৰ্ণ আৰু শঙ্কৰক ডাঙৰ কৰিছে প্ৰকৃতিয়ে, যাৰ অন্তৰত হিংসা খিয়াল আদি একো নাই।

ঃ পিছে জন্তুৰ মাজত থাকি থাকি তোমাৰ শঙ্কৰৰ প্ৰকৃতি জন্তুৰ দৰে হৈ যোৱা নাইতো?—বাজীৱে মাত লগালে।

: বোধ কৰো নাই হোৰা। আৰু এটা কথা শুনা; শঙ্কৰে এটা বাঘ পুহিছে। তাৰ নাম দিছে ভোলা। শংকৰৰ একমাত্ৰ সঙ্গী।

: বাঘ?—আচৰিত ভঙ্গীৰে ইন্দ্ৰনে সিজনৰ মুখলৈ চালে।

: সঁচা কথা।

: আমি এদিন এটা কাম কৰোঁহে মনোজ।—দীপকে ক'লে।

: কি কাম?

: এই বন দেৱতাজনক লগত লৈ দুৰ্ভেদ্য হাবিখন ভেদ কৰিবলৈ সুবিধা হব নেকি?

: ঠিক কৈছা।—মনোজে চিঞৰি উঠিল।

: বাঃ, থৈ দিয়া তোমালোকৰ পৰিকল্পনা। কেনেকৈ হাবিত যাবা মই গম পাই গৈছোঁ।—ৰাজীৱে ঠাট্টা কৰি ক'লে।

: তোমাৰ দৰে ভয়াতুৰ আমাৰ লগত যোৱাৰ আৱশ্যক নাই। মনোজে ক'লে।

: তুমিও কম সাহসী নহয় দিয়া? যিটো সাহেৰে বাঘ মাৰা, জানো। শিয়ালে 'হোৱা' দিলে একেজাপে গছত উঠা চিকাৰীহে।—ৰাজীৱে ঠাট্টা কৰি ক'লে।

: হৈছে হৈছে, এতিয়া এইবোৰ বাদ দিয়া। মণি, তোমালোকে পিক্‌নিকৰ কাৰণে কিমান পইচা গোটালা?—মনোজে মণিক প্ৰশ্ন কৰিলে।

: প্ৰায় ডেৰ হাজাৰ ধৰা। মণিয়ে উত্তৰ দিলে।

: কোন কোন যাবা? লিষ্ট আছে?

: আছে। আৰু এজন নতুন লোক যাব।

: কোন!—মনোজে সুধিলে।

: শংকৰ?

: শংকৰ?

মণিয়ে উত্তৰ নিদি ভিতৰ পালেগৈ।

পাঁচ

পুৰা চাৰি বজাৰ লগে লগে শঙ্কৰ জীপেৰে আহি মণিহঁতৰ ঘৰত উপস্থিত হ'লহি। শঙ্কৰক দেখি মনি অতি আনন্দিত হ'ল। মণিয়ে শঙ্কৰ অহা কথাটো কল্পনাই কৰা নাছিল। কৰিলেও শঙ্কৰ যে ইমান সোনকালে আহি পাব মনিৰ সপোনৰো অগোচৰ আছিল। যিহেতু শঙ্কৰে ভোলাক এৰি এক্ষন্তেকো কলৈকো নাযায়।

: শঙ্কৰ দা, তুমিযে ইমান সোনকালে আহি পাবা মই ভাবিবই পৰা নাছিলোঁ।

: তুমিয়েই দেখোন মোক ইমান সময়ত আহিবলৈ কৈছিলা।

শঙ্কৰৰ কথাত মণিয়ে হাঁহিলে। মণিৰ এটা কথা ভাবি ভাল লাগিল যে কোনো কালে কাৰো কথা নুশুনা শঙ্কৰে মণিৰ এই অনুৰোধ উপেক্ষা নকৰিলে।

: পিছে তোমাৰ বাঘ ভালুক ক'ত থলা ?—মনিয়ে পুনৰ সুধিলে। ভোলাকো মই আনিবলৈ খুজিছিলোঁ; কিন্তু দেউতাই আনিবলৈ নিদিলে। অলপ সময়ৰ ভিতৰতে পিকনিকৰ বাবে সকলোবোৰ আহি মনিহঁতৰ ঘৰত গোট খালেহি। পুৰা সাত বজাৰ লগে লগে লগে চাৰি-পাঁচখন গাড়ীত গোটেই দলটোৱে যাত্ৰা কৰিলে। শঙ্কৰৰ জীপত উঠিল মনি, মনোজ জ্যোৎস্না আৰু দুজনীমান ছোৱালী।

বাটত মনোজে শঙ্কৰক উদ্দেশি সুধিলে,— : আপোনাৰ জীৱনত এনে অভিজ্ঞতা আছেনে ?

শঙ্কৰে কথাষাৰ নুবুজি মনোজৰ মুখলৈ চালে। মনোজে পুনৰ কলে,

: আপুনি আগতে কৰবাত পিকনিক খাইছেনে ?

: নাই খোৱা । পিক্‌নিকনো কাক কয় মই সেই বিষয়ে মুঠেই নাজানো।—শঙ্কৰৰ কথা শেষ হোৱাৰ লগে লগে মনোজে জোৰেৰে হাঁহিব ধৰিলে।

হাঁহিছে কিয়?—শঙ্কৰে আচৰিত হৈ সুধিলে।

মনোজ থতমত খাই গ'ল। মনৰ মাজত কৃত্ৰিম গহীন ভাৱৰ সৃষ্টি কৰি মনোজে উত্তৰ দিলো: নাই, মই এনেয়ে হাঁহিছো। পিছে আপুনি দেখিছো গাড়ী চলোৱাত বৰ পাৰ্গত।—মনোজে কথাৰ সুৰ সলনি কৰিলে।

শঙ্কৰে কোনো উত্তৰ নিদিলে। নীৰবে মাথো গাড়ী চলাই গৈ থাকিল।

: আপুনি কিমানলৈকে পঢ়িছে বাৰু?— মনোজে পুনৰ প্ৰশ্ন কৰিলে।

পঢ়িব জনাৰ পৰা বৰ্তমানলৈকেতো মই পঢ়িয়েই আছোঁ।—শঙ্কৰে সহজ ভাৱে উত্তৰ দিলে।

: পঢ়িয়েই আছে।—মনোজে শংকৰৰ কথা নুবুজি শংকৰৰ মুখলৈ এক আচৰিত ভঙ্গীত চাই ৰ'ল।

: জানা মনোজ দাদা, শংকৰ দাদাই আমাৰ দৰে কোনো স্কুলতে পঢ়া নাই; অথচ বহুত কথা জানে।—মণিয়ে মাত লগালে।

স্কুল কলেজত পঢ়িলেই মানুহৰ জ্ঞান নহয় মণি; জ্ঞান আহৰণ কৰাৰ উৎস আৰু বহুত আছে। মনোজে ক'লে।

: আপুনি বোলে বন জংঘল, জীৱজন্তু আদিৰ বিষয়ে বহুত কথা জানে? আন এজনী ছোৱালীয়ে প্ৰশ্ন কৰিলে।

: জনাটো কৰ্তব্য, সেই কাৰণেই জানো।—শংকৰে লাহেকৈ উত্তৰ দিলে।

: জানা শঙ্কৰ দাদা, মনোজ দাদাও তোমাৰ দৰে বৰ ভাল চিকাৰী। মণিয়ে ক'লে।

: কিন্তু মণি, মইতো চিকাৰী নহয়।— শঙ্কৰে হাঁহি মাৰি উত্তৰ দিলে। কেইটামান নীৰৱ মুহূৰ্ত পাৰ হ'ল।

: মই আপোনাক এটি অনুৰোধ কৰো।—মনোজে পুনৰ মাত লগালে। শঙ্কৰে মনোজৰ ফালে চাই ক'লে, : কওক।

: আমি সেইখনবাটেৰে আপোনাৰ অৱস্থাত নৈ ক্ষেত্ৰীৰ আৰণ্যমান মুহূৰ্তৰে ৰক্ষা কৰো।

: হয় শংকৰ দাদা, তুমি এটা দিব দিয়া, আমি আহিবে যাম।—মণিয়ে ক'লে।

: মোৰ উত্তৰত কি কথা আছে। আপোনালোক বেড়িবাই যাব, যদি সহযোগ কৰিবলৈ সকলো সময়তে সাজু আছো।—শংকৰে ক'লে। এনেতে আন এজনী ছোৱালীয়ে মাত লগালে, : কিন্তু কোৱা শুনিছো, সেই হাবিত সোমালে বোলে কোনো উন্নতি আহিব নোৱাৰে।

: সেই হাবিৰ মাজতে তাণ্ডৱ হ'লো। মোৰ খুৰা শ শ বনুৱাৰ সৈতে সেই হাবিৰ মাজতে থাকে দিনে ৰাতিয়ে।—শংকৰে ক'লে।

এটা সময়ত জীপ কেইখন লৈ পিকনিকৰ। অতীত হ'ল। সকলো গাড়ীৰ পৰা নামিল। এক কৌতূহল ব্যগ্ৰতা ভৰা মুখ লৈ শংকৰ গাড়ীতে বহি থাকিল। সন্মুখলৈ দৃষ্টি নিক্ষেপ কৰি শংকৰে দেখিলে কিছু আঁতৰেদি বৈ গৈছে মহাবাহু ব্ৰহ্মপুত্ৰ। সিপাৰে ধূসৰ পাহাৰ শ্ৰেণী, কুহেলিকাময় উদাস লোহিত বক্ষ।

: শংকৰ দাদা।—মণিৰ মাতত শংকৰৰ তন্ময়তা ভাঙিল।

: কি চাইছা?—মণিয়ে পুনৰ সুধিলে।

: নদীখন।

: এইখনেই আমাৰ মৰমৰ লুইত, বাবা ব্ৰহ্মপুত্ৰ। চোৱাচোন শংকৰ দাদা, কি শান্ত। এটি ঢৌ নাই। কিন্তু আৰু দুই-তিনি মাহৰ পিছত এই নৈৰ ৰূপ কি চাবা? যেনে কোটোকাৰে অশান্ত ৰূপ এটা ধাৰণ কৰি পাৰ-ভুই উটুৱাই হাজাৰ হাজাৰ লোকক নিৰাশ্ৰয় কৰি দিয়ে। শান্ত ৰমণীয়া কৈলাশপতিৰ আন এটি ৰূপ হৈছে ৰুদ্ৰ। তথাপি তেওঁ আমাৰ ভগৱান, আমি পূজা কৰোঁ। আমাৰ এই নৈ খনৰো দুটা ৰূপ। এটা শান্ত, আনটো অশান্ত। তথাপি এইখন নৈ এৰি আমি থাকিব নোৱাৰোঁ, আমাৰ প্ৰাণ, আমাৰ আত্মা।—শংকৰে মণিৰ কথাবোৰ বুজি পালে।

পুনৰ সন্ধ্যা তাঁহি অৱ্যা এটা ভাঙিবাৰী সুৰ... কানত

পৰিৱ। দুয়ো সন্মুখলৈ চালে। অদূৰত কোনোবা নাৱৰীয়াই ভাটী-য়ালী গীত জুৰিছে।

: নামি আহা শংকৰ দাদা—মণিয়ে ক'লে।

: এতিয়া তোমালোকে কি কৰিবা?—শংকৰে সুধিলে।

: স্ফুৰ্ত্তি কৰিম, গাম, তাৰপিছত খোৱা কৰিম।—মণিয়ে হাঁহি মাৰি ক'লে।

: আৰু মই?—পুনৰ শংকৰে প্ৰশ্ন কৰিলে।

: আগতে তুমি গাড়ীৰ পৰা নামি আহাচোন; তাৰপিছত কি কৰিব লাগে মই কম।

শংকৰ গাড়ীৰ পৰা নামিল।

এনেতে মনোজে হাতত বন্দুক এটালৈ শংকৰৰ ওচৰলৈ আহিল শংকৰে প্ৰশ্নবোধক দৃষ্টিৰে মনোজৰ হাতৰ বন্দুকটোলৈ চালে। : আহক, আমি আমাৰ নিচান পৰীক্ষা কৰোঁ।—মনোজে হাঁহি মাৰি ক'লে।

: নিচান?—শংকৰে মণিলৈ চালে।

: নিচান পৰীক্ষা কৰিব লগা হ'ল কিয়?—মণিয়ে মনোজক প্ৰশ্ন কৰিলে।

: তোমাক কেনৈ?—মনোজে পুনৰ হাঁহিলে।

: এইবিলাক মই ভাল নাপাওঁ মনোজ দাদা, শঙ্কৰ দাদা মোৰ আলহী। শঙ্কৰ দাদাক এনেকৈ অপমান কৰিবলৈ চেষ্টা কৰাৰ মানে কি মই বুজা নাই।—মণিয়ে খঙেৰে ক'লে।

: আৰে, তুমি এইবোৰ কি কৈছা মণি? আমি মাত্ৰ স্ফুৰ্ত্তিহে কৰিব খুজিছোঁ। আমাৰ তেনে কোনো নীচ মতলব নাই। কি কয় মিঃ শঙ্কৰ?

মনোজৰ কথাত শঙ্কৰে হাঁহিলে।

মণিয়ে শঙ্কৰলৈ চাই ৰ'ল।

: আপোনাৰ কিবা আপত্তি আছে নেকি?—মনোজে সুধিলে।

: মোৰ আপত্তি নাই। পিচে নিচানৰ বস্তু কি? পহু, বাঘ, চৰাই নে আন কিবা?

: ইয়াৰ এটাও নহয় — মনোজে উত্তৰ দিলে।

: তেন্তে এটা কাম কৰক। মোৰ মূৰত কিবা এটা বস্তু থওক, আপুনি গুলিয়াই পেলাওক আৰু আপোনাৰ মূৰৰ ওপৰত কিবা বস্তু থৈ মই গুলিয়াই পেলাওঁ।

শঙ্কৰৰ কথা শুনি মনোজৰ মুখ শুকাই গ'ল।

: কওক, ৰাজী আছে নে নাই?—শঙ্কৰে পুনৰ সুধিলে।

: ৰাজী মানে এনেকৈ দিগদাৰ আছে। কেনেবাকৈ যদি...।"

মনোজৰ কথা শেষ নৌহওঁতেই মণিয়ে মাত লগালে, "বাৰু হৈছে মনোজ দাদা, তোমাৰ নিচান কেনেকুৱা জনা গৈছে আৰু বেলেগ দেখুৱাবৰ আৱশ্যক নাই।"

মনোজৰ মুখ লাজত ক'লা পৰিল।

: এটা কাম যাওক, এটা সৰু শিলগুটি এডাল ৰচিৰ মূৰত বান্ধি মই সৌজোপা গছৰ ডালত ওলোমাই দিওঁ। আপোনালোক দুজনৰ ভিতৰত কোনে গুলিয়াই শিলগুটিটো পেলাবে পাৰে দেখা যাওক।'—হীৰেণ নামৰ এজনে ক'লে।

হীৰেণৰ কথাত আন সকলোৱে হয়ভৰ দিলে।

লগে লগে হীৰেণে সৰু শিলগুটি এটা ৰছী এডালৰ এমূৰত ওচৰৰ গছ এজোপাৰ ডালত ওলোমাই দিলে।

মনোজে শঙ্কৰলৈ চাই সুধিলে, "পাৰিবা?"

শঙ্কৰে হঁাহিলে মাথোন।

মণিয়ে ক'লে "মনোজদাই আগতে মাৰক, তাৰ পিছত শঙ্কৰ দা। মনোজে একো নকৈ শিলগুটিটোৰ ফালে বন্দুক টোৱালে।

কেইটামান মুহূৰ্তৰ পিছতে বন্দুকে গৰজি উঠিল, 'গুৰুম্'।

লগে লগে সকলোৱে হাত চাপৰি বজাই চিঞৰি উঠিল। ৰছীডালত শিলগুটিৰ চিন চাবেই নাই।

মনোজে শংকৰলৈ চাই এক গৌৰৱৰ হাঁহি মাৰিলে।

শংকৰ মৌন। মুখত কোনো ধৰণৰ অভিব্যক্তিয়েই পৰিলক্ষিত নহ'ল।

এইবাৰ মনোজে নিজে গৈ ৰছীডালত আন এটা শিল বান্ধি দিলে।

"পাৰিবানে শঙ্কৰ দা ?" মণিয়ে শঙ্কৰক সুধিলে ।

"আচৰিত প্ৰশ্ন । তাতকৈ নুসুধিলা কিয় যে মই বন্দুক মাৰিব জানোনে নাজানো ।"

এনেতে মনোজ আহি শংকৰৰ হাতত নিজৰ বন্দুকটো দিলে । শঙ্কৰে বন্দুকটো ভালদৰে চাই এবাৰ গোটেই জাকৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিলে । আচৰিত ধৰণৰ লোক শংকৰ । কেতিয়া কণ্ঠ আৰু কেতিয়া তুষ্ট কোনেও শঙ্কৰৰ মুখ চাই কব নোৱাৰে । সকলোৰে মনত 'কি হব', কি কৰিব' ভাৱেৰে শংকৰৰ ফালে চাই ৰ'ল ।

শংকৰে হাতত বন্দুকটোলৈ ধীৰ পদক্ষেপেৰে আগবাঢ়িল ওলমি থকা বহীভাজৰ ফালে । গছজোপাৰ ওচৰ পাই শংকৰে শিলগুটি-টোত ধৰি জোৰেৰে লৰাই দিলে । দেৱাল ঘড়ীৰ পেণ্ডুলামৰ দৰে শিলটো দুলিবলৈ ধৰিলে । শংকৰ লৰালৰিকৈ তাৰ পৰা উভতি আহি মনোজৰ ওচৰত থিয় হৈ বন্দুক টোৱালে । ট্ৰিগাৰ টনাৰ লগে লগে সশব্দে গুলিটো ওলাই গৈ দুলি থকা শিলটোত আঘাত কৰি কৰবাত ওফৰাই পেলালে । মণিয়ে আনন্দত চিঞৰি উঠিল । লগে লগে আনবোৰেও যোগ দিলে ।

শংকৰে বন্দুকটো মনোজৰ ফালে আগবঢ়াই দিলে । মনোজ শংকৰৰ হাতখনত দুই হাতেৰে সাবটি ধৰি ক'লে, : আপুনি সঁচাকৈয়ে ধন্য-বাদৰ পাত্ৰ । "

: আৰে দোস্ত, মিঃ শংকৰক তোৰ লগত যদি বিজ্ঞাৰ খুজিছ তই ভুল কৰিছ ।"—দীপকে মনোজক ক'লে ।

: ঠিক কৈছ তই । —দীপকৰ কথা সমৰ্থন কৰি ৰাজীৱে ক'লে, "মিঃ শংকৰ হৈছে অৰ্জুনৰ দেউতাক আৰু আমাৰ মনোজ হৈছে অৰ্জুনৰ পুতেক ।"

: ধেৎ, অৰ্জুনৰ দেউতাকৰ নিচান ভাল নাছিল নহয়, পুতেকৰো নাছিল । মাত্ৰ অৰ্জুনৰ ভাল নিচান আছিল । মিঃ শংকৰ যদি অৰ্জুনৰ দেউতাক হয় আৰু মনোজ যদি অৰ্জুনৰ পুতেক হয় তেন্তে অৰ্জুন কোন ?"—দীপকে সুধিলে ।

: অর্জুন মই।— ৰাজীৱৰ কথাত আটায়ে হাঁহিব ধৰিলে।

তাৰ পিছত সকলো নিজৰ নিজৰ কৰ্মত লাগি গ'ল। কোনোৱে বৰশী বৈ মাছ ধৰিবলৈ গ'ল। মনোজ আৰু দুজনমান সবাই আদি চিকাৰৰ কামুনে আঁতৰলৈ গ'ল। কোনোৱে এনেয়ে প্ৰাকৃতিক দৃশ্য উপভোগৰ বাবে আঁতৰি গ'ল। মণিয়ে শংকৰকলৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আগবাঢ়িল।

: বৰ ভাল লাগিছে ঠাইখন, নহয়নে শংকৰ দাদা?—মণিয়ে মাত লগালে।

: ও, ভাল লাগিছে।— শংকৰে ক'লে।

মণিয়ে জানে যে উপযাচি শংকৰে একো কথা নকয়। কিবা কলেও মাত্ৰ দুটামান কথাৰ ভিতৰতে কয়। মণিয়ে শংকৰৰ মুখলৈ এবাৰ চালে। কিযে এক অস্বাভাৱিক মুখ, গহীন-গম্ভীৰ শান্ত এহাল বুদ্ধিদীপ্ত চকু। মণিয়ে বুজিব নোৱাৰে।

এটা প্ৰকাণ্ড কাঠৰ টুকুৰা পাই শংকৰ বৈ গ'ল। ভৰিৰে কাঠ-টুকুৰা শংকৰে এনেয়ে গুৰিয়াই চালে।

: যোৱা বাৰিষাত পানীয়ে কঢ়িয়াই আনি ইয়াতে পেলাই থৈ গ'ল। হয়তো এইবাৰ বাৰিষাত আকৌ উটুৱাই নি কৰবাত পেলাবগৈ।— মণিয়ে ক'লে।

শংকৰে একো নকলে।

কাঠ টুকুৰাটোৰ ওপৰৰ পৰা আঁতৰি দুয়ো কিছুদূৰ আগবাঢ়ি এজোপা ডাঙৰ গছৰ তলত বহিল।

: বাৰু শংকৰ দা, তুমি নিৰ্জন ঠাই ভাল পোৱানে হুলস্থুলীয়া মানুহ দুনুহৰ অপূৰ্ব ব্যস্ততাৰ মাজত থাকি ভাল পোৱা? মণিয়ে প্ৰশ্ন কৰিলে।

: মই এনে নিৰ্জন ঠাইত থাকিব নোৱাৰোঁ। —শংকৰে উত্তৰ দিলে।

: তাৰ মানে তুমি চহৰ ভাল পোৱা? —মণিয়ে শংকৰৰ কথাত আনন্দিত হৈ পুনৰ প্ৰশ্ন কৰিলে।

: নাপাওঁ। —শংকৰে একে আষাৰে উত্তৰ দিলে।

মণিয়ে একো নুবুজি শংকৰৰ মুখলৈ চাই ৰ'ল।

: বুজিছা মণি, মই তোমালোকৰ লগৰ চহৰত একেডোকো থাকিব নোৱাৰিম। মানুহ বিলাকৰ অযথা চিঞৰ-বাখৰ, যান বাহনৰ হুলস্থুল, কল-কাৰখানাৰ কাণ তালমৰা শব্দ এই বিলাক দিনে ৰাতিয়ে মই যদি শুনি থাকিব লগীয়া হয়, তেন্তে মই হয়তো মৰি যাম। কিন্তু মই হুলস্থুল ভাল পাওঁ।"

মণিয়ে একো নুবুজিলে।

শংকৰে পুনৰ আৰম্ভ কৰিলে, : কেনেকুৱা হুলস্থুল জানা? ধৰা পুৱাৰ পৰা পখীজনীলৈকে চৰাই চিৰিকতিৰ বুজি নোপোৱা খিচিৰমিচিৰ শব্দ, কাণ তালমৰা হাতীৰ চিঞৰ, বাঘৰ গোজৰণি, বতাহত গছৰ হো হো শব্দ এইবোৰ মই সদায়ে শুনি থাকোঁ; তথাপি শুনিবৰ মন যায়।

: তুমি মানুহ ভাল নোপোৱা নেকি শংকৰ দাদা? জানা শংকৰ দাদা, মানুহতকৈ ডাঙৰ বস্তু একো নাই। মানুহক ভাল পোৱাটো এটি মহান ধৰ্ম।"

: ওহোঁ, মই নোৱাৰিম।"—শংকৰে ক'লে।

: কিয়?"—মণিয়ে আচৰিত হৈ প্ৰশ্ন কৰিলে।

: মানুহ জাতিটোৰ মন বিলাক বৰ জটিল। মোক দেউতাই কৈছে, বনত্ত কুৰা পশু-পক্ষীৰ দৰে মানুহবিলাক সহজ সৰল নহয় বোলে। মানুহ মাত্ৰেই স্বাৰ্থপৰ। ভোলা মোৰ সঙ্গী, মোৰ বন্ধু। এক নিস্বাৰ্থ বন্ধু। তাৰ সহজ সৰল মৰমৰ লগত মানুহৰ মৰমৰ তুলনা নহয়। ভোলাই মোক বহুত বিপদৰ পৰা বচাইছে; কিন্তু সি নাজানে যে সি মোৰ কিবা উপকাৰ কৰিছে।

: ভোলা এটা বনৰীয়া জন্তু আৰু তুমি হ'লা মানুহ। মানুহ আৰু জন্তুৰ মাজত কিবা মিল হব পাৰে নেকি শংকৰ দা?

মণিৰ কথা শুনি শংকৰে হাঁহি এটা মাৰি ক'লে, : মণি, তোমাক মই এই কথা আগতেই কৈছোঁ।

: কিন্তু শংকৰ দা, তুমি এদিন ঠগ খাবা।

: মিছা কথা, ভোলাই মোক নঠগে।—শংকৰে জোৰেৰে ক'লে।

: তুমি ভোলাৰ বাবে একেবাৰে অন্ধ হৈ পৰিছা। ভোলাই

তোমাক নঠগে এইটো ঠিক, কিন্তু তুমি নিজে ঠগ খাবা ।
শঙ্কৰে মণিৰ কথা বুজিব নোৱাৰিলে ।
এনেদৰে কিছু সময় কথা পতাৰ পিছত দুয়ো উঠিল ।

মণিয়ে জানে শঙ্কৰক উপদেশ দি লাভ নাই । উপদেশ শঙ্কৰে নুবুজে । এক আঁকোৰ গোজ স্বভাৱৰ লোক । যিটো কৰিব বুলি ভাবিব সেইটো নকৰালৈকে নেৰে । মুকলি মুৰীয়া শঙ্কৰে কাৰো অধীনত থাকিব নিবিচাৰে । বনে বনে উৰি ফুৰা সদায় সুখীয়া মুকলি মুৰীয়া পখীটিৰ দৰেই শঙ্কৰৰ মনটো উৰি ফুৰিব বিচাৰে । শঙ্কৰ বাঘৰ দৰে সাহসী, হাতীৰ দৰে শান্ত, পাহৰীৰ দৰে অৰ্কৰা, সাপৰ দৰে খঙাল, শিয়ালৰ দৰে বুধিয়ক । আজিৰ যুগৰ মানুহৰ দৰে শংকৰে গ্ৰহ নক্ষত্ৰৰ ৰহস্য উদঘাটনৰ হেতু মূৰ নঘমায়, ৰাজনীতিৰ বিষয়েও চিন্তা নকৰে, ক'ত কি বস্তু আবিষ্কাৰ হৈছে সেইয়াও জানিবলৈ ইচ্ছা নকৰে । শংকৰে এই যুগৰ মানুহৰ খোজে খোজে খোজ মিলাবলৈও চেষ্টা কৰা নাই । আড়ম্বৰহীন শংকৰৰ জীৱনটো আচৰিত সহজ সৰল ।

আবেলি পাঁচমান বাজিল । পিকনিকৰ দলটো ঘৰ অভিমুখে ৰওনা হ'ল । শংকৰৰ জীৱনত এনে অভিজ্ঞতা এয়ে প্ৰথম ।
মনোজে বাটত শংকৰক সুধিলে, : আপোনাৰ আজি দিনটো কেনে লাগিল, শংকৰ ?
: বেয়া লগা নাই ।— শংকৰে উত্তৰ দিলে ।
: আপোনাৰ কথাৰ সুৰত বুজিব পাৰিছো যে আপুনি বৰ ভালো পোৱা নাই । কিয় ভাল পোৱা নাই কব লাগিব ।— মনোজে পুনৰ ক'লে ।
: বুজিছে শংকৰ দা, আপোনাৰ জীৱনটোক অনেক ডাঙৰ কৰি উপভোগ কৰিবলৈ চেষ্টা কৰক, বন্ধ স'জাৰ পাখীৰ দৰে নাথাকিব ।
— জ্যোৎস্নাই ক'লে ।
: বন্ধ সজাঁৰ পখী ?— শংকৰ যেন আচৰিত হ'ল, : বন্ধ স'জাৰ পখী মই নহয় । মই যিখন পৃথিৱীত থাকো সেইখন বহুত বহল

বহুত ডাঙৰ।

"আমাৰখন পৃথিৱীও সৰু নহয়, শংকৰ। আমাৰখন পৃথিৱী উন্মাদ গতিত আগবাঢ়ি গৈছে, পিচলৈ চাবলৈ অৱকাশ নাই। আমাৰ ব্যস্ততা পূৰ্ণ পৃথিৱীৰ লগত আপোনাৰ সেই শান্ত, সহজ, সৰল পৃথিৱীৰ তুলনাই নহয়।"

শংকৰে নীৰৱে গাড়ী চলাই থাকিল। এটা সময়ত মণিহঁতৰ ঘৰৰ সন্মুখত শংকৰে গাড়ীখন ৰখাই দিলে। লগে লগে সকলো গাড়ীৰ পৰা নামিল। মণিয়ে গাড়ীৰ পৰা নামিয়েই শংকৰক উদ্দেশ্যি ক'লে, তুমিও নামা, শংকৰ দা।

: মই নানামো, বহুত দেৰি হৈ যাব। —শংকৰে ক'লে।

: কিয় ? তুমি নাথাকা ? —মণি যেন আচৰিত হ'ল।

: ওহোঁ, মই থাকিব নোৱাৰিম।

: এটা ৰাতি থাকি গ'লে কি হয় শংকৰ দা ?

: তোলাক কোনে চাব ? সি ছাগৈ এতিয়া কি কৰি আছে ?— শংকৰে ক'লে।

: খালি ভোলা-ভোলা আৰু ভোলা। তাক এৰি তুমি এনিশাও আমাৰ ঘৰত থাকিব নোৱাৰা ?— দুখ আৰু ক্ৰন্দন মিশ্ৰিত কণ্ঠেৰে মণিয়ে ক'লে।

: নোৱাৰোঁ। —এই বুলি শংকৰে পুনৰ গাড়ী ষ্টাৰ্ট কৰিলে।

: শংকৰ দা! মণি আচৰিত হৈ প'ল, : তুমি মোৰ এইখিনি কথাও ৰাখিব নোৱাৰা ?

: নোৱাৰোঁ মণি, ভোলা মোৰ বেছি মৰমৰ।

: শংকৰ দা!—মণিৰ মুখ খন কন্দনামুৱা হ'ল।

শংকৰে হাঁহি এটা মাৰি জীপখন চলাই দিলে।

: তোমাৰ শংকৰ দাদা মানুহ নহয় মণি, জন্তুৰ লগত থাকি থাকি নিজেও জান্তব হৈ গ'ল— জ্যোৎস্না মণিৰ ওচৰ চাপি ক'লে।

শংকৰৰ জীপ তেতিয়া বহুত দূৰত।

জীপখন গেৰেজত থৈ আহি শংকৰ ঘৰৰ বাৰান্দাত ভৰি দিছে

মাখোঁ এনেতে বামুৰে ভিতৰৰ পৰা লেম এটালৈ গুলাই আহিল।

শঙ্কৰে বামুলৈ চাই হাঁহি এটা মাৰি ক'লে, ঃ আহিলোঁ বামুকাই। ভোলা ক'ত?

ঃ আছে।—বামুৰে লাহেকৈ উত্তৰ দিলে।

ঃ কি হ'ল, তোমাৰ মনটো মৰা যেন দেখিছো? চাওঁ, লেমটো দিয়া চোন।—শঙ্কৰে বামুৰ ফালে হাতখন আগবঢ়ালে, ঃ জীউকাই ক'ত? শঙ্কৰে পুনৰ সুধিলে।

ঃ নাই।

ঃ নাই? ক'লৈ গ'ল? দেউতাৰ লগত হাবিলৈ গ'ল নেকি?

ঃ দেউতা ঘৰতে আছে।

ঃ তেন্তে জীউকাই ক'লৈ গ'ল?

ঃ শঙ্কৰ।—এনেতে ভিতৰৰ পৰা দেউতাকে শঙ্কৰক উদ্দেশ্যি মাতিলে।

ঃ গৈছো দেউতা।—এই বুলি শঙ্কৰ খৰধৰকৈ ভিতৰ পালেগৈ।

ভিতৰ কোঠাত শঙ্কৰৰ দেউতাক এখন চকীত বহি ধপাত খোৱাত ব্যস্ত। শঙ্কৰ গৈ দেউতাকৰ ওচৰত থিয় হ'ল। দেউতাকে শঙ্কৰৰ ফালে চাই সুধিলে, ঃ পিক্‌নিক খালা?

ঃ খালোঁ।

ঃ মণিহঁতৰ ঘৰত থাকিবলৈ জোৰ কৰা নাছিল।

ঃ কৰিছিল।

ঃ তেন্তে কিয় গুচি আহিলা?

ঃ ভোলাৰ কাৰণে।—শঙ্কৰে লাহেকৈ উত্তৰ দিলে।

ঃ ভোলাৰ কাৰণে?—শঙ্কৰৰ কথা শুনি শিৱ বৰুৱা যেন আচৰিত হ'ল।

দেউতাকৰ এনে আচহুৱা প্ৰশ্নত শঙ্কৰো আচৰিত হ'ল

ঃ ভোলাক কাইলৈ হাবিৰ মাজত এৰি থৈ আহিবা নহলে তুমি নিজে তাক গুলিয়াই শেষ কৰিবা।

ঃ দেউতা।—এক আচৰিত ভঙ্গীৰে শঙ্কৰে দেউতাকলৈ চালে।

প্ৰবল বেগেৰে প্ৰবাহিত জলখণ্ড প্ৰস্তৰ স্তূপত আঘাত পাই বিচ্ছিন্ন হৈ যোৱাৰ দৰে দেউতাকৰ তেনে কথাই শঙ্কৰৰ হাঁপয়ঁপনো যেন বিচ্ছিন্ন কৰি দিলে।

: শঙ্কৰ, তুমি এতিয়া যথেষ্ট ডাঙৰ। তুমি তোমাৰ নিজৰ বিবেকমতে চলিব পৰা হ'লা। এতেকে তোমাক মই বেছি কথা নকওঁ। আমাৰ জীৱন যাত্ৰা অগতানুগতিক। সাধাৰণ জীৱন যাত্ৰাতকৈ আমাৰ জীৱন যাত্ৰা অতি বিপদপূৰ্ণ, ভয়াবহ আৰু জটিল। সামান্য ভুলতে সকলো শেষ হৈ যায়। এতেকে আমি প্ৰতিটো খোজেই সতৰ্কভাৱে আগবঢ়াব লাগিব।"—এইবুলি শিৱৰকৰাই ধপাত খাবলৈ ধৰিলে।

শঙ্কৰে দেউতাকৰ কথা একো নুবুজি প্ৰশ্নবোধক দৃষ্টিৰে দেউতাকৰ মুখলৈ মাথো চাই ৰ'ল।

দেউতাকে পুনৰ আৰম্ভ কৰিলে, : সম্ভাবিত দুৰ্ঘটনা আগতেই সূচীত হয়। এতিয়া ভোলাৰ কথাই চোৱা। তুমি দিনে দিনে ভোলাৰ প্ৰতি এনেভাবে আকৃষ্ট হৈ পৰিছা যে ভোলাৰ বাহিৰে তুমি আন একো কথাই চিন্তা কৰিবলৈ চেষ্টা নকৰা। এয়া তুমি তোমাৰ জীৱনত এক মাৰাত্মক ভুল কৰি পেলাইছা। জন্তু, পক্ষী এইবোৰৰ প্ৰতি মৰমিয়াল হ'ব লাগে, কিন্তু এনেকৈ নহয়।

: কিন্তু দেউতা, ভোলাৰ কাৰণেই মই ইমান দিন বাচি থাকিব পাৰিছো: সিয়েইতো কেইবাবাৰো মোৰ প্ৰাণ বচাইছে। সিতো আমাৰ শত্ৰু নহয়।"—শঙ্কৰে মাত লগালে।

: ঠিক কথা ভোলা আমাৰ শত্ৰু নহয়, সি কিন্তু আমাৰ বন্ধুও নহয়। শত্ৰু আৰু বন্ধুৰ পাৰ্থক্য ভোলাই নুবুজে। আকাশৰ সূৰ্যটোলৈকে নোচোৱা কিয়? সূৰ্যৰ পৰা আমি আমাৰ জীৱন ধাৰণৰ শক্তি পাইছো। পৃথিৱীত বৰ্তি থাকিবলৈ সমৰ্থবান হৈছো একমাত্ৰ সূৰ্যটোৰ কাৰণে। সূৰ্য নহ'লে আমি জী থাকিব নোৱাৰোঁ। সেই কাৰণেই সূৰ্যৰ পোহৰ আমাৰ কাম্য—আমি ভাল পাওঁ। সেই বুলি সূৰ্যৰ পোহৰ বিচাৰি আমি সূৰ্যৰ ওচৰলৈ গ'লে কি হ'ম—চাৰখাৰ হৈ যাম দেখোন। ভালপোৱা বস্তুৰেও আমাক ধ্বংস কৰিব পাৰে। মোৰ হাতৰ এই হীৰাৰ আঙঠিটো অতি মৰমৰ, কিন্তু ইয়াক তো মই চুমা খাই মৰম কৰিব নোৱাৰোঁ। বনৰ জীৱ-জন্তু বিলাকক তুমি আঁতৰে আঁতৰে থাকি মৰম কৰিবলৈ চেষ্টা কৰা। চোৱা, আজি তোমাৰ ভোলাই কি কৰিলে?"

ঃ কি কৰিলে ?—কথাষাৰ শঙ্কৰে মুখেৰে প্ৰকাশ নকৰিলেও মনটোৱে জানিবৰ কাৰণে ব্যগ্ৰ হৈ পৰিল।

ঃ আজি ভোলাই দুপৰীয়া জীউৰামক বন বেয়াকৈ কামুৰিলে; এতিয়া সি চহৰৰ হস্পিতালত আছে। ডাক্তৰৰ মতে বচাৰ আশা নাই। জীউৰামৰ মৃত্যুৰ কাৰণে কিন্তু ভোলা দায়ী নহয়, দায়ী তুমি।

ঃ দেউতা।—শংকৰে অস্ফুট স্বৰেৰে মাতিলে।

ঃ মই আগতেই জানো এনে এটা ঘটনা এদিন ভোলাই সৃষ্টি কৰিব। কিন্তু এয়া মাত্ৰ কাহিনীৰ পাতনিহে। ভোলা হিংস্ৰ জন্তু। তাক তুমি বিশ্বাস কৰিব নোৱাৰা। আজি তুমি খাবলৈ দিছা কাৰণে সি তোমাক আজি একো অপকাৰ নকৰে; কিন্তু কাইলৈ যেতিয়া তুমি তাক দিব নোৱাৰিবা তেতিয়া সি জানো তোমাৰ মৰমৰ মূল্য বুজি পাব? এতিয়া তুমি ভোলাক জীয়াই ৰাখিবৰ কাৰণে মাহে কমেও দহ পোন্ধৰটা জন্তু বধ কৰিছা; সেইবোৰ জন্তুলৈ তোমাৰ মৰম নোপজে।

ঃ কিন্তু দেউতা, ভোলা বনত থাকিলেও তো আমি বধ কৰা জন্তু বোৰ সি নিজে বধ কৰিব।

ঃ কৰক। প্ৰকৃতিৰ জন্তুৰ ব্যৱস্থা প্ৰকৃতিয়ে নিজেই ঠিক কৰি ৰাখিছে। সিহঁতৰ খাদ্য যোগানৰ হেতু তোমাৰ বা মোৰ কোনো আৱশ্যক নাই।

কিন্তু দেউতা, মই ভোলাক এৰিব' নোৱাৰিম।—শংকৰে দৃঢ়তাৰে ক'লে।

ঃ শংকৰ, তই পাগল হৈ যোৱা নাইতো? কাইলৈ ময়ে তাক গুলিয়াই শেষ কৰিম। শিৱ বৰুৱাৰ খং উঠিল। জীৱনত প্ৰথম বাৰৰ কাৰণে শিৱ বৰুৱাই শংকৰক 'তই' উচ্চাৰণ কৰিলে।

ঃ দেউতা!—কোনো কাহানিও দেউতাকৰ পৰা টান মাত এষাৰ নুশুনা শঙ্কৰে দেউতাকৰ এনে আচৰণত চমকি উঠিল।

শিৱ বৰুৱাই পুনৰ একান্ত মনে ধপাত হুপিবলৈ ধৰিলে।

ঃ ভোলাক সবাৰ আগতে মোক মাৰি দিব।—শঙ্কৰে ক'লে।

ঃ শঙ্কৰ!—মুহূৰ্তৰ ভিতৰতে শিৱ বৰুৱা বহাৰ পৰা উঠিল আৰু ভীষণ জোৰেৰে শঙ্কৰৰ গালত এটা চৰ বহুৱাই দিলে।

ঃ তোৰ মুখৰ বিকৃতি ভালদৰেই ঘটিছে। এটা মানুহৰ জীৱনতকৈ

ভোলাৰ প্ৰতি তোৰ ইমান মমতা কিয় হ'ল ?—শিৱ বৰুৱাই পুনৰ ক'লে ।

শংকৰ তাত্, একেষেকো নৰ'ল । গোনে গোনে ওলাই গৈ ভোলা থকা পিঞ্জৰাটোৰ ওচৰ পাই শংকৰে পিঞ্জৰাৰ দুৱাৰ খন খুলি দিলে । ইমান সময়ৰ মূৰত ভোলাই শংকৰক দেখি শংকৰৰ গায়ে মূৰে আনন্দত জপিয়াবলৈ ধৰিলে ।

: ভোলা !"—শংকৰে মৰমতে ভোলাৰ ডিঙিত সাৱটি ধৰি উচুপিবলৈ ধৰিলে ।

: শংকৰ !"—শিৱ বৰুৱা আহি শংকৰৰ কান্ধত হাত থৈ মৰমেৰে মাত লগালে ।

শংকৰে তেতিয়াও উচুপি থাকিল ।

: শকংৰ, মই তোমাৰ ভালৰ কাৰণেই কৈছো । জীউৰামৰ অৱস্থা বৰ বেয়া । ডাক্তৰে কৈছে বচাৰ আশা কম । তুমি কাইলৈ পুৱাতে গৈ তাৰ খবৰ লৈ আহিবা ।

শংকৰে একো নমাতিলে ।

জীউৰাম সেই নিশাই হস্পিতালতে ঢুকাল । শিৱ বৰুৱাই জীউৰামৰ বাবে খুব কান্দিলে । শংকৰৰ কিন্তু কোনো পৰিবৰ্ত্তন নহ'ল । শংকৰ একেই থাকিল । অনেক চেষ্টা কৰিও শিৱ বৰুৱাই শংকৰক ভোলাৰ পৰা আঁতৰাব নোৱাৰিলে । শিৱ বৰুৱাই পুতেকৰ ওচৰত হাৰ মানিবলৈ বাধ্য হ'ল আৰু ভাগ্যৰ ওপৰতে সকলো এৰি দিলে ।

ছয়

ওচৰৰ হাবি ভৰাৰ পৰা কেইবাটাও ৰনকুকুৰাই একে লগে চিঞৰা শঙ্কৰৰ কাণত পৰিল। লৰালৰিকৈ শঙ্কৰ শোৱা পাটিৰ পৰা উঠিল। ভোলা তেতিয়াও শঙ্কৰৰ বিচনাৰ তলত গভীৰ টোপনিত। শঙ্কৰে এবাৰ ভোলালৈ চাই নিঃশব্দে দুৱাৰখন খুলি বাহিৰ ওলাল। হঠাৎ শঙ্কৰৰ মনত পৰিল চহৰৰ পৰা মণিহঁত অহাৰ কথা। শঙ্কৰে লৰালৰিকৈ মুখখন ধুই পাক ঘৰলৈ গ'ল। ৰামু নীৰৱে চাহ কৰাত ব্যস্ত।

: "ৰামুকাই!" —শঙ্কৰে মাত লগালে।

: "কোৱা।"—তলমূৰকৈ ৰামুৱে মাত লগালে।

: চাহ কৰিছা?

ৰামুৱে উত্তৰ নিদিলে। শঙ্কৰ ৰামুৰ ওচৰতে বহি ল'লে। জীউৰামৰ মৃত্যুৰ পিছৰ পৰা ৰামুৰ আগৰ ধেমেলীয়া স্বভাৱটো নাই-কিয়া হৈ গ'ল। আজিকালি ৰামুৱে বৰ কম কথা কয় আৰু কিবা ভাবি থকাৰ দৰে গহীন ভাৱত থাকে।

: "দেউতা উঠিল নেকি?" – শঙ্কৰে পুনৰ ৰামুক সুধিলে।

: "কেতিয়াবাই উঠিল।"—ৰামুৱে উত্তৰ দিলে।

চাহ একাপ তৈয়াৰ কৰি ৰামুৱে শঙ্কৰৰ হাতত দিলে। এনেতে ভোলাই চিঞৰা কাণত পৰিল। চাহকাপটো ঠেকেচা মাৰি থৈ শঙ্কৰ একে লৰে বাহিৰ পালেহি। শঙ্কৰে কেতিয়াও নভবা নিচিন্তা এক আচহুৱা দৃশ্যৰ সন্মুখীন হৈ বৈ গ'ল। দৃশ্য দেখি শঙ্কৰ অবাক। এডাল দীঘল চাবুক লৈ শিৱ বৰুৱাই ভোলাক উধাই মুধাই কোবাইছে আৰু ভোলাই চিঞৰি চিঞৰি কোঠাটোৰ ইমূৰৰ পৰা সিমূৰলৈ চিঞৰি ফুৰিছে।

শঙ্কৰ কোঠাটোত সোমোৱাৰ লগে লগে শিৱবৰুৱা বৈ গ'ল আৰু চিঞৰি উঠিল, লৈ যা ইয়াক, মোৰ ওচৰৰ পৰা।

ভোলাই শঙ্কৰক দেখা পোৱাৰ লগে লগে পৰিত্ৰাণৰ উপায় বিচাৰি শঙ্কৰৰ ওচৰ চাপি ভয়ত কোঁপাবলৈ ধৰিলে।

: এই পুৱাতে ইয়াক এনেদৰে কিয় কোবাইছে? —শঙ্কৰে দেউতাকক প্ৰশ্ন কৰিলে।

: অকল কোবোৱাই নহয়, আৰু কিবা কৰিম। —খঙত শিৱ বৰুৱাই ক'লে।

: কিন্তু ইতো............।

শঙ্কৰে কবলৈ নৌ পাওঁতেই শিৱবৰুৱাই বাঘে গোজৰাদি গুজৰি উঠিল,

: শঙ্কৰ, মই এতিয়া তোৰ পৰা বক্তৃতা শুনিব নোখোজোঁ। এই মুহূৰ্তে তাক লৈ মোৰ কোঠাৰ পৰা আঁতৰি যা। —এইবুলি শিৱ বৰুৱাই ভোলাই পেলোৱা গাখীৰৰ গিলাচটোৰ ভঙা কাঁচবোৰ মজিয়াৰ পৰা উঠাব ধৰিলে।

: সাধাৰণ নিমাত জন্তু এটাক এনেদৰে আঘাত কৰি আপুনি কোনো মানৱতাৰ কাম কৰা নাই, দেউতা। —কথাখিনি কৈ শঙ্কৰ ওলাই যাব খুজিলে।

কথাষাৰ শিৱ বৰুৱাৰ কাণত পৰাৰ লগে লগে কাঁচবোৰ বুটলিবলৈ এৰি হাতত চাবুকডাল পুনৰ তুলি ল'লে আৰু লগে লগে পিচফালৰ পৰা গাৰ সমস্ত জোৰ দি শঙ্কৰৰ পিঠিত আঘাত কৰিলে। শঙ্কৰ বৈ গ'ল, কিন্তু দেউতাকলৈ ঘূৰি নাচালে। এটাৰ পিছত এটাকৈ কেইটাও কোব পৰিল শঙ্কৰৰ পিঠিত। শঙ্কৰ নিৰ্বিকাৰ। অৱশেষত চাবুকডাল শঙ্কৰৰ ফালে দলিয়াই দি জোৰেৰে কোঠাৰ দুৱাৰ খন বন্ধ কৰি দি খং আৰু দুখত কঁপিব ধৰিলে।

শঙ্কৰ লাহে লাহে তাৰ পৰা ওলাই গ'ল বাহিৰলৈ।

: কি হ'ল শঙ্কৰ? —ৰামুৱে পিছফালৰ পৰা মাত লগালে।

শঙ্কৰে উভতি চালে।

: আৰে, তোমাৰ গাত এইবোৰ কি হ'ল? —শঙ্কৰৰ গাত তেজ বিৰিঙি উঠা চাবুকৰ দাগবোৰ দেখি ৰামু চমকি উঠিল।

: একো হোৱা নাই। মোৰ বন্দুকটো লৈ আনা।—শঙ্কৰে গোঙোৱা মুখেৰে উত্তৰ দিলে।

: তোমাক দেউতাই......।"

: বামু।-শঙ্কৰে গৰজি উঠিল, : মই তোমাক কৈছো বন্দুকটো আনিবলৈ।

বামুৱে কোনো কথা নকৈ বন্দুকটো আনি শঙ্কৰৰ হাতত দিলে। শঙ্কৰ বন্দুকটো লৈয়েই ভোলাৰ সৈতে হাবিৰ ফালে আগবাঢ়িল।

এডোখৰ নির্জন ঠাইত শঙ্কৰ ৰ'ল। কিছু আঁতৰত ভোলা। শঙ্কৰে ভোলালৈ চালে। সি আনফালে কিবা চোৱাত ব্যস্ত। শঙ্কৰৰ চকুৰেদি দুধাৰি লোতক বৈ আহিল। ওচৰৰে গছ এজোপাত শংকৰ আউজি ৰ'ল।

: ভোলা।—শংকৰে লাহেকৈ মাতিলে।

ভোলাই শংকৰলৈ চাই পুনৰ আনফালে চকু ঘুৰালে।

: ভোলা, আজি মই তোক হত্যা কৰিম। তই মোক ক্ষমা কৰিবি ভোলা। বন্ধুত্বৰ প্ৰতিদান মই তোক মৃত্যুৰ বাহিৰে একোকে দিব নোৱাৰিলোঁ। মানুহ কি বস্তু তই বুজিব নোৱাৰিবি। এটা কথা শিকি ল ভোলা, মানুহ তহঁতৰ দৰে হিংস্ৰ জন্তুতকৈ বেচি হিংস্ৰ, বেচি ভয়াবহ।

ভোলাই শংকৰলৈ চাই এটা গোজৰণি মাৰিলে।

শংকৰে বন্দুক টোঁৱালে ভোলাৰ প্ৰতি। ট্ৰিগাৰত হাত দিয়াৰ লগে লগে শংকৰৰ হাত কঁপিবলৈ ধৰিলে। কিয় কঁপিছে শংকৰে নিজেই ক'ব নোৱাৰিলে। বন্দুকৰ ট্ৰিগাৰটো টনাৰো শক্তিখিনি যেন শংকৰৰ নাই।

ভোলাই এক করুণ চাৱনিৰে শংকৰলৈ চাই ৰ'ল। শংকৰে নোৱাৰিলে। বন্দুক নমাবলৈ শংকৰ বাধ্য হ'ল। ভোলা এখোজ-দুখোজকৈ আগবাঢ়ি আহি শংকৰৰ ভৰি দুটাত পৰি লেন পেনাবলৈ ধৰিলে।

: ভোলা।—শংকৰে ভোলাৰ ডিঙিত সাবটি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে।

কিছুপৰৰ পিছত শংকৰ ঘৰলৈ উলটিল। আঁতৰৰ পৰাই

দুখন জীপ শংকৰে পদূলি মুখত লৈছিলে। গাড়ী দেখিয়েই শঙ্কৰে মণিহঁত আহিছে বুলি ধৰি ল'লে।

ঘৰ সোমাই শংকৰে দেখে যে ভেকা গাভৰুৰ এটা দল আগ-ফালৰ কোঠাটোত বহি আছে। মণি, ৰাজীৱ, মনোজ, জ্যোৎস্না দীপক, মৰমী আৰু বহুতো।

: শংকৰ দা।— মণিয়ে শংকৰক দেখা পোৱাৰ লগে লগে চিঞৰি উঠিল।

: গুড্ মৰ্ণিং মিঃ শংকৰ।— মনোজেও লগে লগে চিঞৰিলে।

: বাপৰে বাপ্, এইডাল লগত কিহে; কামুৰিব নেকি?—আন এজনে ভোলাক দেখি ভয় খালে।

: মানুহৰ গালৈ জপিওৱাৰ অভ্যাস নাইতো।—দীপকে ভয়তে ভৰিহাল চকীৰ ওপৰত উঠাই দি সুধিলে।

: কি নাম ইয়াৰ শংকৰ দাদা?— মৰমীয়ে সুধিলে।

: ন [illegible] দেখি। আমিও এনে এটা বাঘ পুহিব পৰা হলে।— জ্যোৎস্নাই মাত লগালে।

শংকৰে কাক কি উত্তৰ দিব ভাবিয়ে নাপালে। মাথো এবাৰ ইফালে এবাৰ সিফালে চাই হাঁহিব ধৰিলে।

: আপুনি সাংকেতিক জন্তু এটা বশ কৰি পেলাইছে। ইয়াৰ নাম ভোলা নহয় জানো?— মনোজে সুধিলে।

: হয়।— শংকৰে মূৰ দুপিয়াই ক'লে।

এনেতে শংকৰৰ দেউতাক শিৱ বৰুৱা কোঠাটোলৈ অহাত শংকৰ ভোলাৰ সৈতে ভিতৰলৈ সোমাই গ'ল।

শিৱ বৰুৱাক দেখি সকলোৱে বহাৰ পৰা উঠি নমস্কাৰ জনালে।

: বহা মইনাহঁত। তোমালোকৰ কথা মোক শঙ্কৰে কৈছিয়াবাই কৈছিল। এই বুলি শিৱ বৰুৱা চকী এখনত বহিল। লগে লগে আনবোৰো বহিল।

: তোমাৰ দেউতাৰাৰ খবৰ কি, মণি?— মণিক উদ্দেশ্যি শিৱ বৰুৱাই সুধিলে।

: বৰ্ত্তমান ভালেই ।—মণিয়ে উত্তৰ দিলে ।

: তোমালোকৰ প্ৰত্যেকৰে ঘৰ চহৰতে নেকি ?

: হয় ।—শিৱ বৰুৱাৰ প্ৰশ্নত সকলোৱে একেস্বৰে উত্তৰ দিলে ।

শিৱ বৰুৱাই প্ৰত্যেকৰে মুখলৈ এবাৰ চাই সকলোকে উদ্দেশি ক'লে : তোমালোকৰ সৎ উদ্দেশ্যত মই বৰ আনন্দিত হৈছো । আজি-লৈকে এইখন বননিৰ মাজত বাহিৰৰ কোনোৱেই আহি ভুমুকি মৰা নাই । কাৰোবাৰ ইচ্ছা থাকিলেও নাহে । সেই কাৰণেই তোমা-লোকৰ সাহস দেখি মই বৰ ভাল পাইছো । পিচে এটা কথা মনত ৰাখিবা, তোমালোকৰ হয়তো হাবি—বনত ঘূৰাৰ অভিজ্ঞতা আছে, কিন্তু সেইবোৰ হাবিতকৈ এইখন হাবি বহুত বেলেগ । প্ৰতি খোজে খোজে বিপদ । এতিয়াও বহুতো লোকে এইখন হাবি ভূত-প্ৰেতৰ বাসস্থান বুলি বিশ্বাস কৰে । অৱশ্যে ভূত-প্ৰেত এইখন হাবিত নাই ; তাৰ ঠাইত পাবা অসংখ্য হিংস্ৰ বনৰীয়া জীৱ-জন্তু ।

: আমাৰ সাহৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে খুৰাদেউ, তদু-পৰি শঙ্কৰ আমাৰ লগত থাকিব যেতিয়া আমি এই বিষয়ে অলপো চিন্তাই কৰা নাই ।—মনোজে ক'লে ।

: কিন্তু আজি দিনটোৰ ভিতৰত তোমালোকেতো গোটেই হাবিখন ঘূৰি শেষ কৰিব নোৱাৰিবা ।

: আমি দুদিন হাতত লৈ আহিছো, লগতে সকলো যাৱতীয় যা-জোগাৰো লৈ আহিছো । —আন এজনে ক'লে ।

এনেতে ৰাজীৱে মাত লগালে, : বাক খুৰা, আপোনালোকে যিটো বাঘ পুহিছে, সি দিগদাৰ নকৰে নে ?

: নকৰা বোপা, আমি এইটো বাঘ পোহা নাই ; আমাৰ কাৰণে ই এটা অভিশাপ । এদিন এই পৰিয়ালটো ছাৰখাৰ হৈ যাব । সিদিনা শঙ্কৰ তোমালোকৰ লগত পিকনিক খাবলৈ গৈছিল । সেই দিনাই এই বাঘটোৱে মোৰ পুৰণি লগুৱা জীউৰামক কামুৰিলে ।

: বৰ দেউতা !—মণি উচপ খাই উঠিল, : জীউকাই এতিয়া ক'ত বৰ দেউতা ? মণিয়ে উৎকণ্ঠাৰে প্ৰশ্ন কৰিলে ।

এক অদ্ভুত দৃষ্টিৰে শিৱ বৰুৱাই মণিলৈ চালে।

এনে কৰুণ চাৱনি মণিয়ে সহ্য কৰিব নোৱাৰে। মণিয়ে যেন শিৱ বৰুৱাক কৰসাত আঘাত দিছে, এনে লাগিল।

: জীউৰাম সেই নিশাই হস্পিতালত ঢুকাল।—সংযত কণ্ঠেৰে শিৱ বৰুৱাই ক'লে।

কথামাৰ শুনাৰ লগে লগে সকলো গহীন হৈ পৰিল।

মণিও নীৰৱ নিশ্চল।

শিৱ বৰুৱাৰ দৃষ্টি তেতিয়া দূৰত নিবদ্ধ। অন্তৰত অনেক ভাৱৰ খেলিমেলি।

: বাঘটো তেতিয়াহলে মাৰি পেলোৱা উচিত। —হঠাৎ ৰাজীৱে মন্তব্য দিলে। শিৱ বৰুৱাই দৃষ্টি ঘূৰালে ৰাজীৱলৈ। আটাইবোৰে শিৱ বৰুৱালৈ চাই ৰ'ল।

: তুমি ঠিক কৈছা বোপা, বাঘটো মাৰি পেলোৱা উচিত। কিন্তু বাঘটো নোৱাৰো মাৰিব'। শঙ্কৰৰ পৰাই নোৱাৰো। সি বাঘটো লৈ পাগল। মোৰ সপোন সপোন হৈয়ে ৰ'ল। বাস্তৱত ৰূপায়িত কৰাৰ অনেক চেষ্টা কৰি অৱশেষত হাৰ মানিবলৈ বাধ্য হলো। মোৰ ইচ্ছা আছিল শঙ্কৰক বন-জীৱ-জন্তু সম্পৰ্কত পাৰ্গত কৰি তোলাৰ। কিন্তু মই নোৱাৰিলোঁ। সি এটা জন্তুহে হ'ল। দোষী অৱশ্যে মঞে।—এনেতে শঙ্কৰ সোমাই অহাত শিৱ বৰুৱাৰ কথা বন্ধ হ'ল।

: শঙ্কৰ, এওঁলোকক চাহ আদি দিয়া।—শিৱ বৰুৱাই শঙ্কৰক উদ্দেশি ক'লে।

: মই পাকঘৰত সকলো ঠিক কৰি থৈ আহিছো। আপোনালোক আহকচোন।—শঙ্কৰে মনোজ হঁতক উদ্দেশি ক'লে।

: যোৱা, মইনাহঁত।- শিৱ বৰুৱাই ক'লে।

সকলো ভিতৰলৈ গ'ল।

ঠিক দহমান বজাৰ লগে লগে মনোজ হঁতৰ দলটোৱে বন যাত্ৰা আৰম্ভ কৰিলে। শঙ্কৰ দলটোৰ পাৰদৰ্শক। লগত থাকিল ভোলা।

• সকলোৰে মন আনন্দৰে ভৰা। হাঁহি স্ফুৰ্তিৰ সীমা নাই। ঠিক যেন একাক বন ফৰিং। নেদেখা বস্তু দেখা পোৱাৰ আনন্দত আটাৰে বলিয়া।

শংকৰৰ চকুত্তো কিবা এক অনাবিল আনন্দ। নিজে লেখাৰ কোনো সাৰ্থকতা নাথাকিলেও লোকক দেখুৱাই আত্ম সন্তুষ্টি লাভ কৰিব পাৰিব।

: সাপ আৰু বিষাক্ত পোক পৰুৱা সাৱধানে খোজ কাঢ়িব।—শংকৰে সকলোকে সাৱধানে কৰি দিলে।

দলটোৰ একেবাৰে আগত যোৱা জ্যোৎস্না আৰু মৰমী বৈ গ'ল।

: কি হ'ল?—দীপকে প্ৰশ্ন কৰিলে।

: আমি তেন্তে আগত নাযাওঁ, তোমালোকে যোৱা।—

মৰমীৰ কথাত সকলোৱে হাঁহিব ধৰিলে

শঙ্কৰ আৰু ভোলা দলটোৰ আগে আগে গ'ল। ভোলাৰ স্ফুৰ্তি আটাইতকৈ বেচি। হাবিত ঘূৰিবলৈ পালে তাক আৰু একো নালাগে। প্ৰকৃতিৰ উন্মুক্ত আকাশৰ তলত, উন্মুক্ত ধৰাৰ বুকুত, উন্মুক্ত বায়ু সেৱন কৰি জীৱন ধাৰণ কৰা প্ৰাণীয়ে সাপৰ সজাঁৰ মাজত আৱদ্ধ থাকি সোণ ৰূপৰ পাত্ৰত অমৃত খাবলৈ সুবিধা পালেও সেয়া সি কেতিয়াও নিবিচাৰে।

কিছুদূৰ যোৱাৰ পিছত জ্যোৎস্নাই মাত লগালে, "ক'ত এতিয়ালৈকেতো একো জন্তুৱেই চকুত পৰা নাই।

শংকৰে জ্যোৎস্নাৰ কথা শুনি হাঁহিলে।

:দেখা নাই বৰ ভাল কথা, দেখা হলে তোমালোকৰ অৱস্থা কি হব মই কল্পনাই কৰিব নোৱাৰো।—মনোজে ক'লে।

: সদায় বিল্ডিং-মটৰ-মানুহৰ হুলস্থুলৰ মাজত ঘূৰি ফুৰা মানুহ আমি। এই নিৰ্জন অৰণ্যৰ মাজত ঘূৰি কেনেকুৱা লাগিছে বাৰু?—দীপকে সুধিলে।

: তোৰ মুখেদি কবিতা ওলাব খুজিছে নেকি?—বীৰেণে ঠাট্টা কৰি সুধিলে।

: হয় ভাই, 'বিহগী কবি' হব নোৱাৰিলেও 'জংঘলী কবি' উপাধি লব পাৰিলোহেঁতেন।—দীপকে পুনৰ ক'লে।

কিছুদূৰ যোৱাৰ পিছত আটায়ে গৈ ঘূৰপুৰি হাবিৰ আটাইতকৈ ডাঙৰ বিলখনৰ পাৰত গৈ উপস্থিত হ'ল। বিলখনৰ নাম

বেলগুৰি। বিলখনৰ নামেৰেই হাবি খনৰ নাম।

: বাপৰে বাপ।—বিলৰ পাৰত, ওচৰৰ গছত, আকাশত, পানীত দেখিব নোৱাৰা বিভিন্ন চৰাইৰ জাক দেখি দীপক আচৰিত হ'ল। অকল দীপকেই নহয়; শংকৰৰ বাহিৰে আনবোৰো।

: এইবিলাক কি চৰাই ? —মনোজে সুধিলে।

: বেছি ভাগেই ধেৰা ইংৰাজীত pelican বুলি কয়। তদুপৰি কাম, সাৰেং, বৰটোকোলা, মাছৰোকা, ডুবিক, পানী কাউৰী ইত্যাদি বহুত চৰাই আছে।—শঙ্কৰে ক'লে।

মনোজ আৰু ৰাজীৱে নিজৰ নিজৰ কেমেৰাৰে চৰাইবিলাকৰ ফটো ল'লে।

: ইমান চৰাই মই জীৱনতে দেখা নাই।—এলিজাই মাত লগালে।

: আমিনো ক'ত দেখিছো ?—জ্যোৎস্নাই ক'লে।

কিছু আঁতৰত অকলসৰে জুপুকা মাৰি বহি থকা তিনিফুটমান ওখ চৰাই এটাৰ ফটো লব খুজি মনোজে শংকৰক সুধিলে, শংকৰ, এইটো কি চৰাই ?

: আজান চৰাই।

: আজান চৰাই ? সাজ পাৰি কৈছেনে সঁচাই কৈছে ?—মনোজে সন্দেহৰ সুৰত সুধিলে।

: বিশ্বাস নকৰিবৰ পাৰে। ইয়াৰ ইংৰাজী নাম 'ইণ্ডিয়ান ডাৰ্টাৰ' (Indian darter)। ইহঁত পানীৰ কাষৰ পৰা আঁতৰ নহয়। আন চৰাইতকৈ ইহঁতৰ ডিঙিটো দীঘল। সাপৰ দৰে।

: ডিঙিৰ ত- ভাগ বগা হৰলা।—ৰাজীৱে মাত লগালে।

: হয় এনেয়ে গোটেই চৰাইটো ক'লা।—শঙ্কৰ।

এনেতে নতুনকৈ এজাক চৰাই উৰি আহি বিলৰ সিটো পাৰে পৰিল।

: সেইজাক কি চৰাই ?—মণিয়ে চৰাই জাকলৈ আঙুলিয়াই সুধিলে।

: পানী কাউৰী-লেচাৰ কৰ্মৰেণ্ট (Lesser Cormorant)। শংকৰে ক'লে।

দলটো আগবাঢ়িল। গছৰ তলে তলে যাওঁতে অকস্মাৎ ওপৰৰ পৰা কিবা এটা মৰমীৰ গাত পৰাত মৰমী উচাপ্ খাই চিঞৰি উঠিল।

পিছৰত থকা দীপকক ক'লে, ঃ এ, এইডাল তোমাৰ গাত মাছৰ কাঁইট দেখোন।

সকলোৱে ওপৰলৈ চালে। এক জাতিৰ বহুত চৰাই গছজোপাৰ ডালত বহি থকা দেখা পালে। সকলোবোৰে মাছ খোৱাত ব্যস্ত।

ঃ এইবোৰ কি চৰাই ?— মনোজে পুনৰ শংকৰক সুধিলে।

ঃ এয়াও ধেৰা। ইহঁতৰ ঠোঁটত ফুটফুটীয়া দাগ আছে কাৰণে ইংৰাজীত 'স্পটেড্ বিল' (Spotted bill) বুলি কয়। আন এটা নাম হৈছে 'গ্ৰে পেলিকান' (grey pelican)। মাছ খোৱাত ইহঁত বৰ পাকৈত। জাকপাতি পানীৰ ওপৰে ওপৰে উৰি মাছ ধৰে। ইহঁত যি অঞ্চলত থাকে তালৈ মাছৰ গেলা গোন্ধত যাব নোৱাৰি।'

এনেকৈয়ে শংকৰে চৰাই বিলাকৰ একোটা চমু বিৱৰণ দি গ'ল।

দলটো ক্ৰমানে হাবিৰ মাজলৈ সোমাই গ'ল, হাবিও ক্ৰমে ঘন হৈ আহিল।

অটব্য অৰণ্য। সূৰ্যৰ ৰশ্মিয়ে সেই অৰণ্য ভেদ কৰি পৃথিৱী স্পৰ্শ কৰাৰ সাধ্য নাই।

ঃ বা, এয়া কি হাবি দেখিছো! আৰু' দীপক, তোৰ কবিতা কিন্তু ইয়াত গোট মাৰি যাব দেই।'— ৰাজীৱে মাত লগালে।

ঃ হেৰ' উশাহ লবলৈ সুৰুঙা আছেনে নাই ?— দীপকে পিছৰ পৰা প্ৰশ্ন কৰিলে।

ঃ তহঁতে হাবি দেখি পালেহে।'—মনোজে ঠাট্টা কৰি ক'লে।

ঃ থ, থ, তই যি হাবিত চিকাৰ কৰ জানো দে।— ৰাজীৱে মনোজক উদ্দেশ্যি ক'লে।

এনেতে কিবা এটা জন্তু আগেদি দৌৰি যোৱা আটায়ে দেখা পালে। সকলো থমকি ৰ'ল। চকুৰ পচাৰতে ভোলায়ো জন্তুটোৰ পিছে পিছে খেদি গ'ল।

ঃ এইটো হৰিণৰ দৰে কি দৌৰ মাৰিলে ?—ৰাজীৱে সুধিলে।

ঃ সেইটো হৰিণেই। ক'লা হৰিণ, ইংৰাজী black buck' — শংকৰে ক'লে।

:চকুৰ পচাৰতে কি গ'ল ভাকিবই নোৱাৰিলোঁ ।' বাক্নীয়ে পুনৰ ক'লে ।
:আংঘাতিক দৌৰিব পাৰে । তাক ধৰিবলৈ তোমাৰ সাধ্য নাই ।'
:এনে হৰিণ মই আঁজিহে দেখিলোঁ ।'—মনোজে মাত লগালে ।
:বলক ।—শঙ্কৰে দলটোক উদ্দেশি ক'লে ।
:আপোনাৰ বাঘটো ?

মনোজৰ কথাত শঙ্কৰে হাঁহি মাৰি ক'লে, 'তাক বিচৰাৰ আৱশ্যক নাই ;অলপ পিছত সি নিজে আহিব । নাহিলেও মই চিঞৰ মাৰিলেই জানি আহি মোৰ ওচৰ পাবহি ।'

শঙ্কৰ আগবাঢ়িল । পিছে পিচে মনোজ গ'ল ।

:আমি দুৰ্ভগীয়া । দীপকে ক'লে :আমাৰ এই সুজলা সুফলা সোণৰ অসমখনিৰ অনিন্দনীয় ৰূপ আমি উপভোগ কৰিব জনা নাই । আমি সঁচাই আই অসমীৰ এলাহৰাদু সন্তান । আমাৰ এইখন দেশতে কিমান জন্তু, কিমান পক্ষী, কিমান গছ-গছনি আছে অথচ আমি এইবোৰ চিনি নাপাওঁ । সাত সাগৰ তেৰ নদী পাৰ হৈ অহা ভ্ৰমণকাৰীয়ে এই মনোমোহা পশু-পক্ষীক লৈ সুন্দৰ সুন্দৰ প্ৰবন্ধ লিখিব, আমাকে চিনাকি কৰাব । হায় অসমীয়া ।''

:আমি এতিয়া দেখা চৰাইবোৰৰ ফটো কৰবাৰ আলোচনীত দেখা হ'লে সৰৱজাম্ভাৰ দৰে বিদেশী চৰাই বুলি মন্তব্য দিলোঁহেঁতেন । আমাৰ দেশৰ জীৱ-জন্তু –তাক লৈ চৰ্চ্চা-আলোচনা কৰে অন্য দেশৰ লোকে, আমাৰ খবৰেই নাই ।'—দীপকৰ কথা সমৰ্থন কৰি মনোজে ক'লে ।

'হুপ্ উ—হুপ্ উ——।'–এক আচৰিত ধৰণৰ মাত আটাইৰে কাণত পৰিল ।

মনোজহঁত ৰৈ গ'ল ।

সকলোৰে চকুত উৎকণ্ঠাৰ চিন ।

বিস্মিত কণ্ঠেৰে কৰুণা নামৰ এজনে প্ৰশ্ন কৰিলে, :কি বস্তু এইটো ?

সকলোৱে শঙ্কৰৰ মুখলৈ চালে ।

শঙ্কৰে হাঁহি মাৰি উত্তৰ দিলে, "এইখন হাবিত সোমালে এই

মাতটো শুনিবাই ।'

:এইটো হুলো বান্দৰৰ মাত যেন লাগিছে ।'—মনোজে ক'লে ।

:হয়, সেইটো হুলো বান্দৰ ।'

:ওচৰতে আছে নেকি ?'-এলিজাই সুধিলে ।

:নাই দূৰৈ পৰা মাতিছে ।-শঙ্কৰে ক'লে ।

লাহে লাহে বেলি ওপৰলৈ উঠি আহিল । কিন্তু হাবিৰ মাজত ঘড়ী নাচালে বেলি চাই সময় নিৰ্ণয় কৰিব নোৱাৰি ।

:কেইটা বাজিছে বাৰু এতিয়া ?'—কোনোবা এজনে সুধিলে ।

:বাৰ বাজি কেতিয়াবাই গ'ল । এক বাজিবলৈ কুৰি মিনিট বাকী ।'

কোনোবা এজনে ক'লে ।

:কিবা কিবি অলপ ইয়াতে খাই লওঁ, ভোক লাগিছে ।'—মণিয়ে কলে ।

সকলোৱে সন্মতি জনালে ।

শঙ্কৰে ক'লে, :ইয়াত নহয়, অলপ আগলৈ বলক । সৰু জুৰি এটা আছে, তাৰ পাৰতে সুবিধা হ'ব ।

সকলোৱে শঙ্কৰক অনুসৰণ কৰিলে ।

কিছুদূৰ যোৱাৰ পিছত এটা সৰু জুৰিৰ পাৰত গৈ আটায়ে উপস্থিত হ'ল । সুন্দৰ ঠাইখন । মনিটোৰ ভাল লাগিল ।

প্ৰকৃতিৰ অপৰূপ সৃষ্টি । জিৰ্ জিৰ্কৈ বৈ গৈছে জুৰিটো হাবিৰ তলে তলে । পানীও যথেষ্ট স্বচ্ছ । জুৰিটোৰ পাৰে পাৰে গগন বিহাৰী জীৱ সমূহ আবেগ ভৰা আনন্দত উন্মত্ত ।

:বাঃ ভগৱানৰ কি অপৰূপ সৃষ্টি ! -প্ৰকৃতিৰ ৰূপত দীপক তন্ময় হ'ল ।

আটায়ে জুৰিৰ পানীৰে মুখ হাত ধুই ল'লে । তাৰ পিছত সকলোৱে লগত অনা খাদ্য সম্ভাৰ উলিয়াই খাবলৈ বহিল ।

খোৱাৰ পিছত শঙ্কৰ বহাৰ পৰা উঠিল আৰু ভোলাক উদ্দেশি এবাৰ এটা দীঘলীয়া চিঞৰ মাৰিলে, 'ভো— —লা ।''

হাবিৰ মাজত গছে গছে ঠেকা খাই মাতটো পুনৰ প্ৰতিধ্বনিত হ'ল, 'ভো...লা ।'

শঙ্কৰ কেইখোজমান আগবাঢ়ি গ'ল ।

ঃভো...লা !'-শঙ্কৰে আৰু এবাৰ চিঞৰিলে ।

'হা—উ—ম্' ভোলাই কৰবাৰ পৰা প্ৰত্যুত্তৰ দিলে ।

ঃসেয়া বাঘৰ মাত !'-মনোজে ক'লে ।

ঃভোলাই মাতিছে । -শঙ্কৰে উত্তৰ দিলে ।

অলপ পিছতে কৰবাৰ পৰা ভোলা আহি শঙ্কৰৰ আগত উপস্থিত হ'ল । শঙ্কৰে ভোলাক মৰমতে সাবটি ধৰি তাৰ কপালত চুমা এটা খালে ।

এনেতে কিছু আঁতৰত কিবা এটা শব্দ হ'ল । 'মৰ্'-'মৰ্' শব্দ কৰি কিহবাই যেন গছ ভাঙিছে । শঙ্কৰ বহাৰ পৰা একে জাপে থিয় হ'ল । পুনৰ তেনে এটা শব্দ হ'ল ।

মনোজে হাতত বন্দুকটো লৈ চাৰিও ফালে এবাৰ চকু ফুৰালে ।

ঃকি ?-ভীতি বিহ্বল কণ্ঠেৰে সকলোৱে একেস্বৰে প্ৰশ্ন কৰিলে ।

ঃহাতীৰ জাক আহিছে ; এই মুহূৰ্ত্তে ইয়াৰ পৰা আঁতৰ হব লাগিব । -- শঙ্কৰে ক'লে ।

কেনি পলাব, কি কৰিব সকলোৱে বুদ্ধি হেৰাল ।

শঙ্কৰে বাট দেখুৱাই হাবিৰ মাজে মাজে দৌৰিবলৈ ধৰিলে । আনবোৰেও ততালিকে শঙ্কৰক অনুসৰণ কৰিলে ।

দহমিনিটমান একে লেঠাৰিয়ে দৌৰাৰ পিছত শঙ্কৰ এঠাইত ৰ'লগৈ । আটাইৰে মুখ ভয়ত শুকান ।

সকলোৱে ভয়াৰ্ত দৃষ্টিৰে শঙ্কৰলৈ চালে । এনে বিপদপূৰ্ণ অৱস্থাত শঙ্কৰেইহে যেন একমাত্ৰ আশ্ৰয়ৰ স্থল ।

ঘন ঘন উশাহ লৈ ৰাজীৱে সুধিলে, ঃ'হাতী এই ফালে নাহেতো ?'

ঃনাহে । —শঙ্কৰে ক'লে ঃসিহঁতে বোধ হয় জুৰিটোত গা ধুবলৈ আহিছে ।

মনিহঁতৰ মুখত তেতিয়ালৈকে কথা নাই ।

দৌৰি দৌৰি অৱস্থা কাহিল ।

ঃমণি !'-শঙ্কৰে হাঁহি মাৰি মাত লগালে ।

ঃআজি ইয়ানতে সাং কৰাই উচিত । এতিয়া যোৱাই মঙ্গল ।'—

এনিজনাই ক'লে।

:তোমালোক বৰ ডৰাতুৰা হাতীয়ে মানুহ খায় নেকি ?'—দীপকে ক'লে।

:হাতীয়ে তোমালোকক পালে মৰম কৰিব, আমি কিন্তু যাওঁ ভাই।—মণিয়ে ক'লে।

শঙ্কৰে হাঁহি দিলে।

:মিঃ শঙ্কৰ !'-ৰাজীৱে শঙ্কৰক উদ্দেশি মাতিলে।

শঙ্কৰে ৰাজীৱলৈ চালে।

:উভতি যাওঁ বলক।

:ভয় লাগিছে ?-শঙ্কৰে হাঁহি মাৰি সুধিলে।

:ভয় মোৰ লগা নাই। মণি, মৰমীহঁতৰ কথাহে চিন্তা কৰিছোঁ।

এওঁলোকে বৰ ভয় খাইছে।

:আপোনালোকৰ ইচ্ছা। —শঙ্কৰে ক'লে।

ভোলাৰ সৈতে শঙ্কৰ আগবাঢ়িল।

:আপোনাৰ খুৰা এজন হাবিৰ মাজত থাকে বুলি কৈছিল নহয়, তেখেত ক'ত থাকে ?'—মনোজে সুধিলে।

:হাবিখনৰ সিটো ফালে থাকে। ইয়াৰ পৰা যথেষ্ট দূৰ। যাব নেকি ?'-শঙ্কৰে প্ৰশ্ন কৰিলে।

'আজি নাযাওঁ। কাইলৈ যাম।'—ৰাজীৱে ক'লে।

কিছুদূৰ যোৱাৰ পিছত সৰু সৰু জোপোহা গছ বিলাকৰ মাজেৰে যোৱা সুৰ সুৰীয়া বাট এটা দেখি মনোজে ক'লে, :এই ফালেদি যাওঁ বলক।

:নাই, সেইফালে নাযাব। হয়তো বিপদত পৰিব পাৰে। -শঙ্কৰে ক'লে।

:কিয় ? এইটো কিবা জন্তু যোৱা বাট নেকি ? - ৰাজীৱে সুধিলে।

:এইটো গড় যোৱা বাট।

:তেন্তে হে বাট, তোমাক নমস্কাৰ।'—মনোজে বাটটোৰ প্ৰতি নমস্কাৰ জনালে।

হঠাৎ শঙ্কৰ বৈ গ'ল।

:কি হ'ল ?—কৌতূহল প্ৰকাশ কৰি মনোজে প্ৰশ্ন কৰিলে।

শংকৰে কোনো উত্তৰ নিদি গছ এজোপাৰ ওপৰ ফাললৈ চাই বন্দুক টোৱাঁলে।

"গুৰুম্"। বন্দুকে মুহূৰ্ততে গৰজি উঠিল।

লগে লগে বৃহৎ জালপহীয়া সাপ এটা গছজোপাৰ পৰা ধপ্‌কৈ মাটিত পৰি কেৰ্‌মেৰাবলৈ ধৰিলে।

:বাপ্‌ৰে বাপ্‌!—কোনোবা এটাই ক'লে।

:আপোনাৰ চকু দেখিছো ওপৰতো এজোৰ আছে।—মনোজে ক'লে।

:আৰে শংকৰৰ এই চকু, এই ভৰি, এই হাত ভগৱানে এনেকুৱা হাবিত ঘূৰিবৰ কাৰণেই সৃষ্টি কৰি দিছে।—পিছফালৰ পৰা কোনোবা এজনে ক'লে।

ভোলাই আগবাঢ়ি গৈ মৰা সাপটো আগ ঠেং দুটাৰে লুটিয়াই বগৰাই চালে।

:ভোলা!—শংকৰে মাতিলে।

পুনৰ ভোলাই শংকৰহঁতৰ পিচ ল'লে।

ডাঠ হাবি এৰি দলটো চাপৰ খেৰণি এডৰাৰ মাজেৰে আগবাঢ়িল।

বিৰাট শিঙেৰে কিছু আঁতৰত চৰি ফুৰা পহু এজাক দেখুৱাই বীৰেণে চিঞৰি উঠিল, :সৌ জাক্ পহু।

পহুৰ জাকটোৱে মানুহৰ উমান পায়েই সেই ঠাইৰ পৰা বিদ্যা-শকদে দৌৰ দিলে। প্ৰত্যেকটো পহুৱেই যেন একোটা পাখী লগোৱা কাঁড়হে। ভোলাই পিছ লব খোজা দেখি শংকৰে ধমকৰ সুৰত চিঞৰি উঠিল, :ভোলা।

ভোলা ৰৈ গ'ল।

:এই মূৰ্খকটোৱে চব পণ্ড কৰি দিলে। পহুজাক দেখি ইমান জোৰেৰে চিঞৰি দিব লাগেনে?—বীৰেণক উদ্দেশ্যি মনোজে ক'লে।

:হয় ভাই, নহ'লে আমি ভালদৰে চাব পাৰিলোহেঁতেন।—দীপকে মনোজৰ কথা সমৰ্থন কৰি ক'লে।

আবেলি পাঁচ মান বজাত মনোজহঁত গৈ শংকৰৰ ঘৰত উপস্থিত হ'ল। গোটেই দিনটো হাবিৰ মাজে মাজে ঘূৰি ফুৰি দলটো তেনেই শ্ৰান্ত ক্লান্ত হৈ আহি ঘৰ সোমোৱাৰ লগে লগে যেয়ে য'তে পাই ত'তে বহি পৰিল।

শিৱ বৰুৱা ভিতৰৰ পৰা ওলাই মনোজহঁতৰ অৱস্থা দেখি হাঁহি এটা মাৰি সুধিলে, "তোমালোক আহিলা ?

:হয়।

:নিশ্চয় গোটেই হাবিখন ফুৰা নহ'ল ?

:নাই, মাত্ৰ অলপ ঘূৰিয়েই এই অৱস্থা।—দীপকে ক'লে।

শিৱ বৰুৱাই হাঁহি এটা মাৰি ক'লে, :বাৰু, তোমালোকে এতিয়া গৈ মুখ হাত ধুই কিবাকিবি অলপ খোৱাগৈ।

[— x —]

সাত

অবাক হৈ গ'ল শিৱ বৰুৱা ।

বিপ্লৱ কাকতিৰ এনে প্ৰস্তাৱত শিৱ বৰুৱা অবাক নোহোৱাকৈ নোৱাৰিলে । সেই কাৰণেই বিপ্লৱ কাকতিৰ কথা শেষ হবলৈ নিদি শিৱ বৰুৱাই চমকি উঠাৰ দৰে ক'লে, "আপুনি এয়া কি কৈছে মিঃ কাকতি ? নিজে জানি শুনি এনে বিপদৰ মাজলৈ আগবাঢ়ি আহিব খুজিছে কিয় ? আপুনি বৰ ভুল কৰিছে, মিঃ কাকতি ।"

শিৱ বৰুৱাৰ কথাৰ উত্তৰত বিপ্লৱ কাকতিয়ে ক'লে, "মই ভুল কৰিব খোজা নাই বৰুৱা, মই ঠিকেই কৈছো । আপুনি মাত্ৰ মান্তি হওক ।"

নহয় কাকতি, মই ঠিকেই কৈছো; আপুনি মাত্ৰ মনিৰ জীৱনটো নষ্ট কৰিব খুজিছে । মনিৰ দৰে জ্ঞানী-গুণী ছোৱালী এজনীক মোৰ ল'ৰালৈ আপুনি বিয়া দিব খোজে ; শঙ্কৰৰ লগত মনি কেতিয়াও সুখী হব নোৱাৰিব । শঙ্কৰ এটা পশু; পশুৰ লগত মানুহৰ মিলন অসম্ভৱ ।"

"আপুনি এনে কথা কোৱা উচিত হোৱা নাই, বৰুৱা । এদিন আপুনিয়ে মোৰ আগত শঙ্কৰক প্ৰকৃত মানুহ স্বৰূপে গঢ়ি তোলাৰ কথা কৈছিল । কিন্তু আজি আপুনি শঙ্কৰক পশুবুলি আখ্যা দিলে কিয় ? মই নোৱাৰিলোঁ কাকতি, মই হাৰি গ'লো ।"—এক করুণ স্বৰেৰে শিৱ বৰুৱাই ক'লে ।

"শঙ্কৰক মই জানো । শঙ্কৰ সাহসী, বুধিয়ক, সবল আৰু চৰিত্ৰবান । কোনো হিংসা দ্বেষ, ভণ্ডামি আদি কুপ্ৰবৃত্তি তেওঁৰ অন্তৰত নাই ।"

"আপুনি মোক ভুল নুবুজিব কাকতি । শঙ্কৰৰ লগত মনিৰ বিয়া মই

কল্পনাই কৰিব নোৱাৰোঁ। আপুনি নেদেখিলেও মই শঙ্কৰৰ ভয়াবহ ভৱিষ্যত দেখিবলৈ সক্ষম হৈছোঁ।

: শঙ্কৰৰ বিয়া হবই লাগিব। আপুনি যদি ইচ্ছা কৰিছে, তেন্তে আপোনাৰ ছোৱালী মনিৰ লগতে সেই বিয়া হব।—ভিতৰৰ পৰা শিৱ বৰুৱাৰ ভায়েক নীলকণ্ঠ ওলাই আহি কলে।

শিৱ বৰুৱা আৰু বিপ্লৱ কাকতিয়ে নীলকণ্ঠৰ মুখলৈ চালে।

: শঙ্কৰৰ ভৱিষ্যত মঙ্গলৰ কাৰণেই বিয়া পাতি দিয়াটো উচিত।—নীলকণ্ঠই পুনৰ ক'লে।

: শঙ্কৰৰ যদি কিবা দোষ আছে তেন্তে মোৰ দৃঢ় বিশ্বাস যে মনিয়ে সেই দোষ আঁতৰাব পাৰিব। শঙ্কৰ যদি সঁচাকৈয়ে জাগুৱ মনিয়ে নিশ্চয় শঙ্কৰক মানুহ হবলৈ শিকাব পাৰিব।—এইবুলি বিপ্লৱ কাকতিয়ে শিৱ বৰুৱাৰ মুখলৈ চালে।

কিছু সময় নীৰৱে থকাৰ পিছত শিৱ বৰুৱাই ক'লে, : মোৰ কোনো আপত্তি নাই। মনিৰ দৰে বোৱাৰী পোৱাটো মোৰেই সৌভাগ্যৰ কথা। কিন্তু ভয় লাগে জানোচা...... ... ।

: দাদা, আপুনি অলপ বেছি ভাবিছে।—নীলকণ্ঠই ক'লে।

অৱশেষত শিৱ বৰুৱা মান্তি হ'ল।

হাঁহি মুখে নীলকণ্ঠ ওলাই গ'ল নিজৰ কামত।

অলপ পিছতে এহাতে বন্দুক আৰু আনহাতত কেইটামান মৰা বন কুকুৰা লৈ শঙ্কৰ কোঠাটোলৈ সোমাই আহিল। বিপ্লৱ কাকতিক দেখি শঙ্কৰ ক্ষন্তেক থমকি ৰ'ল।

: ক'ৰ পৰা আহিলা? একেবাৰে গৰমত ঘামি-জামি আহিছা দেখোন?—বিপ্লৱ কাকতিয়ে শঙ্কৰক সুধিলে।

হাবিলৈ গৈছিলোঁ।—হাঁহি এটা মাৰি শঙ্কৰে ক'লে।

এখোজ দুখোজকৈ শঙ্কৰ ভিতৰলৈ সোমাই গ'ল। পিচে পিচে ভোলা। শিৱ বৰুৱাই শঙ্কৰ যোৱাৰ ফালে চাই ক'লে, : দেখিছে কাকতি, গোটেই দিনটো ই ভোলাক লৈয়ে ব্যস্ত থাকে। ভোলাৰ কাৰণে সি বলিয়া। এই ভোলাৰ কাৰণে তাৰ জীৱনটো ধ্বংস হৈ

গ'ল। তোমা ম'হলে সি যেন একজেকো বাচি নাথাকিব। কাৰো কথাই শঙ্কৰে নামানে।

: বাঘটো কিবা এটা বুদ্ধি কৰি মাৰি পেলাওক।—বিপ্লব কাকতিয়ে ক'লে।

: ভাল কৈছে আপুনি, বাঘটো মৰাৰ আগতে তাক গুলিয়াই মাৰিব লাগিব। একেবাৰে আঁকোৰগোজ স্বভাৱৰ।

: প্ৰকৃতিৰ উন্মুক্ত পৰিবেশত লালিত-পালিত সকল হয় স্বভাৱ অজলা। তেওঁলোকে নিজৰ অহমিকা ভাৱ জীৱনৰ কোনো অৱস্থাতে এৰিব নোৱাৰে... ..... ।

: আৰু তাৰ বাবেই তেওঁলোকৰ জীৱন হয় কাৰুণ্যপূৰ্ণ।—এই বুলি শিৱ বৰুৱাই এটা শেঁতা হাঁহি মাৰিলে।

কিছু সময়ৰ পিছত বিপ্লৱ কাকতি গ'লগৈ।

শিৱ বৰুৱা একে ঠাইতে বহি থাকিল। অজ্ঞান আশঙ্কাৰে শিৱ বৰুৱাৰ মন ভৰা আৰু কিবা এক অন্তৰ্বেদনাত মন দগ্ধ। কিবা চিন্তা কৰি থকাৰ মাজতে কোঠাটোলৈ ৰামু সোমাই আহিল।

: ৰামু!—শিৱ বৰুৱাই মাত লগালে।

: দেউতা!

শংকৰ ক'ত?

: তোমাক গা ধুৱাইছে।

দীঘলীয়া হুমুনিয়াহ এটা কাঢ়ি শিৱ বৰুৱাই পুনৰ ক'লে, : ৰামু, শংকৰৰ সংসাৰ খন পাতি দিয়াৰ কথা ভাবিছোঁ। তই কি কৱ? ৰামুৱে শিৱ বৰুৱালৈ চালে।

: ৰামু, তই নিমাতে ৰলি যে?

: দেউতা, শংকৰৰ অহিত আমি কেতিয়াও নিচিন্তো। শংকৰৰ মঙ্গলৰ বাবে সদায় ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ। তথাপিও শংকৰৰ বিয়া পতা কথা শুনিলে অলপ ভয় লাগে দেউতা।

: কিয়, ৰামু?—শিৱ বৰুৱাৰ মুখখন মৰা মানুহৰ মুখৰ দৰে বিবৰ্ণ হৈ গ'ল।

: এইখন ঘৰলৈ বিজুলী জখিমী আহিব, সেই জখিমীৰ জীৱনটো অনাহকতে ধ্বংস হৈ যাব বুলি ভয় লাগে দেউতা। শংকৰৰ আওৰ-ভীয়া স্বভাব দিনে দিনে বাঢ়িছে গৈছে। শংকৰ মানুহ নহয় দেউতা, সি জন্তু হৈ গৈছে।

: তই ঠিকেই কৈছ বামু ; শংকৰ এটা জন্তু, ভোলাতকৈও হিংস্ৰ। তাৰ বিয়া পাতি দিয়াৰ ইচ্ছা মোৰো নাই। কিন্তু মই নিৰুপায়। বিপ্লৱ কাকতিৰ অনুৰোধ উপেক্ষা নকৰিলোঁ। এটা ক্ষীণ আশা অন্তৰত ৰাখিছোঁ, জানোচা মণিয়ে শংকৰৰ মন ঘূৰাব পাৰে।

: কিন্তু শংকৰে বিয়া, প্ৰেম, পত্নী, স্নেহ এইবোৰ জানো বুজি পায় দেউতা ? —বামুৱে চকুলো টুকি ক'লে।

কিছু সময় নীৰৱে থকাৰ অন্তত শিৱ বৰুৱাই ক'লে, : মোৰ হাতৰ চাবুক যিদিনাই শংকৰৰ পিঠিত উঠিছিল, সেইদিনাই মই ধৰি লৈছিলোঁ যে মোৰ শংকৰৰ মৃত্যু হ'ল। মই বৰ ডাঙৰ ভুল কৰিলো। বিপ্লৱ কাকতিয়ে এদিন মোক ঠিকেই কৈছিল। শংকৰে মোৰ পৰা একোৱেই নিশিকিলে। বহুত শিকাইছিলোঁ তাক। মানুহক ভাল পাবলৈ নিশিকিলে সি। ভোলাই তাক অন্ধ কৰি দিলে।

ঈশ্বৰ আছে যদি এদিন ভোলায়ে তাৰ চকু মেলাব।— বামুৱে ক'লে।

× × ×

শংকৰৰ বিয়াৰ দিন পালেহি।

কন্যা হ'ল মনি। ডাঃ কাকতিৰ একমাত্ৰ কন্যা মনি। যি গতানু-গতিক জীৱনৰ মোহ এৰি সম্পূৰ্ণ এক অনভিজ্ঞ সংসাৰৰ মাজলৈ আহিব খুজিছে। মনিয়ে জানে শংকৰৰ কথা। যি মানুহৰ সংস্পৰ্শ ভাল নাপায়। সদায় মানুহৰ পৰা আঁতৰে আঁতৰে থাকিব বিচৰা শংকৰক মনিয়ে গোটেই জীৱনৰ বাবে সাদৰি লব খুজিছে। মনিৰ কাৰণে ই এক ডাঙৰ অগ্নি পৰীক্ষা। মনি নিশ্চিত যে এই অগ্নি পৰীক্ষাত মনি জয়ী হবই। শংকৰক সেই বিকৃত পথৰ পৰা ওভোতাই আনিবই। মনি দৃঢ় প্ৰতিজ্ঞ।

শিৱ বৰুৱা আৰু বামুৰ আনন্দৰ পাৰ নাই। শিৱ বৰুৱাৰ মনত এক ক্ষীণ আশা আছে হয়তো বিয়াৰ পিছত শঙ্কৰ সলনি হৈ যাব পাৰে। প্ৰকৃতি ৰাজ্যতো যৌবনদৃপ্ত ঋতুৰাজৰ পূৰ্ণ পয়োভৰ। জল, স্থল, অন্তৰীক্ষ, জুৰি, গছ, লতা, তৃণ বনৰাজিয়ে জীৰ্ণ আভৰণ সোলোকাই থৈ ন ন কুঁহিপাত, ফুলৰ ন ন সাজ পিন্ধি তোৰণৰ সন্মুখত বৰণ সজাই শঙ্কৰক ওলগ যাচিবলৈহে যেন সাজু হৈছে।

ক্ৰমে সন্ধিয়া হৈ আহিল। গোটেই দিনটো জিৰণি নোলোৱাকৈ কৰা কামৰ পৰা জিৰণী লবলৈ দিনমণি আঁতৰি গ'ল। সোণালী-ময় জোনালীৰে উদ্ভাসিত কৰি উদয়াচলত উদয় হ'ল পূৰ্ণ চন্দ্ৰমা।

বৰ যাত্ৰী যাত্ৰা কৰাৰ সময় আহিল। শঙ্কৰক শেষবাৰৰ কাৰণে কলৰ তলত নোৱাই আনি সকলোৱে উলহ মালহেৰে শঙ্কৰক দৰাৰ সাজ পিন্ধোৱাত লাগিল। শঙ্কৰে কাপোৰ পিন্ধি থকাৰ মাজতে এবাৰ ভিৰোতা এগৰাকীক উদ্দেশ্যি ক'লে, :বামু কাইক মাতি দিয়ক চোন।

:কিয় ? কিবা লাগে, যদি কোৱা, আমিয়ে আনি দিম। —মহিলা গৰাকীয়ে ক'লে।

:নহয়, মোক বামুকহে লাগে।

মহিলা গৰাকী ওলাই গ'ল।

এনেতে খুৰাৰক নীলকণ্ঠ সোমাই আহিল।

:কি হ'ল শংকৰ ? বামুক কিয় ? — খুৰাৰকে সুধিলে।

:ভোলা আছেনে চাবলৈ মাতিছিলোঁ। —শংকৰে ক'লে।

:ভোলাৰ চিন্তা তুমি পিছতো কৰিবা, আমি আছোঁ নহয়। আজি বিয়াৰ দিনা এই বিলাক চিন্তা বাদ দিয়া।

:খুৰা, তোমালোকে এনেকৈ কৰিলে মই কিন্তু বিয়া চিয়া নকৰাওঁ।— শংকৰে মুখখন ওকোন্দাই ক'লে।

শংকৰৰ কথা শুনি নীলকণ্ঠৰ চকু দুটা ৰঙা হৈ পৰিল। দাঁত দুপাৰি জোৰেৰে কামুৰি ধৰি শংকৰলৈ চালে। কিন্তু মুখেৰে একো নাকৈ কোঠাৰ পৰা ওলাই গ'ল।

মহিলা সবাকী আহি পুনৰ শংকৰক সজোৰাত ধাক্কা দিলে। বহুত সময়লৈ ৰামু নহাত শংকৰ নিজে বাহিৰলৈ ওলাই গৈ চিঞৰি উঠিল,
: ৰামু।
: কি? –কৰবাৰ পৰা ৰামুৱে মাতিলে।
শংকৰ ৰামুৰ ওচৰলৈ প্ৰায় যোৱাৰ দৰে গ'ল।
: ভোলা ক'ত? –শংকৰে সুধিলে।
: তাকেতো বিচাৰি ফুৰিছোঁ।
কি? ভোলা নাই? শংকৰ আচৰিত হ'ল।
বলিয়াৰ দৰে শংকৰে ইফালে সিফালে বিচাৰিব ধৰিলে।

কন্যা ঘৰলৈ যাত্ৰা কৰাৰো সময় আহি উপস্থিত হ'ল। কিন্তু শংকৰৰ কোনো খবৰেই নাই। বলিয়াৰ দৰে মাথো ইফালে লৰিছে সিফালে লৰিছে। কাৰ কথা শুনিব শংকৰে? কোনোৱে বুজাব নোৱাৰিলে শংকৰক। শংকৰৰ মাথো এটা চিন্তা–ভোলা ক'ত?

এটা সময়ত শংকৰ অকলেই বলিয়াৰ দৰে হাবিৰ ফাললৈ দৌৰ দিলে ভোলাক বিচাৰি।

: শংকৰ! উভতি আহা। –পিছৰপৰা চিঞৰিলে দেউতাক শিৱ বৰুৱাই।

শংকৰে নামানিলে। সামান্য বিষয় এখনৰ কাৰণে শংকৰে তাৰ মৰমৰ ভোলাক এৰিব নোৱাৰে।

: ই পাগল হ'ল। ৰামু, মোৰ বন্দুক আৰু টৰ্চটো লৈ আন বেগতে। নীলকণ্ঠই ৰামুক উদ্দেশ্যি ক'লে।

শিৱ বৰুৱা দুখ আৰু বেদনাত প্ৰাণহীন পুতলাৰ দৰে বৰ ঘৰৰ চকী এখনত বহি পৰিল।

ৰামুৱে বন্দুক আৰু টৰ্চটো ততালিকে আনি নীলকণ্ঠৰ হাতত দিলে। নীলকণ্ঠই এক্কেবাৰেকো তাত নৰৈ শংকৰক বিচাৰি হাবিৰ মাজলৈ গ'ল। নীলকণ্ঠৰ লগত আৰু কেইজন মান লোক গ'ল। অগত্যা নগ'লে বেয়া দেখি কাৰণে।

অঁটবা অৰণ্যৰ মাজত শংকৰে সুদা হাতেৰে বলিয়াৰ দৰে ভোলাক বিচাৰি ঘূৰিবলৈ ধৰিলে। হাবিত লুকাই থকা হেজাৰ হেজাৰ হিংস্ৰ

জন্তুৰ প্ৰতি শঙ্কৰৰ কোনো ভ্ৰূক্ষেপেই নাই।

অৱশেষত নীলকণ্ঠই শঙ্কৰক ঘূৰিব মাজত লগ ধৰিলেগৈ।

: শঙ্কৰ, উভতি যাওঁ বলা। এই নিশা হাবিৰ মাজত তোক ক'ত লগ পাবা।—নীলকণ্ঠই কলে।

: ভোলাক নাপালে মই নাযাওঁ। — শঙ্কৰে উত্তৰ দিলে।

নীলকণ্ঠই আন উপায় নাপাই শঙ্কৰৰ সৈতে ভোলাক বিচৰাত লাগিল।

: ভোলাক এবাৰ তুমি চিঞৰি মাতাচোন। ওচৰত থাকিলে সি নিশ্চয় মাতিব। — শঙ্কৰক উদ্দেশ্যি নীলকণ্ঠই ক'লে।

: ভো--লা। — শঙ্কৰে এবাৰ জোৰেৰে চিঞৰি মাতিলে।

: হাউম। — ওচৰৰ কৰবাৰ পৰা অহা বাঘৰ গোজৰণি সকলোৰে কাণত পৰিল।

শঙ্কৰে বুজিলে সেয়া ভোলাৰ বাহিৰে আন নহয়। সিফালৰ পৰা বাঘৰ মাতটো আহিছিল সেই ফাললৈ শঙ্কৰে দৌৰ দিলে। পিচে পিচে খুড়াকক নীলকণ্ঠ আৰু আন মানুহ কেইজন।

বেলগুৰি বিলখনৰ ওচৰ পাই শঙ্কৰ থমকি ৰ'ল। বিলৰ পাৰত দুটা ক'লা ক্ৰিবা জন্তু জোনৰ পোহৰত শঙ্কৰৰ দৃষ্টি গোচৰ হ'ল। নীলকণ্ঠ শঙ্কৰৰ ওচৰ চাপি গ'ল।

কাৰো মুখত এটা শব্দ নাই।

নীলকণ্ঠই এহাতে বন্দুক টোৱাই আনহাতেৰে টৰ্চটো জ্বলাই তাৰ পোহৰ জন্তু দুটাৰ ওপৰত পেলালে।

দুটা বাঘ সকলোৰে চকুত পৰিল।

: ভো—লা। — শঙ্কৰে আকৌ এবাৰ চিঞৰি উঠিল।

এটা বাঘে মুখেৰে কিবা এটা শব্দ কৰিলে আৰু শঙ্কৰহঁতৰ ফালে লৰি আহিল। আনটো বাঘে একে ঠাইতে বৈ শঙ্কৰহঁতলৈ চাই ৰ'ল।

বাঘটো আহি শঙ্কৰৰ ওচৰ পাই মুখেৰে কিবাকিবি শব্দ কৰি শঙ্কৰৰ ভৰিত লেনপেনাবলৈ ধৰিলে। শঙ্কৰে ভোলাক সাৱটি ধৰিলে।

: সৌজনী নিশ্চয় বাঘিনী হব। — নীলকণ্ঠই ক'লে।

: আজিয়ে শঙ্কৰৰ বিয়া ই ভোলাই কেনেবাকৈ জানিলে? সেই কাৰণে

ইও তাৰ জীৱন সংগৰী বিচাৰি আহিছে। —এজনে ৰসিকতা কৰি ক'লে। মানুহজনৰ কথাত সকলোৱে হাঁহিলে।

শংকৰহঁতে ভোলাক লৈ আহিল। বাঘিনীজনী তেতিয়ালৈকে একে ঠাইতে বৈ থাকি শংকৰহঁত যোৱাৰ ফালে অপলক নেত্ৰেৰে চাই থাকিল।

অৱশেষত মনি আৰু শংকৰৰ বিয়া সুকলমে হৈ গ'ল।

ফুল শয্যাৰ নিশা।

শংকৰে নিশাৰ আহাৰ খাই আহি নিজৰ কোঠাত সোমাই বিচনাখনতে লেপেটা কাঢ় বহি লৈ বন্দুকটো পৰীক্ষা কৰাত লাগিল।

চুচুক চামাককৈ অলপ পিছতে কোঠাটোলৈ মনি সোমাই আহিল। চকু মুখত কিবা লাজ লাজ ভাব। সদায় মুকলি মনেৰে সহজ ভাৱে শংকৰৰ লগত কথা পতা মনি যেন আজি সহজ হব পৰা নাই।

শংকৰৰ কিন্তু একেই।

শংকৰে মুৰ তুলি মনিলৈ চাই কৌতুক ভৰা হাঁহি এটা মাৰি ক'লে, "দুৱাৰখন বন্ধ কৰি দিয়া, মনি।"

মনিয়ে দুৱাৰখন বন্ধ কৰি থৈ আহি শংকৰৰ ওচৰত থিয় হৈ ৰ'ল। শংকৰে নিজৰ কামত ব্যস্ত থাকি মনিলৈ নোচোৱাকৈ কৈ গ'ল, "বুজিছা মনি, যোৱা নিশা মোৰ টোপনি নাই। হাবিৰ পৰা বাঘ এটা আহি মোৰ কোঠাৰ কাষতে গোটেই নিশা গুজৰি আছে। দেউতাই কৈছে মাইকী বাঘ। ভোলাৰ বোলে সাঙ্গনী। আজি তাইক শেষ কৰি দিম।"

: ভোলাৰ সঙ্গিনীক তুমি আকৌ মাৰিবা কিয় ? ভোলাই জানো তোমাক সুখেৰে এৰিব ? — মনিয়ে লাহকৈ ক'লে।

: ভোলাই মোক কি কৰিব, মনি ? —শংকৰে হাঁহিলে, তুমি নাজানা মনি, ভোলা কিমান ভাল। সি মোক এৰি এখন্তেকো ক'লৈকে যাব নোৱাৰে।

: কিন্তু ভোলাৰ সঙ্গিনীক মাৰিবলৈ তোমাৰ কি অধিকাৰ আছে ?"

: অধিকাৰ ? —শংকৰে নুবুজিলে।

মনিয়ে শংকৰলৈ চাই ৰ'ল একেথিৰে।

: কিন্তু সেই ধাম্নিনী জনীয়ে মোৰ ভোলাক লৈ যাবলৈ চেষ্টা কৰে।"
—শঙ্কৰে ক'লে।

: ভোলা'ই তোমাক যদি স'চাকৈয়ে বেচি ভাল পায় তেন্তে সি তোমাক এৰি কেতিয়াও নাযায়।"

শঙ্কৰে আকৌ এবাৰ হাঁহিলে।

: চোৱা মনি, মোৰ বিচনাৰ তলত সি কি আৰামত শুই আছে।"
—শঙ্কৰে ভোলাক দেখুৱাই ক'লে।

: ভোলা ইয়াত শোৱে?"—মনিয়ে ভোলাক দেখি উচপ খাই উঠিল।

: আৰু ক'ত শুব?"—শঙ্কৰে হাঁহি মাৰি সুধিলে।

: তেন্তে-তেন্তে ম-মই ইয়াত কেনেকৈ শুম?'—মনিয়ে দুখোজ পিছুৱৈ গ'ল।

: তোমাৰ ভয় লাগে?"—শঙ্কৰে সুধিলে।

মনিয়ে মূৰ দুপিয়ালে। ভয়ত মুখ শুকান।

: তেন্তে এটা কাম কৰোঁ। মই ভোলাৰ সৈতে সিটো কোঠাত শোওঁগৈ, তুমি ইয়াতে শোৱা।"

শঙ্কৰৰ কথাত মনি আচৰিত হ'ল। কিবা এক বেদনাৰে মনটো ভৰি পৰিল। স্বৰগ পৰা মানুহৰ দৰে মনি একে ঠাইতে থিয় হৈ ৰ'ল। শঙ্কৰ ইতিমধ্যে বহাৰ পৰা উঠিল।

: নাই নাই তুমি নাযাবা।"—মনিয়ে জোৰেৰে কৈ উঠিল।

: কিয়?" প্ৰশ্নবোধক দৃষ্টিৰে শঙ্কৰে মনিলৈ চালে।

: তুমি ইয়াতে শোৱা।

: তেন্তে তুমি ক'ত শুবা?

: মই মানে ইয়াতে শুম।

: আকৌ বোলে তোমাৰ ভয় লাগে?

: তুমি থাকিবা যেতিয়া মই শুব পাৰিম, ভয় নালাগে।

শঙ্কৰে হাঁহিলে।

মনিয়েও হাঁহিলে। কিন্তু এয়া মনৰ হাঁহি নহয়। কিবা এক কৰুণ হাঁহি।

: শোৱা।—শঙ্কৰে ক'লে।

মণি বিচনাত উঠি শঙ্কৰক উদ্দেশ্যি ক'লে, : তুমিও শোৱা।

: ওহো, মই এতিয়া নোশোওঁ। মই বাহিৰৰ জনী অহালৈ বাট চাওঁ।

এইবুলি শঙ্কৰে টেবুল খনত থকা পানী গিলাচ খাই বিচনাৰ কাষত চকী এখনত বহি পৰিল।

মনিয়ে কি ক'ব ভাবিয়ে নাপালে। নিজকে এক প্ৰাণহীন পুতলাৰ দৰে লাগিল। কম্বলৰ তলত মুখ ঢাকি মনিয়ে নীৰৱে কান্দিলে মনিয়ে জানে শঙ্কৰৰ ওচৰত এই কান্দোনৰ একো মূল্য নাই। বেডৰ্‌চীৰ অলপ পিছতে টোপনি আহিল।

আনহাতে শঙ্কৰো শুই পৰিল সেইখন চকীত।

ঘৰটোৰ আনটো মূৰৰ কোঠাটোত শঙ্কৰৰ দেউতাক শিৱ বৰুৱাৰ চকুত তেতিয়া টোপনি নাই। হেজাৰ বিপদতো মূৰ নত নকৰা শিৱ বৰুৱাৰ জীৱনৰ শেষ বয়সত নিজে মূৰ দোঁ খালে। অনেক চিন্তাৰ ভৰে শিৱ বৰুৱাৰ মূৰ তেনেই হেঁচি পেলালে। জীৱনত কাৰো ওচৰত হাৰ নমনা শিৱ বৰুৱা অৱশেষত নিজৰ পুত্ৰ শঙ্কৰৰ ওচৰত হাৰ মানিবলৈ বাধ্য হ'ল। হেজাৰ হলেও শঙ্কৰ শিৱ বৰুৱাৰ নিজৰ সন্তান। নিজৰ সন্তানৰ বেয়া হোৱাটো কোনো পিতৃয়েই কামনা নকৰে। সেয়ে শঙ্কৰৰ ভৱিষ্যতৰ কথা) চিন্তা কৰি শিৱ বৰুৱাই নীৰৱে চকুলো টোকে। চিন্তা কৰি কৰি মানুহজনো তেনে নিশকতীয়া হৈ পৰিল। চিন্তাই মানুহৰ আয়ু নাশ কৰে। শিৱ বৰুৱাৰো সেয়ে হ'ল। বয়স নহ'লেও বেছি বয়সীয়া যেন লগা হ'ল। চিন্তা আৰু চিতাৰ মাজত চিন্তা শ্ৰেষ্ঠ। চিতাই মৰা মানুহ পোৰে; কিন্তু চিন্তাই মানুহ জীয়াই জীয়াই পোৰে। চিন্তাৰ পাৰ নাই। যিমানে মানুহে চিন্তা কৰিব সিমানে চিন্তা বাঢ়িব।

অৱশেষত টেবুলত ক্ষীণকৈ জ্বলি থকা লেমটো গুই থকাৰ পৰাই শিৱ বৰুৱাই হাতখন আগবঢ়াই দি নুমুৱাই শুবলৈ চেষ্টা কৰিলে। চিন্তাৰ একমাত্ৰ ঔষধ টোপনি।

শিৱ বৰুৱাৰ টিলমিলকৈ টোপনি আহিছে মাথো এনেতে বাহিৰত কিহবাই খোজোৱাৰ দৰে শব্দ হ'ল, "গৰ্-ৰ-ৰ" টোপনিৰ পৰা খকমককৈ সাৰ পাই গ'ল শিৱ বৰুৱা।

"গৰ্-ৰ-ৰ।" পুনৰ একে ধৰণৰ শব্দ হ'ল।

শিৱ বৰুৱা বিছনাতে উঠি বহিল।

আগতেও অনেক জন্তু আহি শিৱ বৰুৱাৰ ঘৰৰ ওচৰে পাঁজৰে চিঞৰ বাখৰ কৰি হুলস্থুল কৰে। আন নিশা কিন্তু সেইবোৰ বনৰীয়া জন্তুৰ প্ৰতি শিৱ বৰুৱাই বিশেষ খিয়াল নাৰাখে।

ওচৰতে থকা আলমাৰীটো খুলি শিৱ বৰুৱাই বন্দুকটো উলিয়াই ল'লে। আনহাতত টৰ্চটো লৈ হাতত সাৰে ভৰিত সাৰে দুৱাৰৰ কাষলৈ আগ বাঢ়িল। দুৱাৰৰ হুকটো লাহেকৈ তললৈ টানি দি দুৱাৰ খন খুলিলে। কেৰ্ কেৰ্ শব্দ কৰি দুৱাৰখন মেল খাই গ'ল। ইফালে সিফালে এবাৰ চকু ফুৰাই নিঃশব্দে শিৱ বৰুৱা বাহিৰলৈ ওলাই আহিল। সন্তৰ্পনে টৰ্চৰ পোহৰ ইফালে সিফালে পেলাই দি শিৱ বৰুৱাই জন্তুটো বিচাৰিব ধৰিলে।

ইফালে শিৱ বৰুৱাৰ কাষৰ কোঠাটোত শোৱা ৰামু ভৃত্যটোও সাৰে আছিল। শিৱ বৰুৱাই দুৱাৰ খুলি বাহিৰলৈ ওলাই অহা শব্দ ৰামুৰ কাণত পৰাত হাতত জ্বলি থকা হাৰিকেন লেমটো লৈ ৰামুও বাহিৰলৈ ওলাই আহিল।

শিৱ বৰুৱাই ৰামুক উদ্দেশ্যি প্ৰশ্ন কৰিলে, ঃ কি হ'ল ৰামু?"

ঃ অলপ আগতে কিবা এটা জন্তুৰে চোতালতে মতা যেন শুনিলো তদুপৰি আপুনি উঠি অহা গম পাই উঠি আহিলোঁ।' —
ৰামুৱে ক'লে।

ঃ এৰা দেখোন, মইো অলপ আগতে কিবা এটাই মতা যেন শুনিলো। বেচেৰী মনিজনীয়ে ভয় খাব পাৰে বুলি...।

শিৱ বৰুৱাৰ কথা শেষ হবলৈ নিদি ৰামুৱে ক'লে, ঃ এইটো আন একো নহয় দেউতা, সেই বাঘিনী জনীয়েই হ'ব। তাইক মৰা উচিত নহয়।"

ঃ বাক, তই শো গৈ যা।" —এই বুলি শিৱ বৰুৱা নিজৰ কোঠাটোলৈ আগবাঢ়িল।

ৰামু অলপ আগবাঢ়ি গ'ল বাহিৰলৈ। হাতৰ লেম্পটো কিছু ওপৰলৈ দাঙি দূৰলৈ দৃষ্টি নিক্ষেপ কৰিলে। কিন্তু জলকতবক আধা আন্ধাৰ আধা পোহৰত ৰামুৱে একোকে দেখা নাপালে।

কিন্তু কি হ'ল হঠাৎ? ৰামুৰ গোটেই শৰীৰটো বতাহত কলপাত কঁপাদি কঁপিবলৈ ধৰিলে। বিজুলী প্ৰবাহৰ দৰে কিবা এটা শিৰাই শিৰাই প্ৰবাহিত হৈ গ'ল যেন। উশাহ লবলৈকো শক্তি নোহোৱা হ'ল। জোৰেৰে চিঞৰি দিব খুজিলে সি। কিন্তু জিভাখন লৰচৰ কৰিব পৰা শক্তিকনো যেন নাই। কেইহাত মান দূৰত বৈ আছে বাঘিনী জনী।

বাঘিনী জনীৰ স্থিৰ দৃষ্টি ৰামুৰ ওপৰত। অকস্মাৎ এটা দীঘল জাঁপ মাৰি বাঘিনী জনী ৰামুৰ ওপৰত পৰিল। "মৰিলো-ঔ" বুলি বিকট চিঞৰ এটা মাৰি ৰামু ভূ-লুণ্ঠিত হৈ পৰিল। হাতৰ লেম্পটো গৈ দূৰত চিটিকি পৰিল।

ৰামুৰ সেই চিঞৰটো শুনি বন্ধ কৰিব খোজা দুৱাৰখন জোৰেৰে খুলি মুহূৰ্ত্তে শিৱ বৰুৱা বাহিৰলৈ ওলাই আহিল। ৰামুৰ সেই চিঞৰত চকীত্তে টোপনি যোৱা শঙ্কৰো সাৰ পাই গ'ল আৰু লৰালৰিকৈ হাতত বন্দুকটো লৈ ওলাই আহিল।

ৰামুৰ হাতৰ পৰা দূৰত চিটিকি পৰি ধপ-ধপকৈ জ্বলি থকা হাৰিকেন লেম্পটো উঠাই শিৱ বৰুৱাই ৰামুক নেদেখি আচৰিত হ'ল। ইফালে সিফালে টৰ্চ্চৰ পোহৰ পেলাই শিৱ বৰুৱাই ৰামুক বিচাৰিলে। কিন্তু ৰামু ক'তো নাই।

'ৰামু' —শিৱ বৰুৱাই এবাৰ জোৰেৰে চিঞৰি উঠিল।

শঙ্কৰ দেউতাকৰ কাষ চাপি গৈ বিস্ময়াভিভূত হৈ প্ৰশ্ন কৰিলে,

ঃ ৰামুৰ কি হ'ল দেউতা?

ঃ জানো? অকস্মাৎ ৰামুটো ক'লৈ গ'ল। অলপ সময়ৰ আগতে সি এই লেম্পটো লৈ বাহিৰলৈ ওলাই আহিছিল। মইয়ো আহিছিলো।

মাছ পিছত খেতিয়া পুনৰ শুবলৈ গলো তেতিয়া তাৰ চিঞৰটো শুনি হঠাৎ শুলাই আহি দেখোঁ যে সি নাই; মাথোঁ লেম্পটো আঁতৰত পৰি ধপ্ ধপ্‌কৈ জ্বলি আছে।

: কোন নাই দেউতা ?—মনি শুলাই আহি দুৱাৰ মুখৰ পৰা উৎকণ্ঠাৰে প্ৰশ্ন কৰিলে।

: ৰামু।—শিৱ বৰুৱাই লাহেকৈ উত্তৰ দিলে।

: টৰ্চ্চটো মোক দিয়ক।—শঙ্কৰে দেউতাকৰ পৰা টৰ্চ্চটো নিজৰ হাততলৈ ইফালে সিফালে পোহৰ পেলাই চালে।

অকস্মাৎ মাটিত তেজৰ দৰে দাগ দেখি শঙ্কৰ উচপ খাই উঠি ক'লে, : দেউতা, এয়া তেজৰ দাগ।

: তেজ ?—আচৰিত হ'ল শিৱ বৰুৱা।

মনিও লৰ মাৰি আহি তেজখিনি চালে।

: নিশ্চয় সেই বাঘিনী জনী হব। তায়েই হয়তো ৰামুকাইক লৈ গৈছে। দেউতা, আপুনি থাকক; মই ৰামু কাইক বিচাৰি যাওঁ।—শঙ্কৰ যাবলৈ উদ্যত হ'ল।

: এই নিশা তুমি যাব নালাগে শঙ্কৰ; তুমি মনৰ ওচৰত থাকা। ময়ে যাওঁ ৰামুক বিচাৰি।—শিৱ বৰুৱাই ক'লে।

: নহয় দেউতা......।—শঙ্কৰৰ কথা নৌ শেষ হওঁতেই শিৱ বৰুৱাই পুনৰ ক'লে, . দিয়া, টৰ্চ্চটো মোৰ হাতত দিয়া, বেগতে মই যাওঁ। তুমি মনিক এৰি নাযাবা কিন্তু।

: আপুনি নাযাব দেউতা। আপুনি কষ্ট পাব। ভোলাৰ সৈতে মই যাওঁ।

শিৱ বৰুৱাই কোনো কথাই নামানিলে। শঙ্কৰৰ হাতৰ পৰা টৰ্চ্চটো কাঢ়ি লোৱাৰ দৰে লৈ খৰধৰকৈ আগবাঢ়িল হাবিৰ ফালে।

গভীৰ নিশা হাবিৰ মাজত অকলে সোমোৱা সহজ কথা নহয়। সাহসী লোকো ভয়ত বিতত হয়। হাবিৰ মাজৰ হেজাৰ হেজাৰ হিংস্ৰ জন্তুলৈ ভয় কাৰ নাই। কিন্তু শিৱ বৰুৱাৰ সেইবোৰৰ প্ৰতি অকনো ভ্ৰূক্ষেপ নাই। মনৰ মাজত দুৰ্বাৰ আশা। ৰামুক যেনে তেনে

উদ্ধাৰ কৰিবই।

হাবিৰ মাজলৈ কিছুদূৰ যোৱাৰ পিছত শিৱ বৰুৱাৰ কাণত কিবা এটা শব্দ কাণত পৰিল। শিৱ বৰুৱা বৈ গ'ল তৎক্ষণাৎ।

অমাৱস্যা নহ'লেও কৃষ্ণ পক্ষৰ ঘোপমৰা অন্ধকাৰ। তাতে আকৌ হাবিৰ মাজ। এই গাঢ় অন্ধকাৰ ভেদ কৰি শিৱ বৰুৱাৰ চকুৰ একোকে দেখা নাপালে। খি ফালৰ পৰা শব্দটো অহা বুলি শিৱ বৰুৱাই অনুমান কৰিলে সেই ফাললৈ মুখ কৰি টৰ্চটো জ্বলাই দিলে। ঠাইকণৰ অন্ধকাৰ খিনি পোহৰৰ আবিৰ্ভাৱত কেনিবা পলাল।

শিৱ বৰুৱা উচপ খাই উঠিল। তেওঁৰ চকুৱে ভুল কৰা নাইতো। সন্মুখত সেই দুটা কি? বাঘ নহয়তো। শিৱ বৰুৱাই চকুক অবিশ্বাস কৰিব নোৱাৰে। তেওঁৰ চকুৱে আজিলৈকে ফাঁকি দিয়া নাই। আজিও নিশ্চয় নিদিয়ে। সন্মুখত বহি আছে দুটা ডাঙৰ বাঘ। দুটা কিয় দহটা বাঘ একেলগে দেখিলেও শিৱ বৰুৱাই ভয় নাখায়। কিন্তু আজি কিয় জানো বাঘ দুটা দেখা পোৱা মাত্ৰকে শিৱ বৰুৱাৰ বুকু অজান আশঙ্কাত কঁপিব ধৰিলে।

বাঘ দুটাৰ ওচৰতে পৰি আছে এটা ৰক্তাক্ত নৰদেহ। সেয়াযে বামু শিৱ বৰুৱাৰ আৰু বুজিবলৈ বাকী নাথাকিল। এটা বাঘৰ ডিঙিত বন্ধা ক'লা পেটি এডাল দেখি শিৱ বৰুৱাই ভোলা বুলি চিনি পালে। লগে লগে অন্তৰত উমি উমি জ্বলি থকা জুই কুৰা দপকৈ জ্বলি উঠিল। ভোলাক নিঃশেষ নকৰিলে হয়তো এদিন শিৱ বৰুৱাৰ বংশটোৱেই নিঃশেষ হৈ যাব। জীউ বামৰ মৃত্যুৰ কাৰণ ভোলা। হয়তো বামুকো ভোলায়ে মাৰিলে। এই ভাৱ মনলৈ অহাৰ লগে লগে শিৱ বৰুৱাৰ মুখখনত কিবা এক প্ৰতিহিংসাৰ বাপ প্ৰতিফলন হ'ল। লগে লগে ভোলাৰ বুকুলৈ লক্ষ্য কৰি বন্দুক টোৱালে। কিন্তু কিয় জানো শিৱ বৰুৱাৰ হাতখন অজানিতে কঁপিব ধৰিলে। জীৱনত এই প্ৰথম বাৰৰ কাৰণে শিৱ বৰুৱাৰ দুহ 'হাত' দুখন কঁপিল। জীৱনত প্ৰথম বাৰৰ কাৰণে চকুৰে ধুৱঁলী কুঁৱলী দেখিলে আৰু কোনো এক অজান মুহূৰ্তত শিৱবৰুৱাৰ হাতৰ পৰা টৰ্চটো পৰি গ'ল। লগে লগে

ভীষণ গর্জন কৰি এটা বাঘ শিয়ৰ বকৰুৰ ওপৰত জঁপিয়াই পৰিল।

ইফালে শঙ্কৰে নিজৰ কোঠাত ভোলাক নেদেখি আচৰিত হৈ মনিলৈ চাই প্ৰশ্ন কৰিলে, : আৰে, ভোলা ক'ত ?

: তুমি দুৱাৰ খোলাৰ লগে লগে সি দেখোন বাহিৰলৈ ওলাই গৈছিল। তুমি হয়তো মন কৰা নাছিলা। — মনিয়ে ক'লে।

: বাহিৰলৈ ? — শঙ্কৰে তত্তালিকে বাহিৰলৈ ওলাই আহিল।

: ভোলা। — শঙ্কৰে এবাৰ চিঞৰি উঠিল।
অ'ত ত'ত ঠেকা খাই শব্দটো পুনৰ প্ৰতিধ্বনিত হ'ল, "ভো—লা।"
কিন্তু ভোলাৰ কোনো সম্বিধান নাই।

: মনি, তুমি ক্ষন্তেক থাকা, মই ভোলাক বিচাৰি যাওঁ। — শঙ্কৰ যাবলৈ উদ্যত হ'ল।

: নাই, তুমি নাযাবা, মোৰ ভয় লাগে। এই নিশা তুমি ভোলাক বিচাৰি যোৱাৰ কোনো অৰ্থ নাই। ভোলা নিজে আহিব। —মনিয়ে শঙ্কৰক বাধা দি ক'লে।

: নাই, মই যাবই লাগিব ; সি হয়তো নাহিবও পাৰে।

: তোমাৰ ভোলাক তুমি বিশ্বাস কৰিব নোৱাৰা ? —মনিয়ে শঙ্কৰক উদ্দেশ্যি প্ৰশ্ন কৰিলে।

মনিৰ এই প্ৰশ্নত শঙ্কৰ থতমত খাই গ'ল।

: হলেও মই ভোলাক বিচাৰি যাবই লাগিব। —কিছু সময় বৈ শঙ্কৰে ক'লে।

: ভোলাক এৰি তুমি এক্ষন্তেকো থাকিব নোৱাৰা ?
: নোৱাৰোঁ। — শঙ্কৰে একে আষাৰে ক'লে।

: তেন্তে ভোলাই তোমাক এৰি গুচি যায় কিয় ?

: সি হয়তো খোৱা বোৱাত অসুবিধা পাইছে।

: মিছা কথা। প্ৰকৃততে ভোলাই পৰাধীন জীৱন ভাল পোৱা নাই বাবেই তোমাৰ পৰা আঁতৰি থাকিব বিচাৰিছে।

: মই এইবোৰ কথা মানিব নোখোজোঁ। আচল কথা হ'ল সেই

ৰাঘিনী জনী। তাইক মাৰিলেই তোমা আৰু পলাই পলাই ফুৰিবলগীয়া নোহোৱা হ'ব।"

"ৰাঘিনী জনী তোমাৰ সহচৰী, সি তোমাতকৈও মৰমৰ।"

: মিছা কথা।— শঙ্কৰে চিঞৰি উঠিল, "তোমাই মোক কেতিয়াও প্ৰতাৰণা নকৰে আৰু সি মোৰ মৰমকো নেওচা দিব নোৱাৰে।"

: তোমাৰ মৰম তাৰ প্ৰেয়সীৰ মৰমতকৈ কোনো গুণেই বেছি হ'ব নোৱাৰে। তোমাৰ মৰমে তাৰ ভিতিত পৰাধীনতাৰ শিকলি পিন্ধাইছে আৰু তাৰ সংগীৰ মৰমে তাক মুকলি আকাশৰ তলত মুকলি বায়ু সেৱন কৰি স্বাৱলম্বী হ'বলৈ উদগনি দিছে।— মনিয়ে ক'লে।

: থৈ দিয়া তোমাৰ কথা। মোক মাৰিবলৈ দিয়া।—শঙ্কৰে খঙেৰে ক'লে।

: নাই, তোমাক মই মাৰিবলৈ নিদিওঁ। মোৰ ভয় লাগে।— কান্দো কান্দো সুৰত মনিয়ে ক'লে।

: মই যামেই। তোমাৰ ইমান ভয় যদি মোৰ লগত ব'লা।

শঙ্কৰৰ কথা শুনি মনি আচৰিত হ'ল।

: সামান্য বাঘ এটাৰ কাৰণেই তুমি এনেদৰে বলিয়া হৈ গৈছা?

ঘোপা চকুৰে শঙ্কৰে মনিলৈ চাই ক'লে: সামান্য? তোমা মোৰ কাৰণে কেতিয়াও সামান্য নহয়। হ'ব পাৰা তুমি।

শঙ্কৰে জোৰেৰে মনিক দুবাৰ মুখৰ পৰা আঁতৰাই তাৰ পৰা ওলাই গুচি গ'ল।

নীৰৱ নিশ্চল পাথৰৰ মূৰ্ত্তিৰ দৰে মনি বহু সময় একে ঠাইতে থিয় হৈ থাকিল। গালৰ ওপৰেদি বাগৰি অহা তপত লোতক মনিয়ে মচিব খুজিও নমচিলে। মচি লাভ নাই কাৰণেই।

হাবিৰ মাজে মাজে শঙ্কৰে তোমাক বিচাৰিবলৈ ধৰিলে। নিশা তেতিয়া কম হোৱা নাই। গধূলিতে পুবাকাশত দেখা দিয়া তৰাবোৰ তেতিয়া পশ্চিমৰ দিগন্ত ৰেখাৰ পৰা অলপহে ওপৰত। উৰ্দ্ধৰ পোহৰত শঙ্কৰ নিৰ্ভয়ে আগ বাঢ়ি গৈ থাকিল হাবিৰ মাজে মাজে। অলপ আঁতৰৰ পৰা ভাহি অহা এটা বিকট চিঞৰ শঙ্কৰৰ কাণত পৰিল। 'ভালুক'—শঙ্কৰে মনৰ মাজতে উচ্চাৰণ কৰিলে। কিন্তু শঙ্কৰৰ একোৰে

প্ৰতি ভয় নাই। হাবিৰ মাজত শঙ্কৰো যেন এটা দুঃসাহসী বনবীয়া হৈছে।

"ভো—লা"—কিছুদূৰ আগবাঢ়ি গৈ শঙ্কৰে এবাৰ জোৰেৰে চিঞৰি উঠিল।

গোটেই হাবি গমগমাই গ'ল। কিন্তু ভোলাৰ কোনো সাৰি শব্দই নাই।

আকৌ আগবাঢ়িল শঙ্কৰ। পুনৰ চিঞৰি উঠিল। এইবাৰ ভোলাই প্ৰত্যুত্তৰ দিলে। শঙ্কৰৰ মনটো কিছু ভাল লাগিল। যিফালৰ পৰা ভোলাৰ মাতটো আহিছিল সেই ফালকৈ আগ বাঢ়ি গ'ল।

কাঁড় পাত যোৱাদি কিবা এটা জন্তু শঙ্কৰৰ আগেদিয়ে পাৰ হ'ল। শঙ্কৰ একেঠাইতে ৰৈ চাৰিও ফালে এবাৰ টৰ্চ্চ মাৰি চালে। এনেতে কৰবাৰ পৰা ভোলা আহি শঙ্কৰৰ ওচৰত উপস্থিত হৈ শঙ্কৰৰ গালৈ জপিয়াই ধৰিলে। শঙ্কৰে ভোলাক সাৱটি ধৰি ক'লে, ভোলা, তই মোক এৰি কিয় বাৰে বাৰে গুচি আহ? তই ন'হলে কেনেকৈ থাকিম কচোন? ব'ল ঘৰলৈ।"— শঙ্কৰে ভোলাৰ ডিঙিৰ পেটি ডালত ধৰি টানি টানি ঘৰৰ ফালে লৈ গ'ল।

ঘৰ পাই শঙ্কৰে বাহিৰৰ পৰা মনিক উদ্দেশ্যি মাতিলে, "মনি, এয়া চোৱা, ভোলা আহিল; দুৱাৰ খোলা।"

মনিৰ তেতিয়ালৈকে টোপনি অহা নাছিল। শঙ্কৰে আহি মাত দিয়াৰ লগে লগে মনিয়ে লৰালৰিকৈ উঠি গৈ দুৱাৰখন খুলি দিলে। শঙ্কৰ আৰু ভোলা কোঠাটোৰ ভিতৰলৈ সোমাই গ'ল।

: দেউতা ক'ত? —মনিয়ে লাহেকৈ সুধিলে।

: দেউতা অহা নাই? — শঙ্কৰে ওলোটাই মনিক প্ৰশ্ন কৰিলে।

: নাই। বাবু কাইৰ কি হ'ল? —মনিয়ে কন্দনামুৱা হৈ সুধিলে।

: মইতো কাকো লগ নাপালো। —শঙ্কৰে আচৰিত হৈ ক'লে।

: মনিয়ে হুকহুকাই কান্দি উঠিল।

: আৰে, তোমাৰ আকৌ কি হ'ল? কান্দিছা কিয়?

প্ৰায় অৰণ হৈ পৰা মনিয়ে আচলেৰে চকুপানী মচি চিঞৰি উঠিল,

: তুমি এনেকুৱা বুজি মই আগেয়ে জনা নাছিলোঁ। তুমি নিষ্ঠুৰ, এটা হিংস্ৰ পশু।

: মইতো একো কৰা নাই।—বিস্মিত কণ্ঠেৰে শঙ্কৰে ক'লে।

কান্দোনত ভাগি পৰা মাতেৰে পুনৰ ক'লে মনিয়ে, "একো কৰা নাই? তুমি কৰিবলৈ আৰু আছে কি? তুমি নীচ, স্বাৰ্থপৰ। হাবিলৈ গৈছা, তোমাক পাই গুচি আহিছা; দেউতা আৰু ৰামুকাইৰ বাবে এক্কেভেকো চিন্তা নকৰিলা?

: তুমি একো নুবুজা। নেউতা হাবিলৈ গৈছে, ৰামুক পালেও নাপালেও এটা সময়ত উভতি আহিবই। তাৰ বাবে চিন্তা কৰিবলগীয়া কিটো আছে?

: ৰামু কাইৰ বাবে তোমাৰ অন্তৰে কন্দা নাই? ৰামু কাইক নিশ্চয় বাঘে নিছে। দেউতাই এই হাবিৰ মাজত এতিয়া আৰু ৰামুক ক'ত বিচাৰি পাব। যোৱা, তুমি দেউতাক বিচাৰি যোৱা।

শঙ্কৰ কোঠাৰ ভিতৰৰ চোফা এখনত বহি তোলাৰ পিঠিত হাত ফুৰাই ফুৰাই কবলৈ ধৰিলে, "দেউতাৰ কাৰণে তুমি ইমান চিন্তা কৰাৰ সই কোনো কাৰণ দেখা নাই। দেউতাক মই ভালদৰে জানো। জন্মৰে পৰা মই দেউতাৰ লগত আছো। মোতকৈ তুমি দেউতাক বেছি চিনি নোপোৱা; তোমাৰ মাত্ৰ দুদিনহে হৈছে। যোৱা, আজে বাজে চিন্তা নকৰি নীৰৱে বিচনাত শুই থাকাগৈ।

শঙ্কৰে হুটা হুটা কথা শুনি মনিৰ মেলা মুখ মেলাতে ৰ'ল। কোৰ খোৱা সাপৰ দৰে মনি শঙ্কৰৰ ওচৰৰ পৰা আঁতৰি গৈ বিচনাত বাগৰি পৰিল আৰু নীৰৱে চকুলো টুকিলে।

হায়! ফুলশয্যাৰ নিশা।

আগদিনা অস্তিম আকাশৰ পৰা মেলানি মগা সূৰ্য্যটো পুনৰ পূৱাকাশত দেখা দিলে। হাবিৰ চিনাকি-অচিনাকি অনেক চৰাইৰ ঐক্যতান চিঞৰ বাখৰত মনি থকমককৈ সাৰ পাই গ'ল। "বিচনাৰ কাষৰ খিৰিকি খন খুলি দি মনিয়ে বাহিৰলৈ চালে। এজাক চেচা বতাহ সোমাই আহিল খিৰিকিখনেদি। বশ ভাল লাগিল মনিৰ।

লাহেকৈ বিচনাৰ পৰা নামি মনিয়ে ওচৰৰ চোফাখনলৈ চালে। গভীৰ টোপনিত শংকৰ লালকাল। ভৰিৰ কাষে ভোলাও টোপনিত।

দুৱাৰখন খুলি দি মনি বাহিৰলৈ ওলাই আহিল আৰু শিৱ বৰুৱাৰ কোঠাটোৰ ফালে লৰালৰিকৈ আগবাঢ়ি গ'ল। কোঠাটোৰ দুৱাৰখন তেতিয়াও খোলা দেখি মনিৰ অন্তৰৰ কোনোবা খিনিত যেন কিবা অদৃশ্য শক্তিয়ে হাতুৰীৰে যে কোবালে। দুৱাৰেদি ভুমুকি মাৰি চাই দেখে যে শিৱ বৰুৱা কোঠাত নাই। শিৱ বৰুৱা যোৱা নিশা ৰ মুক বিচাৰি যোৱাৰ পৰা যে উভতি অহা নাই মনিৰ আৰু বুজিবলৈ বাকী নাথাকিল। মনিৰ জোৰেৰে কান্দি দিবৰ মন গ'ল কিন্তু ধৈৰ্য্য ধৰি বাহ্যিক কোনো অভিব্যক্তি প্ৰকাশ নকৰি বাহিৰলৈ লৰি যোৱাৰ দৰে ওলাই গ'ল।

আগনিশা চোতালত পৰি থকা কৰাল বন্ধা ৰামুৰ তেজখিনি দুটামান কাউৰীয়ে আহি ঠোঁটেৰে খুটিয়াই আছিল। মনিক দেখি কাউৰী কেইটা উৰি গ'ল। মনি পুনৰ লৰি আহি শংকৰৰ ওচৰ পালেহি। শংকৰ তেতিয়াও টোপনিত মগ্ন। শংকৰক টোপনিৰ পৰা জগাই দি মনিয়ে সকলো কথা বিৱৰি ক'লে।

শংকৰৰ তেতিয়াহে চেতনা আহিল। সচকিত হৈ প্ৰশ্ন কৰিলে, "কি? দেউতা যোৱা নিশা অহা নাই?

মনিয়ে মূৰ জোকাৰিলে।

শংকৰে তত্তালিকে বাকচ এটা খুলি কেইটামান বন্দুকৰ গুলি উলিয়াই ললে। বেৰত ওলোমাই ৰখা বন্দুকটো হাতত লৈ শংকৰে ভোলাক উদ্দেশ্যি লাহেকৈ মাতিলে, "ভোলা।"
ভোলা লগে লগে খিয় হ'ল।

কিবা এক অজান আশংকাত আতংকিত হৈ মনিয়ে বিস্ফাৰিত নেত্ৰেৰে তেতিয়ালৈকে শংকৰৰ মুখলৈ চাই আছিল।

শংকৰে মুখেৰে একো নকৈ লৰালৰিকৈ বাহিৰ ওলাল। পিচে পিচে ভোলা।

হাবিত সোমাই শংকৰ প্ৰথমতে কেনি আগবাঢ়িব একো থিৰ

কথিৰ নোৱাৰি একে ঠাইতে শংকৰ থিয় হৈ ৰ'ল। দেউতাক বা কোন ফালে গৈছিল? ক্ষন্তেকৰ বাবে শংকৰ বিমূঢ় হ'ল।

"কক্ কক্ ক.........।" ওচৰতে বনকুকুৰা এটাই দীঘলীয়া স্বৰেৰে ডাক দি দূৰলৈ উৰি গ'ল।

শংকৰো সেই ফাললৈকে আগ বাঢ়িল।

কিন্তু এখনৰ ওচৰ পাই শংকৰ সেই ঠাইত ক্ষন্তেক ৰৈ দেউতাকক উদ্দেশ্যি চিঞৰি মাতিলে, "দে-উ-তা।"

প্ৰতিধ্বনিয়েও অনুৰূপ চিঞৰি উঠিল, "দে-উ- তা।"

শব্দৰ প্ৰতিক্ৰিয়া কি হব পাৰে তাৰ বাবে কাণপাতি শংকৰ ক্ষন্তেকৰ বাবে তভক মাৰি ৰ'ল। কিন্তু এই পৃথিবীত শংকৰে দেউতাকৰ মাত আৰু শুনিবলৈ ক'ত পাব? আগ নিশাই শংকৰৰ অজ্ঞাতে দেউতাক গুচি গৈছে বহু দূৰলৈ — এক অজ্ঞান ৰাজ্যলৈ — য'ৰ পৰা চিঞৰিলে শংকৰে নুশুনে।

শংকৰ বজিয়াৰ দৰে আন একালে আগবাঢ়িল।

— —

আঠ

পদূলি মুখত জীপ গাড়ী এখন ৰোৱাৰ শব্দ শুনি মনি বাহিৰলৈ ওলাই আহিল। জীপৰ পৰা মাক আৰু দেউতাকক নমা দেখি মনি আগ বাঢ়ি গ'ল আৰু মাক-দেউতাকৰ ওচৰ পাই ভৰি চুই প্ৰণাম কৰিলে।

: বৰুৱা ক'ত? —দেউতাকে মনিক সুধিলে।

: নাই।—মনিয়ে ক'লে।

: আৰু শঙ্কৰ?

: নাই।—মনিয়ে পুনৰ ক'লে।

: বাপ-বেটা দুয়ো পুৱাতে ক'লৈ গল!—বিপ্লৱ কাকতিয়ে ৰগৰ কৰি সুধিলে।

মনিয়ে উত্তৰ নিদি দুয়োকো উদ্দেশ্যি ক'লে, : তোমালোক ভিতৰলৈ আহা মা।

ভিতৰ কোঠাত দুয়োকো বহিবলৈ দি মনিও ওচৰতে এখন চকীত বহিল।

মাকৰ চকুত মনিৰ বিষণ্ণ মুখ ধৰা নপৰাকৈ নাথাকিল। ইমান ৰাংচালি মনিজনী হঠাৎ যেন গহীন হৈ পৰিল।

: তোৰ চকুহাল চুলচুলীয়া হৈ আছে দেখোন, কিয়?

মনিয়ে আৰু নিজক লুকুৱাই ৰাখিব নোৱাৰিলে। মাকৰ কথাৰ লগে লগে মনিয়ে আকৌ উচুপি উচুপি কান্দিবলৈ ধৰিলে। মাকে বহাৰ পৰা উঠি মনিৰ ওচৰ চাপিগৈ মূৰত হাত ফুৰাই দি ক'লে,

: আইজনী, কান্দিছ কিয়? কচোন কি হৈছে? তই এনেকৈ কান্দিলে আমাৰ জানো ভাল লাগে, কচোন।

বিপ্লৱ কাকতিৰ ক্ষুলাব খোজা চিগাৰেটটো হাতত থাকিল। মনিয়ে চকুৰ পানী মচিলে আৰু লাহে লাহে আৰম্ভ কৰিলে গোটেই কাহি-নীটো।

মাক আৰু দেউতাকে একান্ত মনে শুনি গ'ল।

কাৰো মুখত কথা নাই।

এটা সময়ত দেউতাকৰ মুখ খুলিল, : শঙ্কৰ যোৱা কিমান সময় হৈছে ?

: দুঘণ্টামান হ'ল।'' মনিয়ে উত্তৰ দিলে।

চিগাৰেটটো জ্বলাই লৈ বিপ্লৱ কাকতিয়ে পুনৰ সুধিলে, : ভিতৰত আৰু বন্দুক আছেনে মনি ?''

: ৰাইফল এটা আছে।'' —এইবুলি মনি ভিতৰলৈ সোমাই গ'ল।

: কি জঞ্জাল ঘৰখনত মোৰ ছোৱালী বিয়া দিলো কব নোৱাৰো; মাত্র ছোৱালীজনীৰ মুৰ খোৱা হ'ল। --মনিৰ মাকে ক'লে।

: মনে মনে থাকা। আজে বাজে কথাবোৰ বকিছা কিয় ?''—বিপ্লৱ কাকতিয়ে ক'লে।

: আজে বাজে নহয়; সঁচা কথাকে কৈছো। এই যুগত এনেকুৱা এখন ঘৰত সুস্থ মানুহ কেতিয়াও থাকিব নোৱাৰে। শঙ্কৰোতো এতিয়া আৰু মানুহ হৈ থকা নাই। মূঠতে মই ছোৱালীজনীক এটা জন্তু-লৈহে বিয়া দিলোঁ, যি তাৰ বাঘটোৰ বাহিৰে সাংসাৰিক একো কথাকে নাজানে।''

এনেতে মনি সোমাই অহাত মাকে কথা বন্ধ কৰিলে। মনিয়ে ৰাইফলটো আনি দেউতাকৰ হাতত দিলে। দেউতাকে ৰাইফলটো হাতত লৈ পৰীক্ষা কৰি হাবিলৈ যাবলৈ সাজু হ'ল।

: মইো যাওঁ দেউতা। —মনিয়ে মাত লগালে।

দেউতাকে বাধা নিদি মাথো ক'লে, : ব'ল।

তিনিও ঘৰৰ পৰা বাহিৰ ওলাল।

: শংকৰৰ খুৰাককে কেনেবাকৈ খবৰটো দিব পৰা হ'লে ভাল আছিল। বিপ্লৱ কাকতিয়ে ক'লে।

: আকাশত সেইবোৰ ইমান চৰাই উৰিছে; শগুণ নেকি ? —মনিৰ

মাকে আকাশত উৰি ফুৰা অলেখ চৰাই দেখি সুধিলে।
: ওঁ, শগুণ। — বিপ্লৱ কাকতিয়ে ক'লে, " নিশ্চয় কিবা জন্তু হাবিৰ মাজত মৰিছে। সেয়া এটা এটাকৈ ছোঁ মাৰি হাবিৰ মাজলৈ নামি আহিছে।"

মনিয়ে শগুণবোৰলৈ চালে। কিবা এক অজান আশংকাত বুকু খন দুকদুককৈ কঁপিব ধৰিলে। বেয়া বেয়া ভাৱবোৰ মনলৈ আহিল। যিমানে সেই ভাৱবোৰ নাভাবিবলৈ চেষ্টা কৰিলে সিমানে ভাৱবোৰে বেচিকৈহে খিতাপি ল'লে।

হাবিৰ মাজ পাই বিপ্লৱ কাকতি কেনি আগবাঢ়িব থিৰাং কৰিব নোৱাৰি ক'লে, মইতো হাবিৰ বিষয়ে একো আওভাঁও নাপাওঁ। কেনি আগবাঢ়িম এতিয়া?
: দেউতা, সেইযে শগুণবোৰ কৰবাত পৰিছেহি তালৈ লক্ষ্য কৰি আগবাঢ়োঁ ব'লাচোন। — মনিয়ে করুণ সুৰেৰে ক'লে।

বিপ্লৱ কাকতিয়ে মনিলৈ চালে। মনিৰ অশ্ৰুসিক্ত চকুযুৰিয়ে যেন ভিতৰৰে প্ৰকাশ কৰিব নোৱাৰা কিবা কথা প্ৰকাশ কৰিব খুজিছে। দেউতাকে মনিৰ চকুৰ ভাষা বুজি পালে। অকনো সময় পলম নকৰি বিপ্লৱ কাকতি সেইফালে আগবাঢ়িল।

বনত ঘূৰাৰ অভিজ্ঞতা মনি, মাক আৰু দেউতাকৰ ভিতৰত এজনৰো নাই। সেয়ে প্ৰতিটো খোজতে তিনিও যথেষ্ট বিপদৰ সন্মুখীন হব লগা হ'ল। সকলো বিপদকে নেওচি অতি কষ্টৰ মাজেৰে তিনিও আগবাঢ়ি গ'ল। ডাঠ হাবিৰ মাজত কিবা মৰিলে শগুণৰ দ্বাৰাই গম পাব পাৰি। এটা শগুণ দেখিলে মনিয়ে। গছৰ ডাল এটাত বহি মনিহঁতলৈকে চাই আছে। অলপ পিছতে আৰু দুটামান শগুণ চকুত পৰিল। তাৰ পিচত এটা দুটা নহয় অসংখ্য শগুণ। কিছুমান গছৰ ডালত, কিছুমান আকাশত আৰু কিছুমান মাটিত। মাটিত থকা বিলাকে কিবা এটা মৰাশ খুঁটিয়াই আছে। কেউফালে নিস্তব্ধতা। মাথোন শগুণবোৰৰ চিঁচিঁয়নি শব্দ।
মনিয়ে ভয়ার্ত দৃষ্টিৰে দেউতাকলৈ চালে। বিপ্লৱ কাকতিয়ে ঘৈণীয়েক

তাক মনিক অতৰ দি কেইখোজমান আগবাঢ়ি গৈছে মাখোন এনেতে পিচফালৰ পৰা কোনোবাই মাত লগালে, : মনি।
তিনিও উভতি চালে।
অলপ আঁতৰতে অৱশ শৰীৰেৰে থিয় হৈ আছে শংকৰ।

: শংকৰ! —বিপ্লৱ কাকতিয়ে মাতিলে।

: আপোনালোক আহিছে? শংকৰ কেইখোজমান আগবাঢ়ি আহিল।

: তুমি কোন ফালৰ পৰা আহিছা? বিপ্লৱ কাকতিয়ে প্ৰশ্ন কৰিলে।

: মই ভোলাক বিচাৰি ফুৰিছোঁ, ভোলা আকৌ হেৰাল। —অৱশ অৱশ মাতেৰে শংকৰে ক'লে।

: দেউতাক পালা তুমি? —মনিয়ে শংকৰক সুধিলে।

: নাই পোৱা।

: নাই পোৱা? অথচ—অথচ তুমি ভোলাক বিচাৰি ফুৰিছা?— শংকৰৰ কথাত মনি আচৰিত হ'ল।

শংকৰে মনিলৈ চালে। চকুত তীক্ষ্ণ দৃষ্টি।

: শংকৰ, তুমি বৰ ভুল কৰিছা। —বিপ্লৱ কাকতিয়ে ক'লে।

: ভুল? কি ভুল কৰিছোঁ মই?

: তুমি তোমাৰ দেউতাৰাক পাহৰি গ'লা? যোৱা কালিৰ পৰা তোমাৰ দেউতাৰা নাই অথচ তুমি ভোলাৰ কাৰণে বলিয়া হৈ ঘূৰি ফুৰিছা? শংকৰ নিৰৱ।

: ভোলা বনৰ পশু আৰু সি স্বাধীনতা প্ৰিয়। তুমি হেজাৰ চেষ্টা কৰিলেও তাৰ মনৰ স্বাধীনতাখিনি ধ্বংস কৰিব নোৱাৰা। তাক তেনেকৈ ৰখা তোমাৰ জানো অন্যায় হোৱা নাই?

: মই জানো তোমাক। সি পৰাধীন কেতিয়াও নহয়——।

শংকৰে আৰু কিবা কব খোজাৰ আগতে বিপ্লৱ কাকতিয়ে ক'লে,

: চোৱা শংকৰ, সি নিজে বাচি থাকিবৰ কাৰণে তাৰ জীৱনত তোমাৰ প্ৰয়োজনবোধ নকৰে বাবেই সি তোমাৰ পৰা আঁতৰি যাব বিচাৰিছে। তুমি তাক সঁচাই ভাল পোৱা হ'লে সি এনেদৰে গুচি যোৱাত কেতিয়াও বাধা নিদিলা হেঁতেন। তুমি মাত্ৰ তোমাৰ স্বাৰ্থটোহে চাইছা। তোমাৰ

অৰ্থাৎ সেই যদি কাৰোবাৰ জীৱনৰ ধ্বংসৰ কাৰণ হয় তেন্তে সেৱা ধৰমৰ অৰ্থ কি ?"

: কিন্তু মই তোমাক এৰি এজনেকো থাকিব নোৱাৰো।

কিয় নোৱাৰিবা ? তোমাক এৰিতো তোমা বাচি থাকিব পাৰে। তুমি তোমাৰ জীৱনটো ধ্বংস কৰিব বিচাৰিছা। হয়নে মহয় এবাৰ লৈক ভাবি চোৱাচোন।"

: কেনেকৈ ?

: তোমাই তাৰ জীৱন-সংগী বিচাৰিছে। তুমি তাক সুবিধা নিদিয়াৰ বাবে একাধিকবাৰ তোমাক ত্যাগ কৰি সি পলাই আছিছে এই ঘাৰিলৈ, তাৰ সংগীৰ ওচৰলৈ আৰু তুমি কৰিছা কি ? হাতত বন্দুক লৈ তোমাৰ জীৱন-সংগীক শেষ কৰিবলৈ বিচাৰি ফুৰিছা।

: বন্ধ কৰক আপোনাৰ কথা। — শংকৰ গৰজি উঠিল, : মোক উপদেশ দি লাভ নাই। আপোনালোক সকলোৱে মোক মূৰ্খ সজাইছে। মই জানো, আপোনালোকে মোৰ প্ৰতি কি ভাব পোষণ কৰি ৰাখিছে। ৰনৰ মাজত ডাঙৰ হৈছো বুলি, পঢ়া-শুনা নাজানো বুলি, মোক আপোনালোকে বৰ্বৰ বুলি ভাবে। এটা কথা মনত ৰাখিব যে তোমাতকৈ আপোন মোৰ দ্বিতীয় কোনো নাই।

লগে লগে শংকৰ কেনিবা গুচি গ'ল।

: 'বোচেৰা।' —বিপ্লৱ কাকতিয়ে এটা দীঘল হুমুনিয়াহ কাঢ়িলে। মনিয়ে হুক হুকাই কান্দিব ধৰিলে।

: নাকান্দিবি আই, বিয়াৰ আগতেই মই তোক কৈছিলো, কিন্তু তেতিয়া তইতে মোৰ কথা মনা নাছিলি। শংকৰক মই ভাল দৰেই জানো। সি সহজে সৰল কেতিয়াও হব নোৱাৰে। —মনিৰ মাকে ক'লে।

ধীৰ পদক্ষেপেৰে বিপ্লৱ কাকতি আগবাঢ়ি গ'ল শগুণৰ জাকটোৰ কাষলৈ। লগে লগে মণি আৰু মাক।

চিঞৰ বাখৰ কৰি শগুণ জাকে কিবা এটা টনা-টানি কৰি আছে। মনিহঁতক দেখি কেইটামান উৰি গ'ল দূৰলৈ, কেইটা মান ওচৰৰে গছত লৈ বহিলগৈ আৰু কেইটামান তেতিয়াও নিজৰ কামতে

ব্যস্ত থাকিল নির্ভীক ভাৱে।

দুখোজমান আগুৱাই গৈ বিপ্লৱ কাকতি উচাপ খাই উঠিল। বিপ্লৱ কাকতিৰ দৃষ্টি এটা বস্তুৰ ওপৰত নিবদ্ধ হ'ল। প্ৰকম্পিত কণ্ঠেৰে উচ্চাৰণ কৰিলে, : মনি।

মনিয়ে দেউতাকলৈ চালে।

: সেইটো। —দেউতাকে এফালে আঙুলিয়াই দেখুৱালে।

: বন্দুক। —মনি উচপ খাই উঠিল।

বিপ্লৱ কাকতি আগবাঢ়ি গৈ বন্দুকটো উঠাই ল'লে।

: এইটো দেউতাৰ বন্দুক। —মনিয়ে ক'লে।

অলপ আঁতৰতে এটা শিয়ালে 'হোৱা' দি উঠিল।

মনি লৰ মাৰি গ'ল শগুণবোৰৰ ফালে। সাহসী শগুণ কেইটাও আঁতৰতে উৰি গ'ল।

সৰ্ব্বশৰীৰ শিয়ৰি উঠিল মনিৰ।

: ওহো, হৰ নোৱাৰে-নোৱাৰে। —নিজকে নিজে মনিয়ে ক'লে। ক্ষণিক দুখমত দুই হাতেৰে জোৰেৰে হেঁচা মাৰি ধৰি মনিয়ে চিঞৰি উঠিল,

: দেউতা! —পিচ মুহূৰ্ত্ততে মনি ভূ-লুণ্ঠিত হৈ পৰি গ'ল।

বিপ্লৱ কাকতি আৰু ঘৈণীয়েক মনিৰ ওচৰলৈ দৌৰি গ'ল। লগে লগে ভাবিব নোৱাৰা এক বীভৎস দৃশ্যৰ সন্মুখীন হ'ল দুয়ো। সন্মুখত দুটা বিকৃত মৃত নৰদেহ। মনিৰ মাকে ভয়তে চিঞৰি উঠিল। বিপ্লৱ কাকতিৰ চকু দুটা আপোনা আপুনি জাপ খাই গ'ল। ঠ'ত ঠ'ত পৰি আছে নৰ মাংসৰ টুকুৰা। তেজৰ চেকুৰাই গোটেই ঠাইখন কঁৰাল বাহ্নিছে।

শিৰ বৰুৱা আৰু বাবু মৰিল।

বিপ্লৱ কাকতিয়ে মুখ তুলি চাৰিওফালে চালে। শগুণবোৰে একেথৰে চাই আছে মৃত দেহ দুটাকৈ। সিহঁতে যেন মানুহৰ উপস্থিতি কামনা কৰা নাই। অনাহকত সিহঁতৰ কামত যেন বাধা দিয়া হৈছে।

মনিৰ মাকে মনিক সাৱটি ধৰি কান্দি কান্দি ক'লে, : চাওক,

মনি অজ্ঞান হৈ পৰিল।"

বিপ্লৱ কাকতিয়ে ওঁঠ দুটা জোৰেৰে কামুৰি ধৰি দুচকুৰ বাগৰি অহা তপত লোতকৰ চলক বাধা দিবলৈ বৃথা চেষ্টা কৰিলে।

"হা–উ ম্।" পিচ ফালৰ পৰা অহা বাঘৰ গোজৰণিত মনিৰ মাক আৰু দেউতাক উচপ খাই উঠিল।

একেলগে দুয়ো পিচলৈ উভতি চালে।

অলপ আঁতৰতে থিয় হৈ আছে শংকৰ আৰু ভোলা।

: চাওক, মই ভোলাক পালো। —শংকৰে চিঞৰি চিঞৰি ক'লে, : মই কৈছো নহয় ভোলাই মোক এৰি কেতিয়াও যাব নোৱাৰে।

শংকৰৰ চকুত এক বিজয়ৰ হাঁহি।

বিপ্লৱ কাকতিয়ে শংকৰৰ পৰা চকু আঁতৰাই আনি মৃতদেহ দুটালৈ চালে।

: আপোনালোকে তাত কি চাইছে? —শংকৰে সুধিলে।

: মিছা আহি চাই যোৱাহি শংকৰ। বিপ্লৱ কাকতিয়ে থোকাথুকি মাতেৰে ক'লে।

শংকৰ আগবাঢ়ি আহিল ভোলাক লৈ।

: এয়া কি? —মৃতদেহ দুটা দেখি শংকৰ উচপ খাই উঠিল।

বিপ্লৱ কাকতিয়ে কোনো উত্তৰ নিদি শংকৰৰ মুখলৈ চালে।

: দেউতা। —শংকৰে জোৰেৰে চিঞৰি উঠিল।

: আৰু জোৰেৰে চিঞৰা, নহলে তোমাৰ দেউতাৰাই নুশুনিব।

ভগা ভগা মাতেৰে বিপ্লৱ কাকতিয়ে ক'লে।

কেইটামান শগুণে চিঁ—চিঁয়াই উঠিল। হয়তো মানুহবোৰ থকাত সিহঁতে আমনি পাইছিল।

——

ব

প্ৰত্যেক নিশাই আহে বাঘিনী জনী ভোলাক বিচাৰি। সুবিধা পালেই ভোলাও পলাই যায় বাঘিনী জনীক বিচাৰি। শংকৰে অনেক চেষ্টা কৰিলে বাঘিনী জনীক মাৰিবলৈ। কিন্তু নোৱাৰিলে। ভোলাকো এফলীয়াকৈ বান্ধি ৰাখিব নোৱাৰা হ'ল। এৰি দিলেই পলাই যায়। অৱশেষত শংকৰে ভোলাক পিঞ্জৰাত দিনে নিশাই বন্দী কৰি ৰখাৰ বাহিৰে আন উপায় নাপালে। ভোলাই এনে বন্দী জীৱনৰ বিৰোধিতা কৰিলে। তাৰ মন ক্ৰমে বিদ্ৰোহী হৈ পৰিল। পিঞ্জৰাৰ ভিতৰতে গুজৰি গুমৰি সিংহসুলভ নগাৰ ধৰিলে। কিন্তু লাভ একো নহ'ল। পিঞ্জৰা ভাঙি ওলোৱাৰ সাহস থাকিলেও শক্তি তাৰ নাই।

দিন নাই ৰাতি নাই শংকৰ কেৱল ভোলাক লৈয়ে ব্যস্ত। মনিৰ দেখি দেখি অসহ্য লাগিলেও উপায় নাই। শংকৰে ভোলাৰ বাহিৰে একো কথাই নুবুজে।

কাউৰীয়ে কা' নৌ কৰোতেই মনি শোৱাৰ পৰা উঠিল। কোঠাৰ খিৰিকিখন খুলি দিলে মনিয়ে। ভালদৰে পোহৰ হোৱাই নাই। কিছু কিছু আন্ধাৰ আছেই। গোটেই নিশা মনিৰ টোপনি নাই। চিন্তাৰ ৰাজত্ব।

মনি বিচনাৰ পৰা নামিল। 'ড্ৰেছিং-টেবুল' খনৰ ওচৰলৈ গৈ মনিয়ে দাঁত ঘঁহা ব্ৰাচ ডালত 'পেষ্ট' অকণ লৈ বাহিৰলৈ ওলাই আহিল।

শংকৰ তেতিয়াও গভীৰ টোপনিত।

সূৰ্য্যৰ কিৰণে তেতিয়াও পৃথিৱী স্পৰ্শ কৰা নাই, গোটেই

নিশা উজাগৰে নিজৰ কামত ব্যস্ত থাকি শেষ নিশা ভাগৰ পৰু-ৱাবলৈ জোনটিয়ে তেতিয়া পশ্চিমলৈ চাপলি মেলিছে। দাঁত খুঁহি মনি পদূলি মুখলৈ ওলাই আহিল।

সন্মুখৰ গেটখনৰ ওপৰত দুটা ফেঁচা বহি আছে। চিত্ত সমাহিত, মন নিবিষ্ট, একপ্ৰাণ, একধ্যান যেন দুজন যোগীহে। বন্দুলি ফুল জোপাৰ ওচৰত গৈ থিয় হোৱাৰ লগে লগে ফেঁচা দুটা উৰি গ'ল দূৰলৈ। অলপ পিচতে মনি উভতি আহিল বাথৰুমলৈ।

বাথৰুমৰ চৌবাচ্চাত পানী এটোপালো নাই। টিংবিলাকো খালি। আগতে বাসুহঁত আছিল; সিহঁতেই সকলো যতনাই ৰাখে। হুমুনিয়াহ এটা কাঢ়ি হাতত এটা টিং লৈ মনি পিচফালৰ কুঁৱাটোৰ ওচৰলৈ গ'ল। পানী এটিং তুলি মুখখন ধুই মনি ভিতৰলৈ গৈ দেখে যে শঙ্কৰ তেতিয়াও টোপনিত। ডাঢ়িয়ে গোফে ভোবোকাৰ শঙ্কৰৰ মুখ-খনত যেন কোনো কুটিলতাৰ চিন নাই। কোনো হিংসা-দ্বেষ, পাপ-কলুষৰ ভাব নাই যেন। কিন্তু কিয় জানো নিদ্ৰিত অৱস্থাত সহজ সৰল লগা শঙ্কৰক মনিয়ে আজিকালি জাগ্ৰত অৱস্থাত ভয় কৰে, ঘৃণা কৰে।

পাক ঘৰলৈ গৈ মনিয়ে জুই জ্বলাবলৈ জুইশলা বাঁহ এটা বিচাৰি নাপালে। অকল জুইশলাই নহয় ঘৰৰ আন যাৱতীয় সামগ্ৰীও সকলো শেষ।, চাউলৰ অভাৱত মনি আৰু শংকৰে আগনিশা ভাতকে নাখালে। পাকঘৰৰ দুৱাৰখন আগৰ দৰে বন্ধ কৰি থৈ মনি পুনৰ খোৱনি কোঠালৈ আহি বিচনাত বাগৰ দিলে। গোটেই শৰীৰ প্ৰবল ক্লান্তিত যেন ভাঙি চিঙি গৈছে। উপবাসক্লিষ্ট দেহটোলৈ যেন নামি আহিছে অসীম অৱসাদ।

কিছুপৰৰ মূৰত শংকৰে সাৰ পালে আৰু লগে লগে লৰি আহিল ভোলা থকা পিঞ্জৰাটোৰ ওচৰলৈ। ভোলা তেতিয়া গভীৰ টোপনিত।

: 'ভোলা।' —শংকৰে মাত লগালে।

ভোলাই চকু মেলি শংকৰলৈ চালে।

টোপনি ভগাই নাই হবলা? —শংকৰে খুঁচি মাৰি ক'লে।

ভোলাই গুজৰি উঠিল।

ঃ মাই, তোক আজিও বুজি নিদিওঁ। বাঘিনী জনীক মাৰিব পাৰিলেহে তোক মুকলি কৰি দিয়া হব।

হাত-মুখ ধুই শংকৰে মনিক চিঞৰি মাতিলে।

মনিৰ পুনৰ চিলমিলকৈ টোপনি আহিছিল। শংকৰৰ চিঞৰত মনি থক-মককৈ সাৰ পাই প'ল আৰু লগে লগে বাহিৰলৈ উঠি আহিল।

ঃ মনি, মই চহৰলৈ যাওঁ ঃ চাউল, দাইল আৰু বহু কিবাকিবি আনিব লাগিব। তুমি যাবা নেকি —শংকৰে শুধিলে।

ঃ নাযাওঁ মই। —মনিয়ে লাহেকৈ উত্তৰ দিলে।

ঃ ঠিক আছে, ময়ে যাওঁ।

শংকৰ আহি জীপত উঠিল আৰু চহৰ অভিমুখে ৰাওনা হ'ল।

মনি আহি পদূলি মুখত থিয় হৈ ৰ'লহি। দূৰলৈ দৃষ্টি নিক্ষেপ কৰিলে। শংকৰৰ জীপখন তেতিয়া বেঁকা বেঁকি বাটটোৰ কোনোবা এটা কেঁকুৰীত নেদেখা হ'লগৈ। মনিয়ে আনফালে দৃষ্টি ঘূৰালে। হঠাৎ দূৰত দেখিলে এজন মানুহ। হাবিৰ কাষে কাষে খৰতকীয়া খোজেৰে সেই ফাললৈকে আহি আছে।

ঃ নীল খুৰা! —মনিৰ ওঠ দুটা লৰি উঠিল।

মনিৰ মনটো ভাল লাগিল।

মানুহজন ক্ৰমে ওচৰ চাপি আহিল। মনিৰ মুখত এটা হাঁহি বিৰিঙি উঠিল। দুখৰ মাজত আনন্দৰ হাঁহি।

ঃ আইজনী, অকলে অকলে ইয়াত কি কৰিছা? —নীলকণ্ঠই মনিক উদ্দেশ্যি মাতিলে।

ঃ আপোনালৈকে বাট চাই আছোঁ, খুৰা। —মনিয়ে শেঁতা হাঁহি এটা মাৰি ক'লে।

ঃ মোলৈ? কিয়? —নীলকণ্ঠ যেন আচৰিত হ'ল ঃ মই আহিম বুলি তুমি কেনেকৈ জানিলা?

ঃ মোৰ মনটোৱে কৈছে যে আপুনি আহিব।

ঃ বৰ শুকান শুকান দেখিছোঁ, একো অসুখ-বিসুখ হোৱা নাইতো। শঙ্কিত মনেৰে নীলকণ্ঠই সুধিলে।

: অসুখ হোৱা হ'লে ভালেই আছিল, খুৰা। —মনিয়ে হুমুনিয়াহ কাঢ়ি ক'লে।

নীলকণ্ঠই একো নুবুজিলে। পিচ মুহূৰ্ত্তত প্ৰশ্ন কৰিলে, : শংকৰ ক'ত ?

: এইমাত্ৰ চহৰলৈ গৈছে। আহক খুৰা। আপোনাৰ লগত কিছু কথা আছে। —মনি আগবাঢ়িল।

: তুমি কি কবা মই আগতেই গম পাইছোঁ। —নীলকণ্ঠই ক'লে।
মনিয়ে ঘূৰি নীলকণ্ঠলৈ চালে।

: তুমি নিশ্চয় শংকৰৰ কথা কবা। —পুনৰ ক'লে নীলকণ্ঠই।
মনিয়ে মূৰ দুপিয়ালে।

ভিতৰ কোঠা পাই নীলকণ্ঠ চকী এখনত বহিল। নিজৰ হাতৰ বন্দুকটো ওচৰতে থৈ পকেটৰ পৰা চিগাৰেটৰ পেকেটটো উলিয়ালে।

: মই এটা কথা ভাবিছোঁ, খুৰা। —মনিয়ে মাত লগালে।
চিগাৰেটটো জ্বলাই নীলকণ্ঠই মনিৰ মুখলৈ চালে।

: ভোলাক আজি পিঞ্জৰাৰ পৰা মুকলি কৰি দিম।

: ভোলাক ? নীলকণ্ঠ যেন আচৰিত হল।

: হয়, খুৰা ; নহ'লে মোৰ আন উপাই নাই। ভোলাৰ কাৰণে শংকৰে সকলো শেষ কৰি এতিয়া নিজে শেষ হব খুজিছে। শংকৰক সেই পথৰ পৰা উপদেশ দি ওভোতাব নোৱাৰি।

এনেতে......

মনি বৈ গ'ল।

: কোন ?

: বাহিৰলৈ আহক খুৰা, মই সকলো কম।

দুয়ো বাহিৰলৈ ওলাই আহিল।

: 'গ ৰ-ৰ-ৰ।' —পিঞ্জৰাত ভোলাই গৰজি ধৰিলে।

: চুপ্। নীলকণ্ঠই বন্দুকৰ নলটোৰে ভোলাৰ মুখত খুচি দিলে। দাঁত নিকটাই গেঙেৰি দি ভোলাই তীক্ষ্ণদৃষ্টিৰে চালে নীলকণ্ঠলৈ। পৰা হ'লে যেন সি অপমানৰ পোতক ল'লেহেঁতেন।

: মনি, তুমি ভিতৰি যোৱা। মই ইয়াক খুলি দিওঁ। —নীলকণ্ঠই কলে।

ভোলাই পিঞ্জৰাৰ ভিতৰত বন্দিয়াৰ দৰে ঘূৰিবলৈ ধৰিলে।
"গ-ৰ-ৰ-ৰ।" আকৌ এটা গোজৰণি মাৰিলে ভোলাই।

সকলো ফালে নীৰৱ নিস্তব্ধ। বৃহৎ ঘৰখন যেন এখন মৰিশালিহে। কিবা যেন কালিকা লগা ঘৰ। বাহিৰৰ গছ বিলাকত মাত্র বিবিধ চৰাইৰ মিশ্ৰিত কলকণ্ঠ।

অলপ পিছতে শংকৰ চহৰৰ পৰা ঘূৰি আহিল। ঘৰৰ বাৰান্দাৰ ওচৰত জীপখন ৰখাই দি সুহুৰিয়াই সুহুৰিয়াই জীপৰ পৰা নামিল। তাৰ পিচত বন্দুকটো গাড়ীৰ পৰা এটা এটাকৈ নমালে। নমোৱা হ'লত শংকৰে কিবা এটা চিন্তা কৰি পকেটত হাত ভৰালে।
: অ' হ'ল। — শংকৰে উচ্চাৰণ কৰিলে।

আচল বন্দুকটোৰেই আনিবলৈ পাহৰিলে শংকৰে। বন্দুকৰ গুলি। ঘৰতো গুলি একেবাৰেই নাই। আকৌ আবেলি'ল শংকৰে চহৰলৈ যাবলৈ ঠিক কৰিলে।
: মনি। — বন্দুকটোৰ নিবৰ কাৰণে শংকৰে ভিতৰৰ ফালে চাই মনিক চিঞৰিলে।
কোনো সহঁাৰি নাহিল।
শংকৰ ভিতৰলৈ সোমাই গ'ল।
: মনি। — শোৱাকোঠাত ভুমুকি মাৰি চালে শংকৰে।
কিন্তু মনি শোৱা কোঠাত নাই।

প্ৰত্যেকটো কোঠাতে মনিক বিচাৰিলে। কিন্তু মনি ক'তো নাই। শংকৰ আচৰিত হ'ল।

মনিক ক'তো নাপাই শংকৰ ভোলা থকা পিঞ্জৰাটোৰ ওচৰলৈ গ'ল। শংকৰ যেন আকাশৰ পৰাহে পৰিল। খোলা পিঞ্জৰাটো শংকৰৰ চকুত পৰাৰ লগে লগে শংকৰ বৈ গ'ল বজ্ৰাঘাত পৰা মানুহৰ দৰে। কেইমুহূৰ্তৰ বাবে শংকৰ স্তব্ধ হৈ বৈ গ'ল।

পিঞ্জৰাটোৰ ভিতৰত সোমাই খাদ্য বিচাৰি ফুৰা শালিকা দুটাই শংকৰক দেখা পাই আঁতৰলৈ উৰি গ'ল।

শঙ্কৰে ভাবিবলৈ বাধ্য হ'ল যে ভোলাই মনিক মাৰিলে।

ঃ ভোলা।— শঙ্কৰে জোৰেৰে চিঞৰি উঠিল।

কিন্তু ভোলাৰ কোনো প্ৰত্যুত্তৰ নাহিল।

শংকৰ বলিয়াৰ দৰে হ'ল।

ঃ ঠিক আছে ভোলা, সামান্য বাঘিনীজনীক পাই তই মোক পাহৰি গ'লি। মই মনিক পাৰো তোক পাহৰা নাই। তই মোৰ মনিক মাৰিলি। কিন্তু মই তোৰ ওপৰত প্ৰতিশোধ লব নোৱাৰিম। তোক কিন্তু মই বাঘিনীজনীক মাৰি উদ্ধাৰ কৰিমেই।

শঙ্কৰ দৌৰ মাৰি ভিতৰ সোমাই নিজৰ বন্দুকটো উঠাই ল'লে। বাকচ খুলি দেখে কাৰ্ট্ৰিজ এটাও নাই। শঙ্কৰৰ মনটো সেমেকি গ'ল। লৰা লৰিকৈ টেবুল এখনৰ ওচৰলৈ গৈ ড্ৰয়াৰ এটা খুলি দেখে মাত্ৰ এটা 'কাৰ্ট্ৰিজ' আছে। সেইটোকেলৈ শঙ্কৰ লৰি লৰি হাবিৰ ফালে যাবলৈ ধৰিলে।

ভয় নাই, শঙ্কা নাই, শঙ্কৰ কেৱল আগবাঢ়ি গৈ আছে। চকু মুখত ফুটি উঠিছে কিবা এক জান্তৱ চৰিত্ৰ। বাঘিনীজনীক আগত পালে যেন মুহূৰ্ততে ফালি চিৰাচিৰ কৰি পেলাব।

শঙ্কৰ ক্ৰমে গহীন অৰণ্যৰ মাজত সোমাই পৰিল। মুকলি হাবিত খোজ কঢ়াৰ দৰে ইয়াত আৰু খোজ কাঢ়িব নোৱাৰি। নিজৰ ইচ্ছা-সত্ত্বেও যেনি তেনি যাব নোৱাৰি। ওখ ওখ ঘন গছ, তলত জোপোহা ৰ্বৰৰ প্ৰাচীৰ। তদুপৰি অসংখ্য লতাই গোটেই অঞ্চল পৰিবেষ্টিত কৰি ৰাখিছে। চৰাই এটাও উৰি যোৱাৰ সুৰুঙা নাই। খুব চাপৰাই কুঁজা হৈ আগ নাবাঢ়িলে সেইফালে যাব নোৱাৰি। শঙ্কৰে তাকে কৰিলে। গছ লতা-কাইটৰ আঁচোৰত শঙ্কৰৰ দেহ ক্ষত বিক্ষত হ'ল। চোলাটোও ফাটি চিৰাচিৰ হ'ল। কিন্তু শঙ্কৰৰ সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপেই নাই।

অকস্মাৎ এক বাঘৰ গোজৰণি শঙ্কৰৰ কাণত পৰিল।

ঃ ভোলা।— শঙ্কৰে মনতে উচ্চাৰণ কৰিলে।

যিফালৰ পৰা শব্দটো অহা বুলি অনুমান কৰিলে সেই ফালেই শঙ্কৰ আগবাঢ়িল। আকৌ এবাৰ বাঘৰ গোজৰণি শঙ্কৰৰ কাণত পৰিল। ভোলাক লগ পাবৰ কাৰণে শঙ্কৰ উত্ৰাৱল হৈ পৰিল। মন হাবি খিনি কোনোমতে পাৰহৈ গৈ এখন বিলৰ পাৰত শঙ্কৰ উপস্থিত হ'ল। ক্ষন্তেকৰ বাবে শঙ্কৰ ৰৈ গ'ল। কোনফালে আগবাঢ়িব শঙ্কৰে ক্ষন্তেক ভাবিলে।

"ভোলা।— শঙ্কৰে এবাৰ জোৰেৰে চিঞৰি উঠিল।

কিন্তু বিলৰ বুকুত চৰি ফুৰা হাজাৰ বিজাৰ চৰাইৰ চিঞৰত শঙ্কৰৰ চিঞৰটো তল পৰিল।

শঙ্কৰ বিলৰ পাৰে পাৰে আগ বাঢ়িল।

শঙ্কৰক দেখি কিছুমান চৰাই উৰি গ'ল দূৰলৈ। কিছুমানে মাত্ৰ গাটো কাটি কৰি দি শঙ্কৰক বাট এৰি দিলে। সেইবোৰৰ প্ৰতি শঙ্কৰৰ ভ্ৰূক্ষেপ নাই।

পুনৰ গভীৰ অৰণ্যৰ মাজত শঙ্কৰ সোমাই পৰিল।

"হা—উ—ম্।" এইবাৰ নিচেই ওচৰতে শঙ্কৰে বাঘৰ মাত শুনিবলৈ পালে।

"ভোলা।" ইমান দুখৰ মাজতো শঙ্কৰৰ মুখত হাঁহি বিৰিঙিল।

শঙ্কৰ আৰু দুখোজমান আগবাঢ়ি গৈছে মাথোন এনেতে চকুত পৰিল এটা প্ৰকাণ্ড চেকোৱাপতীয়া বাঘ। শঙ্কৰে দেখিয়েই চিনি পালে যে সেইটো ভোলা নহয়।

একে ঠাইতে বহি শান্ত দৃষ্টিৰে বনৰাজে একেথৰে শঙ্কৰলৈ চাই আছে। দুৰ্ভগীয়া শঙ্কৰৰ অৱস্থা দেখি বনৰাজৰো যেন পুতৌ কৰিবৰ মন গৈছে।

শঙ্কৰে বাঘটোলৈ বন্দুক টোৱালে। বাঘটোৱে মুখখন বিকটাই এক মৃদু গোজৰণী মাৰিলে। হঠাৎ শঙ্কৰৰ মনত পৰিল বন্দুকত গুলি মাত্ৰ এটাহে আছে। সেইটো গুলি খৰছ কৰিলে শঙ্কৰৰ হাতত আৰু গুলি নাথাকিব আৰু বাঘিনীজনীকো মাৰিব নোৱাৰিব। শঙ্কৰে বন্দুকৰ নল অধোমুখ কৰিলে আৰু বাঘটোৰ ওপৰত নিজৰ দৃষ্টি নিবদ্ধ

ৰাখি এখোজ দুখোজ কৈ পিচলৈ পাছুৱাই ধৰিলে। বাঘটো একে ঠাইতে আগৰ দৰে বহি থাকিল।

শঙ্কৰ এইবাৰ আন এটা পথেৰে আগবাঢ়িল। হাবিৰ মাজেৰে ঘূৰোঁতে শঙ্কৰৰ যথেষ্ট ভাগৰ লাগিল। গোটেই শৰীৰ ঘামত তিতি গ'ল। ক্ষত অংশত ঘাম লাগি চেকচেকাবলৈ ধৰিলে। তেতিয়ালৈ শঙ্কৰে একো এটা খোৱা নাই। দীঘলীয়া নিশাটো উপবাসতে গ'ল। ভৰি হাতে দেহটো কঢ়িয়াই নিবলৈ অপাৰগ হ'ল। প্ৰবল ক্লান্তিত গোটেই দেহটো যেন অলপ পিচতে খণ্ড-বিখণ্ড হৈ যাব। পিয়াহত শঙ্কৰৰ ওঠ-কণ্ঠ শুকাই যাবলৈ ধৰিলে। অলপ আঁতৰতে বিলখন। কিন্তু সিমান খিনি দূৰ যেন শঙ্কৰে অতিক্ৰম কৰিব নোৱাৰিব। লতা এডালত পাক খাই শঙ্কৰ পৰি গ'ল। উঠিবলৈ চেষ্টা কৰিলে শঙ্কৰে। কিন্তু নোৱাৰিলে। তেনেকৈয়ে পৰি ৰ'ল। চকুহাল নিজে নিজে জাপ খাই গ'ল। ওঁঠ দুটাই পানী অলপৰ কাৰণে লৰচৰ কৰিব ধৰিলে। চকু দুটাইদি বৈ আহিল অবিৰাম লোতকৰ ধাৰা।

ওচৰৰ গছ এজোপাত কিবা এটা ডাঙৰ চৰাই আহি বহা শংকৰে গম পালে।

শগুণ নহয়তো।

শংকৰে চকু মেলিলে। তেনে দৰেই অলৰ অচৰ হৈ পৰি থাকিল।

কিমান সময় তেনেদৰে পৰি থাকিল শংকৰে কব নোৱাৰে। অলপ পিচতে উঠি বহিল। চাৰিওফালে এবাৰ চকু ফুৰাই ওচৰৰ গছ-জোপালৈ চালে। চৰাইটো নাই। কেতিয়াবাই উৰি গৈছে।

বন্দুকটো হাতত লৈ শঙ্কৰ থিয় হ'ল। এখোজ দুখোজ কৈ বেঁকাবেঁকি খোজেৰে শঙ্কৰ বিলৰ ফালে আগ বাঢ়িল। বিলৰ পাৰ পাই আঁজলিয়ে আঁজলিয়ে পানী খাই শংকৰ কিছু সুস্থ হ'ল। কাঁইটে ফালি চিৰাচিৰ কৰা দেহৰ অংশবোৰ শংকৰে লাহে লাহে বিলৰ পানীৰে ধুলে।

"গুৰুম্!" কিছু আঁতৰত কোনোবাই গুলি মৰা শব্দ শংকৰৰ কাণত পৰিল। লগে লগে শংকৰ উচপ খাই উঠিল।

এই হাবিত কোনে গুলি মাৰিব পাৰে। শঙ্কৰ আৰু মুবাৰক নীলকণ্ঠৰ বাহিৰে বন্দুক লৈ এই হাবিত মুৰা দ্বিতীয় ব্যক্তি কোনো নাই। শঙ্কৰে মুবাৰকেই গুলি মাৰিছে বুলি ধাৰণা কৰি ল'লে।

যি ফালৰ পৰা গুলিৰ শব্দ আহিছিল শঙ্কৰ সেই ফাললৈ আগ বাঢ়িল। শঙ্কৰ বেছি দূৰ আগ বাঢ়িবলৈ আৱশ্যক নহ'ল। অলপ আঁতৰতে বহি আছে দুটা বাঘ।

"ভোলা!"—শঙ্কৰে অস্ফুট উচ্চাৰণ কৰিলে।

হয়। সঁচাই ভোলা হয়। শঙ্কৰৰ চকুৱে ভুল কৰা নাই।

"ভোলা!"—গাৰ সমস্ত শক্তিৰে চিঞৰি উঠিল আৰু লগে লগে আগবাঢ়িল বাঘ দুটাৰ ফালে।

ভোলাই শঙ্কৰলৈ চালে। তাৰ পিছত পুনৰ দৃষ্টি ঘূৰালে আন একালে। শঙ্কৰৰ আগমন যেন সি ভাল পোৱা নাই।

শঙ্কৰ বৈ গ'ল।

ভোলাৰ লগত বাঘিনী জনীক দেখাৰ লগে লগে শঙ্কৰৰ চকুত কিবা এক প্ৰতিহিংসাৰ ছবি জিলিকি উঠিল।

: ভোলা, তই মোৰ ওচৰলৈ আহ। তই মোক এৰি নাযাবি। তই মনিক মাৰি থৈ আহিছ। কিন্তু মই তোক একো নকওঁ। তই আহ।

— শঙ্কৰে ভোলাক মাতিব ধৰিলে।

ভোলাই শঙ্কৰৰ ফালে এবাৰ কেৰাহিকৈ চাই বাঘিনী জনীৰ গাটো চেলেকিবলৈ ধৰিলে। বাঘিনী জনীয়ে মুখেৰে কিবা এটা শব্দ কৰি বহাৰ পৰা উঠিল আৰু শঙ্কৰলৈ চাই এটা গোজৰণি মাৰিলে। ভোলাও উঠিল আৰু বাঘিনী জনীৰ সৈতে শঙ্কৰক এৰি সেই ঠাইৰ পৰা আঁতৰিব খুজিলে।

: ভোলা।— শঙ্কৰে দুখ আৰু হতাশাত জোৰেৰে চিঞৰি উঠিল।

কিন্তু ভোলাৰ কোনো কাণসাৰেই নাই।

: ঠিক আছে।— শঙ্কৰে মুখেৰে উচ্চাৰণ কৰিলে।

শঙ্কৰ লাহে লাহে আগবাঢ়ি গ'ল ভোলাৰ ফালে। শঙ্কৰৰ ভৰিৰ শব্দত বাঘিনী জনীয়ে উভতি চালে। লগে লগে শঙ্কৰৰ বন্দুকে গৰজি উঠিল।

বিকট গৰ্জন কৰি বাঘিনীজনী মাটিত পৰি গ'ল। ভোলাও সেই শব্দত উচপ খাই উঠিল। বন্দুকৰ গুলিয়ে কি কৰে ভোলাই ভালদৰে জানে। শংকৰৰ লগত ঘুৰি ঘুৰি ভোলা বন্দুকৰ বিষয়ত অভ্যস্ত হৈ পৰিছিল।

অকস্মাৎ তাৰ জীৱন লগৰী এনেদৰে পৰি যোৱাত ভোলা যেন আচৰিত হ'ল। সি সুঙি চালে। সি বুজি পালে যে তাৰ জীৱন লগৰীয়ে তাক এৰি গুচি গৈছে। দুখত সি কুঁ-কুঁৱাবলৈ ধৰিলে।

: ভোলা।—শংকৰে মাতিলে ।

ভোলাই মুৰ তুলি চালে শংকৰলৈ। এক হিংস্র চাৱনি তাৰ চকুত।

শংকৰে সেই চাৱনিৰ ভাষা বুজি নাপালে।

এটা বৃহৎ গোজৰণি মাৰিলে ভোলাই।

শংকৰ উচপ খাই উঠিল।

: ভোলা—কম্পিত স্বৰেৰে শংকৰে আকৌ এবাৰ মাতিলে।

ভোলাৰ চকুৰেদি যেন জুইহে ওলাইছে। তাৰ দীঘল নেজডাল খুব জোৰেৰে এবাৰ মাটিত কোব মাৰিলে।

ভোলাই যে শংকৰক আক্ৰমণ কৰিব শংকৰৰ আৰু বুজিবলৈ বাকী নাথাকিল।

: ভোলা, তই মোক বিশ্বাস-ঘাতকতা নকৰ। তোৰ এনে স্বভাৱ বুলি জনা হ'লে মই আৰু এটা গুলি তোৰ কাৰণে লৈ আহিলোঁহেতেন।

ভোলাই দ্বিতীয়বাৰ নেজ মাৰিলে।

: ভোলা, তই মোক ক্ষমা কৰ। তই মোৰ মনিক মাৰিছ; কিন্তু মই তোক ক্ষমা কৰিছোঁ। কিন্তু-----।

আৰু সময় নাই। শংকৰ পলাবলৈ ধৰিলে। ভোলাই লগে লগে এটা দীঘল জাঁপ মাৰিলে। সেই জাঁপৰ পৰা শংকৰ কথামপি বাচি গ'ল। কিন্তু শংকৰ আৰু কিমান পলাব। কিছুবাত উজুতি খাই শংকৰ পৰি গ'ল। ভোলাই দূৰৰ পৰা আৰু এটা জাঁপ মাৰিলে শংকৰৰ প্ৰতি। শংকৰে চকুহাল মুদি দিলে।

: গুৰুম্।" বন্দুকৰ শব্দত উচপ খাই উঠিল।

বিকট গৰ্জন কৰিলে ভোলাই।

তাৰ পিছত সকলো নিস্তব্ধ। ক'তো এটা শব্দ নাই।
শংকৰে চকুহাল মেলি দি সন্মুখ'লৈ চালে। অবাক হৈ গ'ল শংকৰ।

: মনি।— অসহায়ৰ দৰে তীব্ৰ অথচ করুণ এক সুৰত শব্দটো ওলাইছিল শংকৰৰ মুখত।

মনি লৰি আহিছিল শংকৰৰ ওচৰ'লৈ। পিচে পিচে খুৰাৰেক নীলকণ্ঠ। শংকৰ পৰাৰ পৰা উঠিল। পিনলৈ উভতি চাই দেখে যে অলপ আঁতৰতে ভোলা পৰি আছে। প্ৰাণহীন ভোলা।
মনি আহি শংকৰৰ ওচৰত থিয় হ'লহি।
শংকৰে মনিলৈ এবাৰ চাই দুহাতেৰে চকু দুটা ঢাকি উচুপি উচুপি কান্দিব ধৰিলে।

: গোটেই জীৱনটোৰেই তুমি আনক কন্দুৱালা শংকৰ, এতিয়া নিজে অলপ কান্দি চোৱা। —নীলকণ্ঠই কলে।
শংকৰে উচুপি থাকিল।
: তুমি তোমাৰ দেউতাৰাৰ ওৰেটি জীৱনৰ ইমান সাধনাৰ সকলো স্বপ্ন থানবান কৰি দিলা।

: মই ডাঙৰ ভুল কৰিছিলো খুৰা। তাৰ প্ৰায়শ্চিত্ত মই ভোগ কৰিম।
শংকৰে উচুপি উচুপি ক'লে।

: তুমি আৰু নাকান্দিবা, ঘৰলৈ ব'লা! — মনিয়ে ক'লে।

: ভোলাই মোক বিশ্বাসঘাতকতা কৰিলে।
: ভোলাই তোমাক বিশ্বাসঘাতকতা কৰা নাই। ভোলা জন্তু হৈও সি তাৰ প্ৰেমৰ মূল্য বুজিছে।
শংকৰে মনিলৈ চালে দোষী দোষী ভাবেৰে।
: তুমি ভোলাৰ কাৰণে মনিক যথেষ্ট কষ্ট দিলা, শংকৰ। কত বুকু ভৰা বেদনা গোপনে ৰাখি সুখী মানুহৰ ভাও দি আহিছে।

: মনি। — শংকৰে লাহেকৈ মাতিলে।
মনিৰ ওঠ দুটা কিঞ্চিত লৰিল। চকুৰে মুখে বিজয়ৰ হাঁহি। জীৱনযুদ্ধত মনি জিকিল। মনি আগবাঢ়ি গৈ শংকৰৰ ভৰি চুই প্ৰণাম কৰিলে। শংকৰে মনিৰ দুবাহুত ধৰি উঠাই দিলে।

"এতিয়া ব'লা" নীলকণ্ঠই ক'লে।

তিনিও উঠিল।

আকাশত বসন্তৰ হাঁহি।

দূৰত কুলি চৰাইৰ মাত।

শংকৰে মনিলৈ চাই হাঁহিলে।

মনিয়েও।

আকাশখন তেতিয়া সম্পূৰ্ণ মুকলি।

ক'তো ডাৱৰ নাই।

—সমাপ্ত—